www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলোকে ভাল পাবা, কিন্তু সকলোকে বিশ্বাস নকৰিবা। বিশ্বাস নকৰিবা বুলিয়েই কাৰো প্ৰতি অহিতকৰ কাম নকৰিবা। — উইলিয়াম শ্বেক্সপীয়েৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑প্ৰথম বছৰ ❑সংখ্যা- ১৫১ ❑ শনিবাৰ ❑২১ মাৰ্চ, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 151 ❑ Saturday ❑ 21st March, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

আকাশ বতাহ কঁপাই ৰাজপথত হাজাৰ হাজাৰ দলীয় নেতা-কৰ্মী

## ডিব্ৰুগড়ত লুৰিণজ্যোতি গগৈ সহ ৮ জনৰ মনোনয়ন দাখিল; সংগ দিলে গৌৰৱ গগৈয়ে



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনীতি এতিয়া তুংগত। আজি ডিব্ৰুগড়ত দেখা গ'ল এক বৃহৎ শক্তি প্ৰদৰ্শন। বিৰোধী ঐক্য মঞ্চৰ উমৈহতীয়া প্ৰাৰ্থী হিচাপে মনোনয়ন দাখিল কৰিলে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। আনফালে বিজেপি আৰু কংগ্ৰেছৰ ❑ ৬ পৃষ্ঠাত

■ সপ্তমবাৰৰ বাবে জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হ'ব হিমন্ত বিশ্ব শৰ্মা ■

## সপ্তমবাৰৰ বাবে বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল ড° হিমন্ত বিশ্ব শৰ্মাৰ

অসংখ্য সমৰ্থকক লগত লৈ সপৰিয়ালে দাখিল কৰিলে মনোনয়ন পত্ৰ


**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ মাৰ্চ ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জালুকবাৰী বিধানসভা সমষ্টিৰ বাবে নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। পত্নী ৰিণিকী ভূঞা শৰ্মা আৰু পুত্ৰ নন্দিল বিশ্ব শৰ্মাক লৈ তেওঁ খানাপাৰাৰ পৰা আৰম্ভ কৰা এক বিশাল ৰেলীৰে কামৰূপ (মেট্ৰ') জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাত্ৰা কৰে। এই ❑ ৬ পৃষ্ঠাত



হাজাৰ হাজাৰ সমৰ্থকসহ বিৰোধীৰ মনোনয়ন দাখিল

## নাম ঘোষণাৰ পূৰ্বেই শিৱসাগৰত মনোনয়ন পত্ৰ দাখিল অখিল গগৈৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ মাজতে শুকুৰবাৰে শিৱসাগৰ বিধানসভা সমষ্টিৰ পৰা ৰাইজৰ দলৰ সভাপতি তথা বৰ্তমানৰ বিধায়ক অখিল গগৈয়ে মনোনয়ন পত্ৰ দাখিল কৰে। ঐতিহাসিক শিৱদৌলত সেৱা লৈ তেওঁ এই পদক্ষেপ গ্ৰহণ কৰে, যিয়ে সমষ্টিটোত নিৰ্বাচনী উত্তেজনা বৃদ্ধি ❑ ৬ পৃষ্ঠাত



❑ শুকুৰবাৰে সন্ধিয়া হাতীগাঁৱৰ বাসগৃহত বৈঠক ❑

## দিছপুৰত টিকট বঞ্চিত অতুল বৰাক বুজনি দিলে ড° হিমন্ত বিশ্ব শৰ্মাই



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক্কালত দিছপুৰ সমষ্টিত বিজেপিৰ ভিতৰত সৃষ্টি হোৱা অসন্তোষৰ মাজতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে সন্ধিয়া ❑ ৬ পৃষ্ঠাত

দিছপুৰ সমষ্টিত নতুন ৰাজনৈতিক সমীকৰণ

## টিকট বঞ্চিত অতুল বৰাৰ বাসগৃহত কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামী

**ষ্টাফ ৰিপ'ৰ্টাৰ, দিছপুৰ, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আৰম্ভণিতে দিছপুৰ সমষ্টিত দেখা গৈছে এক আকৰ্ষণীয় ৰাজনৈতিক খেল। কংগ্ৰেছৰ প্ৰাৰ্থী মীৰা ❑ ৬ পৃষ্ঠাত

'মীৰা বৰঠাকুৰৰ প্ৰতি মোৰ আশীৰ্বাদ আছেই'



টিকট পৰা বঞ্চিত তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱা

### কংগ্ৰেছৰ চতুৰ্থখন প্ৰাৰ্থী তালিকা ঘোষণা



**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** আসন্ন অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ভাৰতীয় জাতীয় কংগ্ৰেছে নিজৰ চতুৰ্থ- ❑ ৬ পৃষ্ঠাত

প্ৰতিকূল বতৰকো নেওচি হাজাৰ হাজাৰ সমৰ্থক

## কেইবা সহস্ৰাধিক সমৰ্থক লৈ মনোনয়ন পত্ৰ দাখিল ৰমাকান্ত দেউৰী আৰু পীয়ুষ হাজৰিকাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ২০ মাৰ্চ ঃ** কেইবা সহস্ৰাধিক দলীয় সমৰ্থক লৈ আজি দুপৰীয়া নিজ নিজ মনোনয়নপত্ৰ দাখিল কৰিলে ৫৪ নং মৰিগাঁও আৰু ৫২ নং জাগীৰোড বিধান সভা সমষ্টিৰ বিজেপিৰ মনোনীত প্ৰাৰ্থী ৰমাকান্ত দেউৰী আৰু পীযূষ হাজৰিকাই। প্ৰতিকূল বতৰকো নেওচি হাজাৰ হাজাৰ সমৰ্থকসহ ৰমাকান্ত দেউৰীয়ে মৰিগাঁও কলেজৰ পৰা পদব্ৰজে আহি ❑ ৬ পৃষ্ঠাত

## নিৰ্বাচনৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছৰ ১১খন জিলাত নতুন ভাৰপ্ৰাপ্ত সভাপতি নিযুক্তি

**নিউজ ডেস্ক, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ বাবে মাত্ৰ কেইটামান দিন বাকী থকা এই সময়ছোৱাত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। দলৰ সভাপতি গৌৰৱ গগৈয়ে ❑ ৬ পৃষ্ঠাত


## প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হৈ অগপ ত্যাগ জ্যেষ্ঠ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ মাৰ্চ ঃ** ২০২৬ বৰ্ষৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে অসম গণ পৰিষদত তীব্ৰ অন্তৰ্কন্দল আৰু অসন্তুষ্টিৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। আগন্তুক নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাবে দলীয় টিকটৰ পৰা বঞ্চিত হৈ শুকুৰবাৰে ❑ ৬ পৃষ্ঠাত

তেল আমদানি ব্যয়ত ১৬হাজাৰ কোটি টকাৰ অতিৰিক্ত চাপৰ আশংকা

## পশ্চিম এছিয়াৰ অস্থিৰতা! ভাৰতীয় টকাৰ অভিলেখ পতনেৰে ৯৩.১৫ত উপনীত

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** পশ্চিম এছিয়াত ক্ৰমান্বয়ে বাঢ়ি অহা সংঘাত আৰু অস্থিৰতাৰ প্ৰভাৱত ভাৰতীয় মুদ্ৰাই শুকুৰবাৰে ডলাৰৰ বিপৰীতে নতুন অভিলেখ নিম্নমুখী হৈছে। ❑ ৬ পৃষ্ঠাত



ৰাইজৰ কাষত থকাৰ প্ৰতিশ্ৰুতি দিলে প্ৰাক্তন ৰাজ্যিক সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্যই

## "দলে প্ৰাৰ্থিত্ব নিদিলেও মোৰ কোনো ক্ষোভ নাই"



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ বাবে বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰাৰ পিছতে নিউ গুৱাহাটী সমষ্টিত টিকট লাভ নকৰা প্ৰাক্তন ৰাজ্যিক সভাপতি তথা পূৰ্বৰ পূব ❑ ৬ পৃষ্ঠাত

❑ দিছপুৰ সমষ্টিত টিকট লাভৰ পিছতে পুৰণি কৰ্মীৰ অসন্তোষ ❑

## ক্ষোভিত কৰ্মী-নেতাৰ ওচৰত হাত-যোৰ কৰি সমৰ্থন বিচাৰিব প্ৰদ্যুৎ বৰদলৈয়ে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ প্ৰাক্কালত ৰাজ্যিক বিজেপিত পুনৰবাৰ যোগদানৰ ঢৌ দেখা গৈছে। শুকুৰবাৰে দলৰ ৰাজ্যিক সভাপতি তথা দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াৰ উপস্থিতিত কংগ্ৰেছৰ জ্যেষ্ঠ নেতা-কৰ্মীসহ বিভিন্ন দল-সংগঠনৰ পৰা একাংশ ❑ ৬ পৃষ্ঠাত



■ পশ্চিম এছিয়াৰ সংঘাত! শক্তি আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণক গৰিহণা ■

## প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বিশ্বৰ পাঁচগৰাকী শীৰ্ষ নেতাৰ বাৰ্তালাপ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২০ মাৰ্চ ঃ** পশ্চিম এছিয়াত চলি থকা সংঘাত আৰু অস্থিৰ পৰিস্থিতিৰ প্ৰেক্ষাপটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৃহস্পতিবাৰে বিশ্বৰ পাঁচজন শীৰ্ষ নেতাৰ সৈতে ফোনযোগে বাৰ্তালাপ কৰিছে। এই আলোচনাত অঞ্চলটোৰ শান্তি প্ৰতিষ্ঠা, কূটনীতিৰ প্ৰয়োজনীয়তা আৰু শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণক তীব্ৰভাৱে গৰিহণা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰা ❑ ৬ পৃষ্ঠাত



বিধায়ক হৈ পোৱা মৰম চেনেহ সাত জনমৰ পুণ্যৰ ফল ঃ বিশ্বজিৎ ফুকন

## গোলাঘাটৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত সেৱা লৈ বিশাল সমাৰেশেৰে মন্ত্ৰী অজন্তা নেওগ আৰু বিশ্বজিৎ ফুকনৰ মনোনয়ন পত্ৰ দাখিল

### বিকশিত গোলাঘাট আৰু যুৱক যুৱতীসকলৰ স্বনিৰ্ভৰশীলতা হ'ব মূল লক্ষ্য ঃ অজন্তা নেওগ



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ২০ মাৰ্চ ঃ** হাজাৰ-হাজাৰ দলীয় সমৰ্থক আৰু ৰাইজৰ বিপুল সমাৰেশেৰে আজি গোলাঘাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী, মন্ত্ৰী তথা সমষ্টিটোৰ পৰা পাঁচবাৰকৈ নিৰ্বাচিত হোৱা মন্ত্ৰী অজন্তা নেওগ আৰু সৰুপথাৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী, বিগত কাৰ্যকালৰ বিধায়ক বিশ্বজিৎ ফুকনে একেলগে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে অজন্তা নেওগে শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰত আৰু বিশ্বজিৎ ফুকনে কছাৰীহাটৰ ঐতিহ্যমণ্ডিত ত্ৰিশূল মন্দিৰত সেৱা লয়। কলিয়াবৰ লোক সভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছাসহ গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰৰ পৰা বিশাল সমদল বাহিৰ কৰি জিলা আয়ুক্তৰ কাৰ্যালয়ত দুই গৰাকী প্ৰাৰ্থীয়ে নিজৰ-নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিল কৰি গোলাঘাট সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী মন্ত্ৰী অজন্তা নেওগে কয় যে, সৰুপথাৰ সমষ্টিৰ আমাৰ দলৰ প্ৰাৰ্থী বিশ্বজিৎ ফুকনৰ সৈতে বিকশিত অসমৰ স্বাৰ্থত আমি আজি একেলগে প্ৰাৰ্থীত্ব আগবঢ়ালোঁ। লগতে এখন বিকশিত গোলাঘাট এই দুটা আমাৰ লক্ষ্য। বিগত সময়ছোৱাত বিকশিত গোলাঘাটৰ বাবে সামূহিক চেষ্টা চলাইছিলো আৰু আজি এখন সুন্দৰ গোলাঘাট নিৰ্মাণ হৈছে। বিশেষকৈ যুৱক যুৱতীসকলৰ বাবে বহুখিনি কাম কৰিবলৈ মন আছে আৰু গোলাঘাট জিলাত যাতে উদ্যোগীকৰণৰ কৰিব পাৰোঁ মনত প্ৰবল ইচ্ছা আছে। আগন্তুক দিনত আমাৰ চৰকাৰ আহিলে এই কাম কৰিম আৰু দৈয়াং অঞ্চলৰ যি সমস্যা আছে সেই সমস্যা সমাধান কৰিবলৈ লক্ষ্য থাকিব। ৰাইজৰ আশীৰ্বাদ অবিহনে কোনো ৰাজনৈতিক ব্যক্তি সফল হ'ব নোৱাৰে। মই অতিকৈ সৌভাগ্যবান যে যাৰ গোলাঘাট সমষ্টিৰ পৰা মই পাঁচবাৰ প্ৰতিনিধিত্ব কৰিলোঁ আৰু দলে আকৌ এবাৰ নিৰ্বাচিত কৰিছে লগতে ৰাইজৰ আশীৰ্বাদ লৈ মই আগন্তুক দিনত ৰাইজৰ সেৱা কৰি যাম। ইফালে আজি গোলাঘাটত সৰুপথাৰ সমষ্টিৰ বিজেপি দলৰ শক্তিশালী প্ৰাৰ্থী তথা বিগত কাৰ্যকালৰ বিধায়ক বিশ্বজিৎ ফুকনে, গোলাঘাট সমষ্টিৰ প্ৰাৰ্থী, মন্ত্ৰী অজন্তা নেওগসহ মনোনয়ন পত্ৰ দাখিল কৰে। গোলাঘাট নগৰৰ সমন্বয় ক্ষেত্ৰত সমবেত বিশাল সমাৰেশক সম্বোধি দিয়া উদাত্ত ভাষণত তেওঁ কয় যে, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত হোৱা উন্নয়নী ধাৰাৰ সপক্ষে সমগ্ৰ অসমতে এতিয়া জোৱাৰ উঠিছে। জন-আশীৰ্বাদ যাত্ৰা আৰু আজিৰ সমাৰেশে এই কথা প্ৰমাণিত কৰিছে। ৰাইজক সেৱা কৰিবলৈ সকলোৰে সুযোগ নাহে, ৰাইজে যি মৰম আৰু আশীৰ্বাদ দিছে হোৱাতো সাত জনমৰ পুণ্যৰ ফল বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় এনেদৰে - "বিগত কাৰ্যকালৰ ৰাইজৰ আস্থা আৰু বিশ্বাসক মূলধন হিচাপে লৈ নিৰ্বাচনত অৱতীৰ্ণ হৈছোঁ। আমি এটা কথা আশা কৰিছোঁ, এইবাৰ গোলাঘাট জিলাৰ আটাইকেইটা সমষ্টিতে এক ব্যতিক্ৰমী নিৰ্বাচন হওক।" সুস্থ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতা হওক, অশালীন শব্দৰ ব্যৱহাৰ, অশ্লীল শব্দৰ ব্যৱহাৰ, প্ৰাৰ্থীৰ ব্যক্তিগত আক্ৰমণ, ভুৱা প্ৰচাৰ এইখিনি আমিতো নকৰোঁৱেই বৰং বিৰোধীৰ প্ৰাৰ্থী সকলকো এনে মানসিকতাৰে নিৰ্বাচন খেলিবলৈ মুকলি আহ্বান জনায়। সঁচা কথাৰ প্ৰচাৰ চলালে আমাৰ ক'বলগীয়া নাই, কিন্তু ভুৱা প্ৰচাৰ, অপ-প্ৰচাৰ চলাই গণতান্ত্ৰিক নিৰ্বাচনৰ মজিয়া অপৱিত্ৰ নকৰি ব্যক্তিগত আক্ৰমণৰ পৰ্যায়ৰ পৰা আঁতৰি থাকি এক সুস্থ ৰাজনৈতিক পৰম্পৰাৰ জন্ম দিবলৈ বিৰোধী প্ৰাৰ্থীসকলৰ প্ৰতি আহ্বান জনায়। মিছা প্ৰচাৰ চলাই সঁচা কথাৰ ইতিহাস ক'বলৈ বাধ্য নকৰালৈও আহ্বান জনায়। কিয়নো আমি সুস্থ ৰাজনৈতিক পৰম্পৰা সৃষ্টি কৰিব লাগিব। আগন্তুক নিৰ্বাচনত ১০০ খনৰো অধিক আসন মিত্ৰজোঁটে লাভ কৰাতো নিশ্চিত বুলি দাবী কৰে। আজিৰ মনোনয়ন পৰ্বত কাজিৰঙা লোকসভা সমষ্টিৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, গোলাঘাট পৌৰ সভাৰ পৌৰপতি দুলুমণি বৰবৰা আদিয়ে অংশগ্ৰহণ কৰে।

লোকশিল্পী নাৰায়ণ কলিতালৈ লোককৃষ্টি ৰত্ন বঁটা

## ৰঙিয়াত লোক কৃষ্টি কলা কেন্দ্ৰৰ উদ্যোগত বিহুৰ কৰ্মশালা

**অসম বাৰ্তা, ৰঙিয়া, ২০ মাৰ্চ ঃ** বিহুই হৈছে অসমীয়াৰ পৰিচয়। ইতিমধ্যেই এই বিহু বিশ্বসভাত নতুন চানেকিৰে উদ্ভাসিত হৈ পৰিছে। প্ৰতিটো জাতি জনগোষ্ঠীৰ হিয়াৰ আমঠু বিহুৰ ক্ষতি কৰিব পৰা কোনো কামেই কৰা উচিত নহয়। কৰ্মশালাসমূহে নৱপ্ৰজন্মক লোককৃষ্টিৰ বিষয়ে জ্ঞান প্ৰদান কৰি আছে। এই মন্তব্য কামৰূপ জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক হেমন্ত কলিতাৰ। ৰঙিয়াৰ লোক কৃষ্টি কলা কেন্দ্ৰৰ উদ্যোগত বিগত বাৰ বছৰৰ দৰে এইবেলিও ৰঙিয়াৰ শিৱ মন্দিৰৰ সমীপৰ সংগম সংঘ বাকৰিত আৰম্ভ হ'ল বিহুৰ লগতে লোকনৃত্যৰ কৰ্মশালা। বৃহস্পতিবাৰে বন্তি প্ৰজ্বলন কৰি কৰ্মশালাৰ শুভাৰম্ভ কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক পবিন কলিতা আৰু কবি উজ্জ্বল ডেকাই। সম্পাদক ৰূপম ডেকাই আঁত ধৰা আৰু কাৰ্যকৰী সভাপতি জয়ন্তজিত কলিতাৰ সভাপতিত্ব অনুষ্ঠিত কৰ্মশালাখনিৰ শুভাৰম্ভণি অনুষ্ঠানত বিশিষ্ট সমাজ তথা সাহিত্য সংগঠক হেমন্ত কলিতা, জ্যেষ্ঠ নাগৰিক দেৱকান্ত ডেকা, শিক্ষক মুকেশ লহকৰ, বিহুৱা সমীৰ কুমাৰ চেতীয়া প্ৰমুখ্যে শতাধিক প্ৰশিক্ষাৰ্থী, অভিভাৱক আৰু স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। অহা ২৭ মাৰ্চলৈ অনুষ্ঠিত হ'বলগা দহদিনীয়া কৰ্মশালাখনিত অভিজ্ঞ প্ৰশিক্ষকবৃন্দৰ মুখ্য প্ৰশিক্ষক হিচাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ লোকশিল্পী গৌতম দাস (বৰ বিহুৱা), ৰূপম ডেকা (বিহুৱা), বিশ্বজিত কলিতা (বৰবিহুৱা) কন্দৰ্প দাস (বিহুৱা), লতাশিল বিহু কুঁৱৰী-২০২৩, নামনি বোৱাৰী বিহুৱতী-২০২৫ খ্যাত অনন্যা ফুকন, ডিম্পী হালৈ (বিহুৱতী), জ্যোতিৰূপা দাস (বিহুৱতী) আৰু প্ৰীতি দলে তথা আমন্ত্ৰিত প্ৰশিক্ষক লটাশিল বিহুসম্ৰাজ্ঞী-২০২৩ খ্যাত প্ৰতীক্ষাৰাণী বৰগোহাই, জুলী বৰা (বিহুৱতী)ৰ দ্বাৰা শতাধিক শিক্ষাৰ্থীক বিহুৰ প্ৰশিক্ষণ দি নৱপ্ৰজন্মৰ উৎকৰ্ষ সাধন কৰাৰ মহৎ উদ্দেশ্যেৰে এই কৰ্মশালাৰ আয়োজন কৰিছে উদ্যোক্তাসকলে। এই বেলি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰখ্যাত লোকশিল্পী নাৰায়ণ কলিতালৈ অহা ২৭ মাৰ্চৰ দিনা কৰ্মশালাৰ সামৰণি অনুষ্ঠানত লোককৃষ্টি ৰত্ন বঁটা প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। লোককৃষ্টি কলা কেন্দ্ৰৰ সভাপতি পুলকেশ ডেকা, ৰঙিয়াৰ বিশিষ্ট সাহিত্য সাংস্কৃতিক কৰ্মী তথা কাৰ্যকৰী সভাপতি জয়ন্তজিত কলিতা, সম্পাদক তথা তত্ত্বাৱধায়ক বৰবিহুৱা ৰূপম ডেকা আৰু বিশিষ্ট বিহুৱা সমীৰ কুমাৰ চেতিয়াৰ নেতৃত্বত অতি সুচাৰুৰূপে পৰিচালিত হৈ অহা কৰ্মশালাবোৰৰ দ্বাৰা বিগত এঘাৰ বছৰত শহস্ৰাধিক শিক্ষাৰ্থী ইতিমধ্যেই উপকৃত হৈছে। ৬ বছৰৰ উৰ্দ্ধৰ সকলোৰে বাবে এই কৰ্মশালাত বিহু হুঁচৰি, বিহু নাচ আৰু জেং বিহুৰ লগতে অসমৰ লোক সংস্কৃতিৰ আভাস দিয়া হ'ব। কৰ্মশালাত অংশগ্ৰহণৰ বাবে ৯৯৫৪২৪১৮৪৭ আৰু ৯৭০৭৮২৩৯৫৪ মোবাইল নং যোগাযোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলৰ ফালৰ পৰা জনাইছে।

## হৰিৰ নামেৰে মুখৰিত হাৰোপাৰা গাঁও

**অসম বাৰ্তা, মিৰ্জা, ২০ মাৰ্চ ঃ** চৌদিশে নিৰ্বাচনৰ গৰম বতাহ চলি থকাৰ মাজতে ভক্তিৰসত বিলীন হৈছে হাৰোপাৰা তৃতীয় খণ্ডৰ ৰাইজ। প্ৰতিকূল বতৰৰ মাজতো পুৱাৰে পৰা হৰিৰ নামত মুখৰিত হাৰোপাৰা অঞ্চল। দক্ষিণ কামৰূপৰ পলাশবাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত হাৰোপাৰা তৃতীয় খণ্ডৰ ৰাইজে শ্ৰীশ্ৰী বংশীগোপাল সত্ৰৰ নৱ নিৰ্মিত গৃহত ৰাইজৰ সৰ্ব মংগলাৰ্থে আজি পুৱাৰে পৰা ৰূপায়ণ কৰে বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ। সত্ৰৰ গুৰিধৰোঁতা আৰু বিশিষ্ট ব্যক্তিক আদৰণি, ভকত বাপ সকলৰ প্ৰসম, নিমন্ত্ৰিত নাগাৰা নামৰীয়া দলৰ নাম প্ৰসংগ আদি কাৰ্য্যসূচীৰে সুন্দৰ পৰিৱেশ সৃষ্টি হয় হাৰোপাৰা তৃতীয় খণ্ডত। উক্ত অনুষ্ঠানত অসম সত্ৰ মহাসভাৰ উপ সভাপতি তথা দক্ষিণ কামৰূপৰ সত্ৰ মহাসভাৰ সভাপতি অখিল মহন্তৰ লগতে আন আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি জ্বলি উঠিল সহস্ৰ শিখা

## চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে নলবাৰীত হুংকাৰ




**অসম বাৰ্তা, নলবাৰী, ২০ মাৰ্চ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ছয় মাহ উকলি যোৱাৰ পাছতো চৰকাৰৰ ৰহস্যজনক নীৰৱতা আৰু তদন্তৰ নামত চলোৱা ভেঁকোভাওনাৰ বিৰুদ্ধে আজি নলবাৰীৰ ৰাজপথত শ শ জুবিন অনুৰাগীয়ে শিখা লৈ মৌন সমদল কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ (AJYCP) কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে নলবাৰী জিলা সমিতিৰ উদ্যোগত উলিওৱা এই বিশাল প্ৰতিবাদী মৌন শিখা সমদলত চৰকাৰৰ দুমুখীয়া স্থিতিক তীব্ৰ ভাষাৰে গৰিহণা দিয়া হয়। এই শক্তিশালী প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি চৰকাৰক কঠোৰ সকীয়নি প্ৰদান কৰে নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ, সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই। শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি দি ক্ষমতা দখল কৰা চৰকাৰে এতিয়া নিজৰ প্ৰতিশ্ৰুতি পাহৰি যোৱা কাৰ্যই জনসাধাৰণক ক্ষুব্ধ কৰি তুলিছে। প্ৰতিবাদকাৰীসকলে কেৱল জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্তই নহয়, বৰঞ্চ 'জুবিন ক্ষেত্ৰ'ক বিশ্বমানৰ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দাবীত চৰকাৰক চৰম হুংকাৰ প্ৰদান কৰে। চৰকাৰৰ এনে চৰম প্ৰতাৰণাৰ বিৰুদ্ধে এই প্ৰতিবাদ কেৱল আৰম্ভণিহে বুলি উল্লেখ কৰি তেওঁলোকে স্পষ্ট কৰি দিয়ে যে ন্যায় লাভ নকৰালৈকে এই সংগ্ৰাম চলাই নিয়া হ'ব।

## দেৰগাঁৱত ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থী হ'ল ড° মৃদুল কুমাৰ দত্ত

**অসম বাৰ্তা, দেৰগাঁও, ২০ মাৰ্চ ঃ** সুদীৰ্ঘ দিন অসম গণ পৰিষদৰ দখলত থকা দেৰগাঁও সমষ্টি এইবাৰ ভাৰতীয় জনতা পাৰ্টিয়ে দখল কৰিলে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দেৰগাঁও সমষ্টিত এইবাৰ বিজেপিৰ প্ৰাৰ্থীক প্ৰাৰ্থিত্ব প্ৰদান কৰিব বুলি ঘোষণা কৰা দিনৰে পৰা বাতৰি লিখা সময়লৈকে দুয়োটা ৰাজনৈতিক দলৰ মাজত ভীষণ উৎকণ্ঠা চলি আছে। সামাজিক মাধ্যমযোগে বিভিন্নজনে বিভিন্ন প'ষ্ট আৰু নিউজ প'ৰ্টেলসমূহে পৰিৱেশন কৰি থকা বাতৰিয়ে বিভ্ৰান্তি সৃষ্টি কৰি আহিছে বৃহত্তৰ দেৰগাঁৱত। মুহূৰ্তে মুহূৰ্তে সলনি হৈ আহিছে ৰাজনৈতিক পৰিৱেশ। কিন্তু আজি পুৱাৰে পৰা দেৰগাঁও নগৰত দেখা গৈছে এক আনন্দমুখৰ পৰিৱেশ। হঠাৎ সামাজিক মাধ্যমত সকলো দলীয় নেতা-কৰ্মীয়ে অভিনন্দন জনাই আছে জ্যেষ্ঠ বিজেপি নেতা ড° মৃদুল কুমাৰ দত্তক। কিয়নো ১০৪ নং দেৰগাঁও বিধানসভা সমষ্টিত বিজেপিৰ টিকট লাভ কৰে ড° মৃদুল কুমাৰ দত্তই। উল্লেখযোগ্য যে দত্ত ভাৰতীয় জনতা পাৰ্টিৰ এগৰাকী জ্যেষ্ঠ নেতা হোৱাৰ লগতে গোলাঘাট জিলা বিজেপিৰ প্ৰাক্তন সভাপতি তথা ৰাজ্যিক বিজেপিৰ বহু গুৰু দায়িত্ব বহন কৰি আহিছে। সেই সুবাদততে দত্তক ভাৰতীয় জনতা পাৰ্টিৰ শীৰ্ষ নেতৃত্বই প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ পিছতে সমগ্ৰ সমষ্টিতে দলীয় কৰ্মীসকলৰ মাজত দেখা গৈছে ব্যাপক উল্লাস। মন কৰিবলগীয়া যে মৃদুল দত্তৰ উপৰি সমষ্টিটো কেইবাজনো নেতাই দলীয় টিকট বিচাৰি কেইবা বছৰ ধৰি সমষ্টিবাসীৰ মাজত সোমাই ৰাজহুৱা কাম-বন কৰি আহিছিল আনহাতে অগপ দলে দেৰগাঁও সমষ্টি এইবাৰো লাভ কৰিব বুলি চৰ্চা চলাই থকা দলটোৰ নেতা-পালিনেতাসকলে নীৰৱে, আক্ষেপেৰে সমগ্ৰ দৃশ্য চাই শীৰ্ষ নেতৃত্বৰ প্ৰতি ক্ষোভ উজাৰিছে। উল্লেখযোগ্য যে দেৰগাঁও বিধানসভা সমষ্টিত অগপ দলৰ বিধায়ক ভৱেন্দ্ৰ নাথ ভঁৰালী বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। এফালে, অমায়িক, ভদ্ৰ, সমষ্টিবাসীৰ মাজত খুব জনপ্ৰিয় বিধায়কজন হেৰুৱাব লগীয়া হোৱাৰ দুখ, আনফালে শিক্ষাবিদ, ভদ্ৰ, বিশিষ্ট ব্যক্তিজনে প্ৰাৰ্থিত্ব লাভ কৰাৰ বাতৰিয়ে মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে সমগ্ৰ দেৰগাঁৱত। উল্লেখযোগ্য যে দলীয় প্ৰাৰ্থিত্ব লাভ কৰা ড° মৃদুল কুমাৰ দত্ত হ'ল খুমটাই আৰু দেৰগাঁৱত দলৰ ভেটি গঢ়া এজন নিষ্ঠাৱান বিজেপি কৰ্মী।

## পথালিপাহাৰত আজিৰে পৰা ৫ দিনীয়া কাৰ্যসূচীৰে ভাওনা সমাৰোহ

**অসম বাৰ্তা, বান্দৰদেৱা, ২০ মাৰ্চ ঃ** ভাওনা শিল্পী সমাজ, লখিমপুৰ জিলা সমিতিৰ উদ্যোগত বিগত বছৰ দৰে এইবাৰো পঞ্চম বাৰ্ষিক জিলা ভাওনা সমাৰোহ ভাগি লখিমপুৰ জিলাৰ অসম অৰুণাচল সীমান্তৱৰ্তী পথালিপাহাৰবাসী ৰাইজৰ সহযোগত আজি ২০ মাৰ্চৰ পৰা ২৪ মাৰ্চ (২০২৬)লৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে পথালিপাহাৰ বৰ নামঘৰৰ প্ৰাংগণৰ মাধৱদেৱ ৰংগক্ষেত্ৰত উদযাপিত হৈছে। আজি পুৱা ভাগত জিলাখনৰ ৩১টা নাট্য দলৰ পতাকা উত্তোলন কৰাৰ লগতে উদযাপন সমিতি আৰু জিলা সমিতিৰ মুল পতাকা উত্তোলন কৰে ক্ৰমে বিশ্বেশ্বৰ দত্ত আৰু উপেন চন্দ্ৰ বৰুৱাই। স্মৃতি তৰ্পণ কৰে সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক সীমান্ত নেওগে। ইয়াৰ পাছতে গুৰু আসন প্ৰতিষ্ঠা কৰে শিয়ালমৰা সত্ৰৰ সত্ৰাধিকাৰ অৰুণ কুমাৰ গোস্বামীয়ে। নাম- প্ৰসংগ ভাগৱত পাঠ কৰে ড° উমাৰাম তামোলী আৰু লোহিত বৰাই। বিয়লি ভাগলৈ "ৰংগৰস" শীৰ্ষক স্মৃতিগ্ৰন্থ খনি উন্মোচন কৰে ড° উমাৰাম তামুলীয়ে। তদুপৰি ২০০ গৰাকী শিল্পীৰ দ্বাৰা গায়ন বায়ন পৰিবেশনৰে বাণিজ্য মেলা উন্মোচন কৰে শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই। সন্ধিয়া ভাগলৈ প্ৰতি দিনে দুখনি মাতৃভাষা ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব বুলি উদ্যোক্তা সকলে সংবাদ মাধ্যমক অৱগত কৰে।

## নলবাৰীৰ বৰুৱা ৰোডবাসীয়ে এইবাৰ নকৰে ঈদ উদ্‌যাপন

**অসম বাৰ্তা, নলবাৰী, ২০ মাৰ্চ ঃ** নলবাৰীৰ বৰুৱা ৰোড অঞ্চলৰ বাসিন্দাসকলে এক গভীৰ শোকত এইবাৰ ঈদ উৎসৱ আনুষ্ঠানিকভাৱে উদ্‌যাপন নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমীয়া সংগীত জগতৰ জনপ্ৰিয় শিল্পী তথা হিয়াৰ আমঠু "হাৰ্টথ্ৰ'ব" জুবিন গাৰ্গ কায়িকভাৱে আমাৰ মাজত নোহোৱা হোৱাৰ বেদনাদায়ক খবৰে সমগ্ৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পেলাইছে। এই পৰিপ্ৰেক্ষিতত, বৰুৱা ৰোডবাসীয়ে একমত হৈ সিদ্ধান্ত লয় যে এইবাৰৰ ঈদ উৎসৱ কোনো ধৰণৰ আনুষ্ঠানিকতা, আনন্দ-উল্লাস বা সাংস্কৃতিক কাৰ্যসূচী নোহোৱাকৈ থূলমূল ভাৱে পালন কৰা হ'ব। ইয়াৰ জৰিয়তে শিল্পীগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ স্মৃতিক সন্মান জনোৱা হ'ব বুলি স্থানীয় লোকসকলে উল্লেখ কৰে। স্থানীয় বাসিন্দাই কয় যে, "জুবিন গাৰ্গ কেৱল এজন শিল্পী নহয়, তেওঁ আমাৰ অনুভূতি, আমাৰ গৌৰৱ। তেওঁৰ এই অকাল বিয়োগে আমাৰ হৃদয় ভাঙি পেলাইছে।"

মটৰ বাইক, গাড়ীৰ বিশাল ৰেলীৰে শত-সহস্ৰ সমৰ্থকৰ আদৰণ

## বিজেপিৰ টিকট লৈ গৃহ সমষ্টি গহপুৰত প্ৰৱেশ উৎপল বৰাৰ



**অসম বাৰ্তা, গহপুৰ, ২০ মাৰ্চ ঃ** একেৰাহে দুটা কাৰ্য্যকালৰ বাবে বিধায়ক নিৰ্বাচিত হোৱা গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰাই তৃতীয়বাৰৰ বাবে লাভ কৰে বিজেপিৰ টিকট। আসন্ন বিধান সভা নিৰ্বাচনৰ গহপুৰ বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰক্ষেপিত প্ৰাৰ্থী উৎপল বৰাই দলীয় টিকট লৈ আজি প্ৰৱেশ কৰে গৃহ সমষ্টি গহপুৰত। গুৱাহাটী দলীয় ৰাজ্যিক কাৰ্য্যলয়ৰ পৰা টিকট লৈ আজি গৃহ সমষ্টিত প্ৰৱেশ কৰা গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰা আজি দিনৰ প্ৰায় ১১-৩০ বজাত বুৰৈঘাটত উপস্থিত হোৱাৰ লগে লগে প্ৰথমে তেওঁৰ পত্নী সৰস্বতী বৰাই ফুলাম গামোচাৰে আদৰণি জনায়। ইয়াৰ পিছতে সমবেত হোৱা শত-সহস্ৰ দলীয় নেতা-কৰ্মী আৰু সমৰ্থকে উৎপল বৰাক ফুলাম গামোচা, চেলেং আৰু ফুলৰ মালাৰে আদৰণি জনায়। ইয়াৰ পিছত এখন পুষ্পসজ্জিত খোলা বাহনত উঠি উৎপল বৰাই সমষ্টি অভিমুখে ৰাওনা হয়। সমষ্টিটোৰ বিভিন্ন প্ৰান্তৰ শত-সহস্ৰ দলীয় কৰ্মী সমৰ্থকৰ বিশাল মটৰ বাইক আৰু গাড়ীৰ ৰেলীৰে উৎপল বৰাক সমষ্টিলৈ আদৰি নিয়া পৰিলক্ষিত হয়। দলীয় কৰ্মী-সমৰ্থকৰ পাৰভঙা উছাহ আৰু হৰ্ষোল্লাসৰ মাজত বিধায়ক তথা প্ৰাৰ্থী উৎপল বৰা যথেষ্ট উৎসাহিত হৈ পৰা পৰিলক্ষিত হয়। একেৰাহে তৃতীয়বাৰৰ বাবে দলীয় টিকট লাভ কৰিবলৈ সক্ষম হোৱা উৎপল বৰাৰ গৃহ সমষ্টিত প্ৰৱেশ কৰাৰ পিছত উৎপল বৰাক লৈ যাত্ৰা কৰা মটৰ বাইক আৰু গাড়ীৰ ৰেলীটো সমষ্টিটোৰ পূৱ সীমান্ত হাৱাজানত সামৰণি পৰে। যাত্ৰাপথত উৎপল বৰাক আদৰণি জনাবলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ প্ৰতিটো তিনিআলি-চাৰিআলিত দলীয় কৰ্মী সমৰ্থকৰ যথেষ্ট ভিৰ পৰিলক্ষিত হয়। বিধায়ক উৎপল বৰাই নিজৰ প্ৰতিক্ৰিয়াত কয় যে বিজেপি দলে তেওঁক তৃতীয়বাৰৰ বাবে দলীয় টিকট প্ৰদান কৰাত তেওঁ দলীয় নেতৃত্বৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। এইক্ষেত্ৰত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলিপ শইকীয়াৰ প্ৰতি কৃতজ্ঞ হৈ ৰয় উৎপল বৰা। যোৱা দুটা নিৰ্বাচনত গহপুৰৰ ৰাইজে তেওঁৰ প্ৰতি দেখুওৱা আন্তৰিকতা এইবাৰো প্ৰতিফলিত হ'ব বুলি আন্তৰিকতাৰে আশা প্ৰকাশ কৰে উৎপল বৰাই। যোৱা ১০ বছৰীয়া কাৰ্য্যকালত গহপুৰৰ ৰাইজে তেওঁৰ প্ৰতি আগবঢ়োৱা সহায় সহযোগিতা আৰু দিহা পৰামৰ্শৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে উৎপল বৰাই। আজি উৎপল বৰাক বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ দলে উষ্ম আদৰণি জনোৱা পৰিলক্ষিত হয়।

## গোলকগঞ্জৰ ৬ নং বিধানসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী অশ্বনী ৰায় চৰকাৰক উষ্ম আদৰণি

**অসম বাৰ্তা, আগমনি, ২০ মাৰ্চ ঃ** গৌৰীপুৰৰ মাহামায়া খেলপথাৰৰ পৰা আৰম্ভ হোৱা এই বৃহৎ মটৰচাইকেল সমদলটো এক উল্লেখনীয় দৃশ্য ৰূপে পৰিগণিত হয়। হাজাৰ হাজাৰ মটৰচাইকেলৰ শাৰী, দলীয় পতাকা, শ্লোগান আৰু উদ্দীপনাৰে সমদলটো সম্পূৰ্ণ অঞ্চলটোত এক উৎসৱৰ ৰূপ লয়। সমৰ্থকসকলে "জয় শ্ৰীৰাম", "বিজেপি জিন্দাবাদ" আদি শ্লোগান দি পৰিৱেশ মুখৰ কৰি তোলে। এই সমদলৰ জৰিয়তে অশ্বনী ৰায় চৰকাৰক উষ্ম আৰু জাকজমক আদৰণি জনোৱা হয়। চতুৰ্থ বাৰৰ বাবে বিজেপিৰ টিকট লাভ কৰা অশ্বনী ৰায় চৰকাৰৰ বাবে এইটো এক গুৰুত্বপূৰ্ণ মাইলষ্টোন বুলি গণ্য কৰা হৈছে। দলৰ ওপৰত থকা আস্থা আৰু তেওঁৰ জনপ্ৰিয়তাৰ প্ৰতিফলন হিচাপে এই সিদ্ধান্তক বহুতে দেখিছে। স্থানীয় ৰাইজে এই উপলক্ষে আনন্দ প্ৰকাশ কৰাৰ লগতে আগন্তুক নিৰ্বাচনত তেওঁক পুনৰ বিজয়ী কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। আনহাতে, টিকট লাভ কৰাৰ পাছতেই বিজেপি প্ৰাৰ্থী অশ্বনী ৰায় চৰকাৰে সংবাদ মাধ্যমৰ আগত নিজৰ বক্তব্য প্ৰকাশ কৰি কংগ্ৰেছ দলৰ নীতি, কাৰ্যপদ্ধতি আৰু পূৰ্বৰ কাৰ্যকলাপক কঠোৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয় যে, উন্নয়ন, স্থিৰতা আৰু জনকল্যাণমূলক কামক আগবঢ়াই নিয়াৰ বাবে বিজেপি সদায় প্ৰতিশ্ৰুতিবদ্ধ, আৰু আগন্তুক দিনত তেওঁ এই লক্ষ্য পূৰণৰ বাবে নিৰন্তৰ চেষ্টা চলাই যাব। সমগ্ৰ গোলকগঞ্জৰ ৬ নং বিধানসভা সমষ্টিত ৰাজনৈতিক উত্তেজনা আৰু আগ্ৰহ বৃদ্ধি কৰাৰ লগতে আগন্তুক নিৰ্বাচনৰ বাবে এক শক্তিশালী মঞ্চ তৈয়াৰ কৰিছে।

## মৰাণ বিহু সমাৰোহ-২০২৬ৰ উপলক্ষে মৰাণ বিহু আখৰা

**অসম বাৰ্তা, মাকুম, ২০ মাৰ্চ ঃ** ৰাজ্যত নিৰ্বাচনী গৰম বতাহ বলাৰ মাজতে বাপুতি সাহোন ৰঙালী বিহু উদযাপনৰ প্ৰস্তুতি লাহে লাহে তুংগত উঠিছে। নিৰ্বাচনৰ বতৰৰ মাজতে মৰাণ সকলৰ মৰাণ বিহু প্ৰস্তুতি প্ৰায় তুংগত। বৃহত্তৰ মাকুম অঞ্চলত ২০০৬ চনৰ পৰাই অনুষ্ঠিত কৰি অহা উত্তৰ পূৰ্বাঞ্চলৰ আদিম ভূমি পুত্ৰ মৰাণ জনগোষ্ঠীৰ মৰাণ বিহু সমাৰোহ প্ৰতি পাঁচ বছৰৰ ব্যৱধানত অনুষ্ঠিত কৰি অহা হৈছে। মৰাণ জনগোষ্ঠীটোৰ আটাইকেইটা সংগঠন ক্ৰমে সদৌ মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভা মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু সমগ্ৰ মাকুম অঞ্চলটোৰ ৰাইজৰ সহযোগত অহা মে' মাহৰ প্ৰথম সপ্তাহত ৮, ৯ আৰু ১০ মে'ত তিনিদিনীয়া কাৰ্যসূচীৰে পঞ্চম বাৰ্ষিক মৰাণ বিহু সমাৰোহ ২০২৬ ৰ মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত আয়োজন কৰা হ'ব। মৰাণ বিহু সমাৰোহৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলাইছে আয়োজক সমিতিয়ে। সেই উপলক্ষে সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰৰ তত্ত্বাৱধানত সদৌ মৰাণ ছাত্ৰ সন্থা আৰু সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত মৰাণ বিহুৰ আখৰা আয়োজন কৰা হৈছে। ২০ মাৰ্চ অৰ্থাৎ আজিৰেপৰা ৩ এপ্ৰিললৈকে মাকুম ধুলিজান গাঁৱৰ জৰৌচা ভৱনত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে আয়োজন কৰা হৈছে এই আখৰা। প্ৰশিক্ষণৰ আজি প্ৰথম দিনাই ধুলিজান, ডিমৰুহোলা, লাংকাঁচি আদি গাঁৱৰ যথেষ্ট সংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। ক্ৰমান্বয়ে, বাৰেকুৰি, বেতনি, বৰতৰাণী আদি গাঁওসমূহতো প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। মৰাণ বিহুৰ বিহুৱা তথা সদৌ মৰাণ কলা সংস্কৃতি বিকাশ কেন্দ্ৰ মাকুম আঞ্চলিক সমিতিৰ সম্পাদক নিৰ্বাৰণ বড়াই প্ৰশিক্ষণ প্ৰদান কৰা কাৰ্যসূচীত সদৌটি ৰাইজৰ উপস্থিতি আৰু সহযোগিতাৰ কামনা কৰিছে সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ সভাপতি গুণধৰ মৰাণে।

# কামৰূপ জিলাত পৰ্যবেক্ষক নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় নিৰ্বাচন আয়োগে কামৰূপ জিলাৰ ৩০নং হাজো-শুৱালকুছি, ৩১নং ৰঙিয়া আৰু ৩২ নং কমলপুৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে ডঃ এছ. ভাৰথি দাচন যোগাযোগ নম্বৰ-৯১৮১৬-১১৩৬১ সাধাৰণ পৰ্যবেক্ষক হিচাপে নিযুক্তি প্ৰদান কৰিছে। সাধাৰণ ৰাইজ আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ আবেদন বা অভিযোগ গ্ৰহণৰ বাবে তেওঁ প্ৰতিদিনে আবেলি ৪ বজাৰ পৰা আবেলি ৫ বজাৰ ভিতৰত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত থকা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ বিল্ডিংত উপস্থিত থাকিব আৰু ২৭নং ছমৰীয়া, ২৮ নং বকো-ছয়গাঁও আৰু ২৯ নং পলাশবাৰী তিনিটা বিধানসভা সমষ্টিৰ বাবে দেৱেন্দ্ৰ কুমাৰ পাণ্ডে যোগাযোগ নম্বৰ-৬০০৩০-৯৫৪৩৪ সাধাৰণ পৰ্যবেক্ষক হিচাপে নিযুক্তি প্ৰদান কৰিছে। সাধাৰণ ৰাইজ আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ আবেদন বা অভিযোগ গ্ৰহণৰ বাবে তেওঁক প্ৰতিদিনে পুৱা ১০ বজাৰ পৰা পুৱা ১১ বজাৰ ভিতৰত আমিনগাঁৱস্থিত লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন অতিথিশালাত উপস্থিত থাকিব। উক্ত ছয়টা সমষ্টিৰ ৰাইজে কিবা অভিযোগ থাকিলে সাধাৰণ পৰ্যবেক্ষক ডঃ এছ. ভাৰথি দাচন আৰু দেৱেন্দ্ৰ কুমাৰ পাণ্ডে জনাবলৈ আহ্বান জনাইছে। আনহাতে ব্যয় পৰ্যবেক্ষকদ্বয় ক্ৰমে উমেশ কুমাৰ আগৰৱাল আৰু কপিল কুমাৰ সিঙ সংহত জিলা আয়ুক্ত কাৰ্যালয়ত তেওঁলোকৰ সৈতে যোগাযোগ নম্বৰ-৯৯৫৪৯-০২৩৭০ আৰু ৯৯৫৪৯-০২৩৪৪ত সাধাৰণ ৰাইজ আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ আবেদন বা অভিযোগ থাকিলে জনাব পাৰিব বুলি প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিছে।

### অনাকাংক্ষিতভাৱে দলীয় প্ৰাৰ্থীত্ব লাভ কৰি কৃতজ্ঞতা প্ৰকাশ

# চামগুৰিত বিজেপি দলৰ প্ৰাৰ্থী অনিল শইকীয়া

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ মাৰ্চ ঃ** এইবাৰ চামগুৰিত ৰাজ পৰিয়ালৰ পুত্ৰৰ সৈতে সাধাৰণ প্ৰজাঘৰৰ সদস্যৰে হ'ব নিৰ্বাচনী যুঁজখন হ'ব। প্ৰাৰ্থীত্ব লাভ কৰিয়েই প্ৰথম প্ৰতিক্ৰিয়া হিচাপে এই কথা সদৰি কৰে কলিয়াবৰ জিলা বিজেপিৰ প্ৰাক্তন সভাপতি তথা তেজপুৰৰ প্ৰভাৰী অনিল শইকীয়াই। ভাৰতীয় জনতা পাৰ্টিয়ে আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰা চূড়ান্ত প্ৰাৰ্থীৰ তালিকাত অনাকাংক্ষিভাৱে দলীয় প্ৰাৰ্থীত্ব লাভ কৰা ৫৮নং চামগুৰি বিধানসভা সমষ্টিৰ বিজেপি দলৰ মনোনীত প্ৰাৰ্থী অনিল শইকীয়াই ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক নেতৃত্বৰ প্ৰতি তেখেতক আস্থা আৰু বিশ্বাস ৰাখি প্ৰক্ষেপ কৰা বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখ্য যে, বিগত ২০২১ চনত চামগুৰি সমষ্টিৰ পৰা ৰকিবুল হুছেইনৰ লগত প্ৰতিদ্বন্দ্বিতা আগবঢ়াই অনিল শইকীয়া ২৬, ০৯৮টা ভোটত পৰাস্ত হৈছিল। আনহাতে, ২০১৬ চনত জিতু গোস্বামীয়ে চামগুৰি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াওতে অনিল শইকীয়া জিতু গোস্বামীৰ মুখ্য নিৰ্বাচনী এজেণ্ট আছিল আৰু পৰৱৰ্তী সময়ত কলিয়াবৰ জিলা বিজেপিৰ সভাপতি হিচাপে নিৰ্বাচিত হৈছিল। সেই অনুসৰি শইকীয়াই সমষ্টিটোৰ প্ৰতিঘৰ কৰ্মকৰ্তাৰ পৰিয়ালৰ লগত নিজ পৰিয়াল-স্বজনৰ দৰে সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বজাই ৰাখিছিল বুলি কৃতজ্ঞতাৰে প্ৰকাশ কৰে। সমষ্টিটোত শইকীয়াই শিক্ষা ব্যৱস্থা উন্নত কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিব বুলি জানিবলৈ দি কয় যে, সমষ্টিবাসী অধিকাংশ যুৱ-প্ৰজন্মৰে শিক্ষাৰ মান উন্নত নোহোৱাৰ বাবে অতদিনে প্ৰচুৰ সম্ভাৱনাপূৰ্ণ যুৱ-প্ৰজন্মক বিপথে পৰিচালনা কৰি এচামে সুবিধা ভোগ কৰি আহিছে। বিগত উপ-নিৰ্বাচনত কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত চামগুৰি সমষ্টি বিজেপিৰ দখললৈ অহা আৰু পূৰ্বৰ অভিজ্ঞতাৰ আধাৰত এইবাৰ বিপুল ভোটত বিজয় সাব্যস্ত কৰিব বুলি অনিল শইকীয়াই আশা প্ৰকাশ কৰে। এজন সাধাৰণ ঘৰৰ ল'ৰাৰ হাতত ৰাজ পুত্ৰ এইবাৰো বিপুল ভোটত পৰাজয় হ'ব বুলি বিজেপি সমৰ্থক সকলে প্ৰকাশ কৰে। কলিয়াবৰ জিলা বিজেপিৰ প্ৰাক্তন সভাপতি আৰু তেজপুৰৰ বৰ্তমানৰ প্ৰভাৰী অনিল শইকীয়াই চামগুৰি সমষ্টিত পুনৰবাৰ বিজেপি পৰা প্ৰাৰ্থীত্ব লাভ কৰাৰ বাতৰি বিয়পি পৰাত চামগুৰি সমষ্টিৰ বিজেপিৰ কাৰ্যকৰ্তা আৰু সমৰ্থকসকলে শইকীয়াৰ বাসভৱনত উপস্থিত হৈ উষ্ম আদৰণি জনোৱা পৰিলক্ষিত হয়।

# গোলকগঞ্জ বিধানসভাৰ বিজেপি দলৰ টিকট লাভ কৰিলে প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে

**অসম বাৰ্তা, আগমনি, ১৯ মাৰ্চ ঃ** আগন্তুক ২০২৬ ৰ নিৰ্বাচনৰ বিজেপি দলৰ টিকট প্ৰাৰ্থীৰ নাম প্ৰকাশ পোৱাৰ পিছতেই গোলকগঞ্জত এক উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হয়। গোলকগঞ্জত উন্নয়নৰ শ্ল'গান লৈ এইবাৰ নিৰ্বাচনত অৱতীৰ্ন হ'ব প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰে। ৬ নং গোলকগঞ্জ বিধানসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিচাপে অশ্বিনী ৰায় সৰকাৰৰ নাম প্ৰকাশ কৰাৰ লগে লগে গোলকগঞ্জ বিজেপি দলৰ কৰ্মকৰ্তা সকলে আনন্দৰ যোৱাৰ উঠে। বিজেপি দলৰ পৰা টিকট লাভকৰাৰ পিছতেই বিজেপিৰ প্ৰাৰ্থী অশ্বিনী ৰায় সৰকাৰ বৃহস্পতি বাৰে প্ৰথমে ঘৰৰ পৰা গোলকগঞ্জ বাজাৰ স্থিত বিজেপিৰ কাৰ্য্যালয়ত উপস্থিত হয়। সংবাদ মেলত কয় যে গোলকগঞ্জৰ সমস্যাৰে জৰ্জড়িত হৈ থকা সমষ্টিটো পুনৰুদ্ধাৰ কৰি উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ প্ৰস্তুত কৰা হৈছে। আৰু উপস্থিত বিজেপিৰ নেতা কৰ্মীৰ লগতে সৰ্বসাধাৰণ ৰাইজে আনন্দ উল্লাস কৰা পৰিলক্ষিত হয়। সকলোৰে ফাকুৰে ৰংচঙীয়া হৈ পৰে। অশ্বিনী ৰায় সৰকাৰে প্ৰাৰ্থীত্ব লাভত আনন্দিত হৈ প্ৰতিজন কৰ্মকৰ্তা সাধাৰণ ভোটাৰৰ পৰা সহায় সহযোগ কামনা কৰে। অশ্বিনী ৰায় সৰকাৰে মন্তব্য কৰে যে তেওঁৰ কোনো প্ৰতিদন্দী নাই। তেখেত জয়লাভৰ ক্ষেত্ৰত ১০০% নিশ্চিত। উল্লেখ্য যে গোলকগঞ্জৰ ৬ নং বিধানসভাত মুঠ ভোটাৰ প্ৰায় ২ লাখ ৭ হাজাৰ। ইয়াৰে ধৰ্মীয় সংখ্যালঘু ভোটাৰ প্ৰায় ৮৪ হাজাৰ, বঙালী হিন্দু প্ৰায় ৫৪ হাজাৰ কোচ ৰাজবংশী প্ৰায় ৬৪ হাজাৰ। এইবেলি ধৰ্মীয় সংখ্যালঘু ভোটাৰে বিজেপি দলক আকোৱালি লোৱা পৰিলক্ষিত হৈছে। সেই ক্ষেত্ৰত অশ্বিনী ৰায় সৰকাৰে নিৰ্বাচনত জয়লাভ কৰিব বুলি সচেতন মহলে মত প্ৰকাশ কৰিছে।

### সোৱণশিৰি নদীলৈ জল যাত্ৰাত অসংখ্য ভক্তৰ সমাগম

# চাউলধোৱাত মদ্ভাগৱত সপ্তাহ মহাপুৰাণৰ আৰম্ভণি



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৯ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাঘাটৰ দুই নং দক্ষিণ ৰূপহীত ছত্ৰ বাহাদুৰ চেত্ৰীৰ বাসভৱনত আজিৰে পৰা পবিত্ৰ শ্ৰীশ্ৰী মদ্ভাগৱত সপ্তাহ মহাপুৰাণ কাৰ্যসূচী আৰম্ভ হৈছে। অহা ২৬ মাৰ্চলৈ অনুষ্ঠিত হ'বলগীয়া মদ্ভাগৱত সপ্তাহ মহাপুৰাণৰ আজি প্ৰথম দিনা ধৰ্মধ্বজা উত্তোলন কৰে ভাগৱত আচাৰ্য পুৰুষোত্তম উপাধ্যায়ে। অসংখ্য ভক্তই কৰা সমদলৰ জৰিয়তে সোৱণশিৰি নদীলৈ জলযাত্ৰা কৰা অপূৰ্ব দৃশ্যই ৰাইজৰ মন ভক্তিময় কৰি তোলে। সোৱণশিৰি নদীত কৰা 'বৰুণ আহ্বান' শীৰ্ষক মাংগলিক অনুষ্ঠানত ভক্তসকলৰ মাংগলিক ধ্বনিৰে চৌদিশ মুখৰিত কৰি তোলে। অনুষ্ঠানত কথা প্ৰবাচক হিচাপে অংশগ্ৰহণ কৰিছে পুৰুষোত্তম উপাধ্যায়ে আৰু উপবাচক হিচাপে অংশগ্ৰহণ কৰিছে কিশোৰ কুমাৰ গুৱাগায়ে।

# সোণতলীত কংগ্ৰেছৰ মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি

**অসম বাৰ্তা, সোণতলী, ১৯ মাৰ্চ ঃ** কামৰূপ জিলাৰ সোণতলীত কংগ্ৰেছৰ এখন মুখ্য নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। সোণতলীৰ মাহতলী বজাৰত ছমৰীয়া ব্ল'ক কংগ্ৰেছ কমিটীয়ে এই নিৰ্বাচনী কাৰ্যালয়খন মুকলি কৰে। উল্লেখ্য, সমাগত ২৭ নম্বৰ ছমৰীয়া বিধান সভা সমষ্টিৰ কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী ৰেকিবুদ্দিন আহমেদৰ নিৰ্বাচনী প্ৰচাৰ উপলক্ষে এই কাৰ্যালয়খন মুকলি কৰে। প্ৰথমতে দলীয় পতাকা উত্তোলনৰ পাছতে ছমৰীয়া ব্ল'ক কংগ্ৰেছ কমিটীৰ সভাপতি তাইজুদ্দিন আহমেদে ফিতা কাটি কাৰ্যালয়খন মুকলি কৰে। ইয়াৰ পিছতে ছমৰীয়া ব্ল'ক কংগ্ৰেছ কমিটীৰ সভাপতি তাইজুদ্দিন আহমেদৰ পৌৰহিত্বত অনুষ্ঠিত সভাত নিৰ্বাচনী প্ৰচাৰৰ সুবিধাৰ্থে এখন নিৰ্বাচনী সমিতি গঠন কৰে। এই সভাতে বিভিন্ন পঞ্চায়তৰ পৰা ভালে সংখ্যক দলীয় সদস্যক লৈ মুঠ ৫১ জনীয়া এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সভাত দলীয় কৰ্মী আৰু নেতৃবৃন্দই "কংগ্ৰেছ জিন্দাবাদ" আৰু "ৰেকিবুদ্দিন আহমেদ জিন্দাবাদ" - বুলি জয়ধ্বনি দিয়ে। এই উদ্বোধনী অনুষ্ঠানত APCC ৰ বিষয় ববীয়া, জিলা কংগ্ৰেছৰ বিষয় ববীয়া, ব্লক কংগ্ৰেছৰ বিষয়ববীয়া, ব্লক মহিলা কংগ্ৰেছৰ সভানেত্ৰী বিষয়ববীয়া, ব্লক যুৱ কংগ্ৰেছৰ সভাপতি, বিষয় ববীয়া, ব্লক সংখ্যালঘু কোষৰ সভাপতি বিষয় ববীয়া, ব্লক সেৱাদলৰ সভাপতি বিষয় ববীয়া, NSUIৰ বিষয়ববীয়া, মণ্ডল সভাপতি বিষয় ববীয়া সকল, বুট সভাপতি সকল আৰু মহিলা মণ্ডল সভানেত্ৰী বিষয়ববীয়া সকল উপস্থিত থাকে।

# দৰং কংগ্ৰেছৰ উপ-সভাপতি, মহিলা কোষৰ উপ-সভাপতি, দুই সম্পাদকে এৰিলে দল

**অসম বাৰ্তা, মঙলদৈ, ১৯ মাৰ্চ ঃ** দৰং জিলা মহিলা কংগ্ৰেছৰ সভানেত্ৰী মিতালী ডেকা দেৱী, জিলা কংগ্ৰেছৰ জ্যেষ্ঠ উপ-সভাপতি যুগল কুমাৰ শইকীয়া, জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰণৱ বৰুৱা আৰু দৰং কংগ্ৰেছৰ কাৰ্যালয় সম্পাদক পংকজ ডেকাই আজি পদত্যাগ কৰে। ইয়াৰে দুই সম্পাদক ডেকা আৰু বৰুৱাক বাদে বাকী দুই গৰাকী পদত্যাগী বিষয়ববীয়া আছিল মঙলদৈ বিধানসভা সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাশী। পদত্যাগ কৰা সকলোৱে দাবী কৰে যে কংগ্ৰেছ দলে মঙলদৈ সমষ্টিৰ প্ৰাৰ্থী হিচাবে যি গৰাকী মহিলাক প্ৰক্ষেপ কৰিলে তেওঁ মঙলদৈৰ স্থায়ী নিবাসী নহয়। তদুপৰি ৰিজুমণি তালুকদাৰে মুছলিম যুৱকৰে দ্বিতীয় বিবাহৰ পাছত সৃষ্টি হোৱা বিতৰ্কৰ সৃষ্টি হৈছিল। তেনে প্ৰাৰ্থীৰ পক্ষত দলীয় বিষয়বাবত থকাটো সম্ভৱ নহয়। ৰিজুমণি তালুকদাৰৰ কাণ্ডৰ বাবে সনাতনী ৰাইজৰ আস্থা হেৰুৱাই দল কৰাটো সম্ভৱ নহয়। ইতিমধ্যে দলটোৰ দুগৰাকী সাধাৰণ সম্পাদক, প্ৰশাসনিক সম্পাদক, এগৰাকী মণ্ডল সভাপতি, এগৰাকী প্ৰাৰ্থিত্ব প্ৰত্যাশীৰ পাছত আজি পুনৰ চাৰিগৰাকীকৈ বিষয়ববীয়াৰ পদত্যাগ দলটোৰ বাবে আঘাত হিচাবে বিবেচিত হৈছে।

### ২০ মাৰ্চত তিনিচুকীয়াৰ পৰা কুৰুক্ষেত্ৰলৈ ৰে'লেৰে যাত্ৰা কৰিব দলটোৱে

# পুৰুষ ছিনিয়ৰ ৰাষ্ট্ৰীয় হেণ্ডবললৈ অসম দল ঘোষণা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ মাৰ্চ ঃ** ৫৪ সংখ্যক পুৰুষৰ ছিনিয়ৰ ৰাষ্ট্ৰীয় হেণ্ডবল প্ৰতিযোগিতা অহা ২৩ ৰ পৰা ২৭ মাৰ্চলৈ হাৰিয়ানাৰ কুৰুক্ষেত্ৰত অনুষ্ঠিত হ'ব। তাৰ বাবে ৰাষ্ট্ৰীয় সন্থাটোৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত অসম হেণ্ডবল সন্থাৰ সম্পাদক সৌৰভ ভগতে অসম দলটোৰ খেলুৱৈসকলৰ নাম তালিকা আজি প্ৰকাশ কৰিছে। অসম দলটিত আছে ক্ৰমে শংকৰ ডেকা, হীৰকজ্যোতি ভূঞা, কপিল নাৰ্জাৰী, নিত্যান্ত ডেকা, দীপনয়ন শৰ্মা, দেৱাশিষ ডেকা, প্ৰাদ্যূয় গগৈ, বিবেকজ্যোতি মৰান, বিকাশ কুমাৰ ভক্ত, বিদ্যুৎ লিকছন, অনুপ কলিতা, ত্যাগৰাজ শৰ্মা, নিখিল দাস, গীতাৰ্থ প্ৰতীম কাশ্যপ, মানস প্ৰতিম গগৈ, সিদ্ধাৰ্থ বৰা, আকাশদ্বীপ বুঢ়াগোহাঁই আৰু মাশুক আলী ৰাচী। দলটিৰ প্ৰশিক্ষক শুভাশীষ গগৈ আৰু মেনেজাৰ ভাস্কৰ সন্দিকৈ। দলটোৱে অহা ২০ মাৰ্চত নিউ তিনিচুকীয়া জংচনৰ পৰা চণ্ডীগড় এ'প্ৰেছেৰে কুৰুক্ষেত্ৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিব বুলি ৰাজ্যিক সমিতিৰ যুটীয়া সম্পাদক শ্বাহ মিৰুজে জনাইছে।

# বৰপেটাত নিৰ্বাচনী ব্যয় নিৰীক্ষণ ব্যৱস্থাৰ পৰ্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৯ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচন, ২০২৬-ৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ কাৰ্যকলাপ পৰ্যালোচনা তথা অধিক সুশৃংখলিত কৰাৰ উদ্দেশ্যে আজি বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। নিৰ্বাচনী ব্যয় পৰ্যবেক্ষক মেৰেগু সুৰেশৰ অধ্যক্ষতাত এই সভাখন সম্পন্ন হয়। সভাত ব্যয় পৰ্যবেক্ষকগৰাকীয়ে জিলাখনৰ ফ্লাইং স্কুৱাড টিম (FST) আৰু ষ্টেটিক চাৰ্ভিলেন্স টিম (SST)-ৰ প্ৰস্তুতি আৰু কাম-কাজৰ বুজ লয়। নিৰ্বাচনী ব্যয় নিৰীক্ষণৰ ক্ষেত্ৰত নিৰ্ধাৰিত নীতি-নিৰ্দেশনা কঠোৰভাৱে পালন কৰা, তীক্ষ্ণ দৃষ্টি ৰখা আৰু যিকোনো পৰিস্থিতিত ক্ষিপ্ৰ সঁহাৰি জনোৱাৰ ওপৰত তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। উক্ত পৰ্যালোচনা সভাত বৰপেটা, বাঘবৰ, বৰনগৰ, কলগাচিয়া, চেঙা আৰু সৰ্থেবাৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকলৰ লগতে আদৰ্শ আচৰণ বিধি কোষৰ বিষয়াসকল, কৰ অধীক্ষক, আবকাৰী অধীক্ষক আৰু নিৰ্বাচন পৰিচালনাৰ সৈতে জড়িত অন্যান্য সহায়কাৰী বিষয়াসকল উপস্থিত থাকে।

# মঙলদৈ নগৰবাহী কৰিমীয়া ঈদগাহত সমূহীয়া নামাজৰ প্ৰস্তুতি

**অসম বাৰ্তা, মঙ্গলদৈ, ১৯ মাৰ্চ ঃ** মঙলদৈৰ নিকটৱৰ্তী নগৰবাহী কৰিমীয়া ঈদগাহ ময়দানত বিগত বছৰসমূহৰ দৰে এইবেলিও সমাগত ২১ মাৰ্চৰ দিনা ঈদ উল ফিতাৰৰ সমূহীয়া নামাজৰ আয়োজন কৰিছে। প্ৰায় ২০ হেজাৰ লোকে একেলগে আদায় কৰিব ঈদ উল ফিতাৰৰ সমূহীয়া নামাজ। পুৱা ৮-৩০ বজাত আৰম্ভ হ'ব লগা সমূহীয়া নামাজত ইমামতি কৰিব উত্তৰ প্ৰদেশৰ বেৰেলিৰ আজিজুল উলুমৰ অধ্যক্ষ হাফিজ কাৰী মুফতি মুহাম্মদ তাবৰিজ আলমে। সেইদিনা যথা সময়ত সকলো ৰাইজৰ উপস্থিতি কামনা কৰিছে ঈদগাহ কমিটীৰ সভাপতি হাজী ইউনুছ আলী আৰু সম্পাদক নুৰমহম্মদ আলীয়ে।

# দুই গৰু সৰবৰাহ-কাৰীক জে'ললৈ প্ৰেৰণ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১৯ মাৰ্চ ঃ** লখিমপুৰ জিলাৰ বগীনদী থানাৰ অন্তৰ্গত চাউলধোৱা আৰক্ষীয়ে আজি অবৈধভাৱে গৰু সৰবৰাহ কৰা দুই সৰবৰাহকাৰীক আদালতৰ জৰিয়তে জে'ল হাজোতলৈ প্ৰেৰণ কৰে। কালি সন্ধিয়া ৰাষ্ট্ৰীয় ঘাইপথেৰে এ এছ ০৭ বি চি ৮৭৪২ নম্বৰৰ এখন বাহনেৰে পাঁচটাকৈ গৰু সৰবৰাহ কৰিবলৈ চেষ্টা কৰোঁতে কণানদীত আৰক্ষীয়ে গৰু ভৰ্তি বাহনখনৰ সহ দুই সৰবৰাহকাৰীক আটক কৰে। নথি-পত্ৰবিহীনভাৱে কঢ়িয়াই অনা গৰু কেইটা চুৰি কৰি অনা গৰু বুলি সন্দেহ কৰিছে আৰক্ষীয়ে। আজি জে'ললৈ প্ৰেৰণ কৰা সৰবৰাহকাৰী কেইটা হৈছে উত্তৰ লখিমপুৰ সদৰ থানাৰ অন্তৰ্গত ভৰলুৱাৰ আব্দুল চুবনৰ পুত্ৰ জহুৰ আলি (২৭) আৰু একে ঠাইৰে আব্দুল জলিলৰ পুত্ৰ জমিৰ হুছেইন(২৭)।

# কামৰূপ জিলাত আৰক্ষী পৰ্যবেক্ষক নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৯ মাৰ্চ ঃ** অসম বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি সতীশ গজভিয়েক কামৰূপ জিলাৰ আৰক্ষী পৰ্যবেক্ষক হিচাপে নিয়োজিত কৰিছে। কামৰূপ জিলাত মুক্ত, নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচনী প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে জিলাখনৰ ছয়টা বিধানসভা সমষ্টিত নিৰাপত্তা ব্যৱস্থা, আইন-শৃংখলা, আচৰণ বিধি ৰূপায়ণৰ ওপৰত নিৰীক্ষণ কৰিব। ইয়াৰ লগতে তেওঁ সাধাৰণ ৰাইজ আৰু ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিসকলৰ আবেদন বা অভিযোগ গ্ৰহণৰ বাবে প্ৰতিদিনে পুৱা ৯ বজাৰ পৰা পুৱা ১০ বজাৰ ভিতৰত কামৰূপ জিলাৰ আমিনগাঁৱস্থিত লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন অতিথিশালাত উপস্থিত থাকিব। জনসাধাৰণ, ৰাজনৈতিক দল আৰু ৰাজনৈতিক প্ৰতিনিধিৰ সৈতে প্ৰত্যক্ষ যোগাযোগৰ সুবিধাৰ বাবে সতীশ গজভিয়েৰ মোবাইল নম্বৰ ৯১৮১৯৭৭৭৮৩ত নিৰ্বাচনী নিৰাপত্তা আৰু আৰক্ষীৰ আচৰণৰ সৈতে জড়িত অভিযোগ দিব পাৰিব বুলি প্ৰশাসনৰ তৰফৰ পৰা জানিবলৈ দিছে।

# যোৰহাটৰ ষ্টেটিক চাৰ্ভেইলেন্স গোট, ফ্লাইং স্কোৱাড দল আৰু ভিডিঅ' চাৰ্ভেইলেন্স গোটৰ অভিযান অব্যাহত

**অসম বাৰ্তা, যোৰহাট, ১৯ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত আটাইকেইটা বিধানসভা সমষ্টিতে নিৰ্বাচনী আচৰণ বিধি কঠোৰভাৱে প্ৰয়োগ কৰিবলৈ জিলা প্ৰশাসনে ষ্টেটিক চাৰ্ভেইলেন্স গোট (SST), ফ্লাইং স্কোৱাড দল (FST) আৰু ভিডিঅ' চাৰ্ভেইলেন্স গোট (VST) মোতায়েন কৰিছে। এই দলসমূহে জিলাখনত অবৈধ ধনৰ আদান-প্ৰদান, মাদক দ্ৰব্যৰ প্ৰচলন, আৰু অন্যান্য নিৰ্বাচনী অপৰাধ প্ৰতিৰোধ কৰিবলৈ জিলাখনৰ বিভিন্ন স্থানত দ্ৰুতগতিত অভিযান অব্যাহত ৰাখিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচনী আচৰণ বিধি উলংঘা কৰা যিকোনো ব্যক্তি বা গোষ্ঠীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। জনসাধাৰণকো নিৰ্বাচনী আচৰণ বিধি মানি চলিবলৈ আৰু কোনো ধৰণৰ নিৰ্বাচনী অপৰাধৰ সন্মুখীন হ'লে জিলা প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনোৱা হৈছে।

### সম্পন্ন হ'ল প্ৰথম পৰ্যায়ৰ ইভিএমৰ ৰেণ্ড'মাইজেচন

# বিধানসভা নিৰ্বাচনক লৈ তিনিচুকীয়া নিৰ্বাচনী জিলাত তৎপৰতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ মাৰ্চ ঃ** সমাগত অসম বিধানসভা নিৰ্বাচনক লৈ সমগ্ৰ ৰাজ্যৰ লগতে তৎপৰ হৈছে তিনিচুকীয়া নিৰ্বাচনী জিলা। বিধানসভা নিৰ্বাচনৰ লগত সংগতি ৰাখি বুধবাৰে জিলা নিৰ্বাচনী বিষয়া সুমিত ছাত্তাৱান, নিৰ্বাচনী বিষয়া ময়ূৰাক্ষী দত্ত তথা সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত সম্পন্ন হয় প্ৰথম পৰ্যায়ৰ ইভিএম ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়া। এই প্ৰথম পৰ্যায়ৰ ইভিএম ৰেণ্ড'মাইজেচনত ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ ২৬৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৩৩৫টা BU, ৩৩৫টা CU আৰু ৩৬১টা VVPAT ৰেণ্ড'মাইজেচন কৰা হয়। একেদৰে ৮২ নং ডুমডুমা বিধানসভা সমষ্টিৰ ১৮১টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২২৬টা BU, ২২৬টা CU আৰু ২৪৪টা VVPAT, ৮৩নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ ২২২টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৭৭টা BU, ২৭৭টা CU আৰু ২৯৯টা VVPAT, ৮৪ নং ডিগবৈ বিধানসভা সমষ্টিৰ ১৮৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৩৬টা BU, ২৩৬টা CU আৰু ২৫৫টা VVPAT, ৮৫নং মাকুম বিধানসভা সমষ্টিৰ ২০৪টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৫৫টা BU, ২৫৫টা CU আৰু ২৭৫টা VVPAT, ৮৬ নং তিনিচুকীয়া বিধানসভা সমষ্টিৰ ২১৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৭০টা BU, ২৭০টা CU আৰু ২৯১টা VVPAT সফলভাৱে ৰেণ্ড'মাইজেচন কৰা হয়। সেই অনুসৰি তিনিচুকীয়া নিৰ্বাচনী জিলাত মুঠ ১২৮০টা ভোটগ্ৰহণ কেন্দ্ৰত ১৫৯৯টা BU, ১৫৯৯টা CU আৰু ১৭২৫টা VVPAT ৰেণ্ড'মাইজেচন কৰা হয় বুলি তিনিচুকীয়া জিলাৰ জিলা নিৰ্বাচনী প্ৰচাৰ কোষে জানিবলৈ দিছে।

### নলবাৰীত 'সাৰথি IVF' কেন্দ্ৰক ART ক্লিনিক; চাৰ'গেছী আৰু ART বেংকৰ চৰকাৰী স্বীকৃতি

# সন্তানহীন দম্পতীৰ বাবে এটা ভাল লগা খবৰ

**অসম বাৰ্তা, নলবাৰী, ১৯ মাৰ্চ ঃ** নলবাৰী জিলাৰ লগতে সমগ্ৰ নামনি অসমৰ বাবে এক গুৰুত্বপূৰ্ণ সুখবৰ হিচাপে 'সাৰথি IVF' কেন্দ্ৰই অসম চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ পৰা ART (Assisted Reproductive Technology) ক্লিনিক, চাৰ'গেছী কেন্দ্ৰ আৰু ART বেংকৰ চৰকাৰী স্বীকৃতি যোৱা ১১ মাৰ্চ তাৰিখে লাভ কৰিছে। উল্লেখযোগ্য যে, ART ক্লিনিক হৈছে এনে এক আধুনিক চিকিৎসা ব্যৱস্থা, য'ত IVF, IUI আদি উন্নত প্ৰযুক্তিৰ জৰিয়তে সন্তানহীন দম্পতীক সন্তান লাভত সহায় কৰে। ভাৰত চৰকাৰে ২০২১ চনত প্ৰণয়ন কৰা ART Act আৰু Surrogacy Act অনুসৰি এই ধৰণৰ কেন্দ্ৰসমূহে চৰকাৰী অনুমোদন লাভ কৰি আহিছে। 'সাৰথি IVF' কেন্দ্ৰত প্ৰাথমিক পৰীক্ষা-নিৰীক্ষা, বন্ধ্যাত্বৰ কাৰণ নিৰ্ণয়, IUI, IVF, Embryo Transfer আৰু ICSIৰ দৰে আধুনিক চিকিৎসা সেৱা উপলব্ধ। ইয়াৰ উপৰিও, চাৰ'গেছী ব্যৱস্থাৰ সুবিধা আৰু ART বেংকৰ জৰিয়তে শুক্ৰাণু আৰু ডিম্বাণু সংৰক্ষণৰ ব্যৱস্থাও ইয়াত আছে। এই কেন্দ্ৰটো ডাঃ তপন ডেকাৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আৰু উদ্যোগত স্থাপন কৰা হৈছিলে। নলবাৰী মেটাৰ্নিটী হাস্পতালত তেওঁৰ প্ৰায় ৫১ বছৰীয়া সেৱাৰ এক আধুনিক সংযোজন হিচাপে এই IVF কেন্দ্ৰটো গঢ় লৈ উঠিছে। ডাঃ স্বাগতা বৈশ্যৰ নেতৃত্বত এই কেন্দ্ৰটোৱে চিকিৎসা সেৱাৰ ক্ষেত্ৰত নতুন দিশ উন্মোচন কৰিছে। এই কেন্দ্ৰ স্থাপন হোৱাত নলবাৰীৰ লগতে নামনি অসম আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বহু সন্তানহীন দম্পতীৰ বাবে আশাৰ বতৰা আহিছে। লগতে এই প্ৰতিষ্ঠানটোৱে স্থানীয়ভাৱে নিয়োগৰ সুযোগ সৃষ্টি কৰাৰ লগতে অঞ্চলটোৰ স্বাস্থ্য খণ্ডৰ উন্নয়নতো ইতিবাচক প্ৰভাৱ পেলাব বুলি আশা কৰা হৈছে।

### শতাধিকৰ এআইইউডিএফ দলত যোগদান

# ৰূপহীহাটৰ ফাকলিত কংগ্ৰেছত খহনীয়া

**অসম বাৰ্তা, ৰূপহীহাট, ১৯ মাৰ্চ ঃ** ৰূপহীহাটত কংগ্ৰেছত অব্যাহত আছে খহনীয়া। আগন্তুক বিধানসভাৰ নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই ৰূপহীহাটত কংগ্ৰেছৰ খহনীয়া বৃদ্ধি পাইছে। সমষ্টিটোত প্ৰতিদিনে চপৰা-চপৰে খহিছে কংগ্ৰেছৰ ভেঁটি। য়োৱা ১০ বছৰত ৰূপহীহাট সমষ্টিৰ উন্নয়নত নুৰুল হুদা ব্যৰ্থ হোৱাৰ বাবেই দল ত্যাগৰ জোৱাৰ উঠিছে। য়োৱাকালি ৰূপহীহাট সমষ্টিৰ ফাকলি পঞ্চায়তত এআইইউডিএফ দলৰ এক সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে ৰূপহীহাট সমষ্টিৰ এআইইউডিএফ দলৰ প্ৰাৰ্থী আমিনুল ইছলাম। আমিনুল ইছলামে নিজৰ ভাষণত কংগ্ৰেছ দলে পূৰ্বে ভুল সিদ্ধান্তৰ বাবে আজিৰ দিনত সংখ্যালঘু ৰাইজে কুফল ভোগ কৰিব লগা হৈছে বুলি মন্তব্য কৰে। সভাখনত কংগ্ৰেছ দলৰ শতাধিক নেতা-কৰ্মীয়ে কংগ্ৰেছ দল ত্যাগ কৰি এআইইউডিএফ দলত যোগদান কৰে। এআইইউডিএফ দলত যোগদান কৰা সকলক আমিনুল ইছলামে দলীয় গামোচা আৰু টুপিৰে আদৰি লয়। ৰূপহীহাটত এআইইউডিএফ দলৰ উত্থানত শংকিত হৈ পৰিছে কংগ্ৰেছ।

## সম্পাদকীয়

# 'নতুন বিজেপি' বনাম 'পুৰণি বিজেপি'

অসমৰ ৰাজনৈতিক মঞ্চত এই মুহূৰ্তত আটাইতকৈ চৰ্চিত বিষয় হৈ পৰিছে ভাৰতীয় জনতা পাৰ্টিৰ অভ্যন্তৰীণ বিভাজন। ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা প্ৰকাশৰ পিছত এই বিভাজনে এনে ৰূপ লৈছে, যিয়ে দলটোৰ ভিতৰতে 'নতুন বিজেপি' আৰু 'পুৰণি বিজেপি' নামৰ দুটা সুকীয়া চিনাক্তকৰণৰ সৃষ্টি কৰিছে। পুৰণি বিশ্বস্ত কৰ্মীৰ বঞ্চনা আৰু নতুনৰ আধিপত্যৰ এই কাহিনীয়ে সাধাৰণ ৰাইজৰ মনতো বহু প্ৰশ্নৰ জন্ম দিছে।

'পুৰণি বিজেপি' বুলিলে আমি সেই নীৰৱ সাধকসকলক বুজোঁ, যিসকলে অসমত দলটোক শক্তিশালী ভিত্তি প্ৰদান কৰিবলৈ দশকৰ পিছত দশক কটাইছে। ১৯৮০ চনৰ পৰা অটল বিহাৰী বাজপেয়ী আৰং লালকৃষ্ণ আদৱানীৰ আদৰ্শ লৈ চলা এই কৰ্মীসকলৰ বাবে বিজেপি কেৱল ক্ষমতাৰ সোপান নহয়, এক জীৱন-দৰ্শন। তেওঁলোকে জনশূন্য মঞ্চতো দলৰ পতাকা উৰুৱাই ৰাখিছিল, সংগঠন গঢ়িছিল, আৰু ভিত্তি শক্তিশালী কৰিছিল।

'নতুন বিজেপি' মূলতঃ ২০২১ চনৰ পিছত, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ডাঙৰ পৰিসৰত আত্মপ্ৰকাশ কৰা শক্তিগোষ্ঠী। এই শিবিৰটোত সোমোৱা বহু নেতা কংগ্ৰেছ বা আন দলৰ পৰা অহা। এই গোটৰ মূল শক্তি হৈছে নিৰ্বাচনী কৌশল, ক্ষিপ্ৰ সিদ্ধান্ত গ্ৰহণ আৰু ক্ষমতা ধৰি ৰখাৰ দক্ষতা। তেওঁলোকৰ দৃষ্টিভংগীত দলৰ আদৰ্শতকৈ "উইনেবিলিটি" অৰ্থাৎ জয়ী হোৱাৰ ক্ষমতাই গুৰুত্বপূৰ্ণ।

দুয়োটা গোটৰ মাজত থকা এই মতাদৰ্শৰ সংঘাত সম্প্ৰতি মৰিয়ণি, চিচিবৰগাঁও আদি সমষ্টিত প্ৰত্যক্ষ ৰূপ ধাৰণ কৰিছে। কিন্তু আটাইতকৈ চৰ্চিত হৈ পৰিছে পুৰণি বিজেপিৰ স্তম্ভস্বৰূপ নেতা তথা প্ৰাক্তন ৰাজ্যিক সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ টিকট বাতিল। ১৯৯৫ চনৰ পৰা বিজেপিৰ লগত জড়িত, ২০১৪-১৫ চনত সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰা ভট্টাচাৰ্যই যে হিমন্ত বিশ্ব শৰ্মাক বিজেপিলৈ অনাত আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল, সেয়া ৰাজনৈতিক মহলৰ অজান নহয়। ২০১৬ চনত তেওঁ ৯৬, ৬৩৭ ভোটৰ অভিলেখী ব্যৱধানত জয়লাভ কৰিছিল আৰু ২০১৮-২১ চনলৈকে শিক্ষামন্ত্ৰী হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল। তথাপি, নিউ গুৱাহাটী সমষ্টিত তেওঁৰ ঠাইত চামগুৰিৰ বিধায়ক দীপ্‌লু ৰঞ্জন শৰ্মাক প্ৰাৰ্থী ঘোষণা কৰা হৈছে। মন্ত্ৰিত্ব আৰু এতিয়া টিকটৰ পৰা বঞ্চিত হোৱাৰ এই ঘটনাই দলৰ অভ্যন্তৰত 'ত্যাগ-অৰ্হতা' আৰু 'ক্ষমতা-কৌশল'ৰ মাজত থকা চিৰন্তন দ্বন্দ্বক উতঙাই তুলিছে।

এনে পৰিস্থিতিত এজন সাধাৰণ ৰাইজৰ মনত কেইবাটাও প্ৰশ্নই চিন্তাৰ ৰেখাপাত কৰে। প্ৰথমতে, যদি সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ দৰে বিশ্বস্ত নেতাকেই এনেদৰে আঁতৰাই দিয়া হয়, তেন্তে এজন সৰু কৰ্মীৰ অনুগত থাকি লাভ কি? দ্বিতীয়তে, ৰাইজে ভাবে, যেতিয়া দলৰ ভিতৰতে বিশ্বাসী আৰু নতুনৰ মাজত এনে হিংসা-বিদ্বেষ চলি থাকে, তেন্তে এই দলে উন্নয়ন আৰু কল্যাণৰ প্ৰতিশ্ৰুতি কেনেদৰে ৰক্ষা কৰিব? তৃতীয়তে, নতুনকৈ অহা "আমদানি" নেতাসকলৰ প্ৰতি পুৰণি কৰ্মীৰ ক্ষোভে ২০২৬ৰ নিৰ্বাচনত দলৰ ভিতৰুৱা গণ্ডগোলৰ ৰূপ লৈছেনে? এয়া এক চিন্তাৰ বিষয়।

অসমৰ বিজেপি এতিয়া কেৱল এটা দল নহয়, ই এক বৃহৎ সংমিশ্ৰণ, য'ত পুৰণিৰ ত্যাগ আৰু নতুনৰ দ্ৰুততাৰ মাজত সমন্বয় বিচাৰি ফুৰিছে। নেতৃত্বৰ বাবে এইটো এটা পৰীক্ষা যে তেওঁলোকে দুয়োটা গোটৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব পাৰিবনে নাইবা ক্ষমতাৰ অৰিয়াঅৰিয়ে পুৰণি ভেটি শিথিল কৰিব? এই প্ৰশ্নৰ উত্তৰ ৰাইজে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত ভোটৰ যোগেদি দিব। তেতিয়াহে স্পষ্ট হ'ব যে 'নতুন'ৰ জয় নে 'পুৰণি'ৰ ন্যায়। ইতিমধ্যে এটা কথা নিশ্চিত, দলৰ অভ্যন্তৰীণ এই বিভাজনে অসমৰ ৰাজনীতিক নতুন মাত্ৰা প্ৰদান কৰিছে।



গোলকীয় জলবায়ুৰ সৈতে অসমৰ বনাঞ্চলসমূহৰ এক অবিচ্ছেদ্য সম্পৰ্ক আছে। অসমৰ বনাঞ্চলসমূহ কেৱল এখন ৰাজ্যৰ সম্পদ নহয়, ই সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ জলবায়ুৰ প্ৰধান নিয়ন্ত্ৰক। বিশেষকৈ অসমৰ ক্ৰান্তীয় চিৰসেউজ আৰু অৰ্ধ-চিৰসেউজ অৰণ্যসমূহ, যিবোৰক 'পূবৰ আমাজন' বুলিও অভিহিত কৰা হয়, সেইবোৰে কাৰ্বন শোষণৰ বিশাল ভঁৰাল হিচাপে কাম কৰে। এই ঘন বৰ্ষাৰণ্যসমূহে বায়ুমণ্ডলৰ পৰা বৃহৎ পৰিমাণৰ কাৰ্বন ডাই-অক্সাইড শোষণ কৰি অক্সিজেন এৰি দিয়ে। গৱেষণা অনুসৰি এনে বৰ্ষাৰণ্যই বিশ্বৰ অন্য সাধাৰণ অৰণ্যতকৈ অধিক কাৰ্বন ধৰি ৰখাৰ ক্ষমতা ৰাখে। ইয়াৰ উপৰি এই অৰণ্যসমূহে বাষ্পীভৱনৰ জৰিয়তে বায়ুমণ্ডলত আৰ্দ্ৰতা বৰ্তাই ৰাখি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জলচক্ৰ নিয়ন্ত্ৰণ কৰে।

### ◀ আন্তৰ্জাতিক বন দিৱসৰ চিন্তা ▶

# অৰণ্য অবিহনে অস্তিত্বহীন মানৱজাতি

একবিংশ শতিকাৰ প্ৰেক্ষাপটত মানৱ সভ্যতা আটাইতকৈ ভয়াৱহ প্ৰত্যাহ্বান তথা জলবায়ু পৰিৱৰ্তনৰ মুখামুখি হৈছে। বিশ্বজুৰি উষ্ণতা বৃদ্ধি, অনিয়মীয়া বৰষুণ, বানপানী, খৰাং আৰু বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ ঘটনা দিনক দিনে বৃদ্ধি পাইছে। এই পৰিস্থিতিয়ে মানুহৰ জীৱন-জীৱিকা, কৃষি, পৰিৱেশ আৰু জীৱবৈচিত্ৰ্যৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে। এই সংকটৰ পৰা পৰিত্ৰাণ পোৱাৰ ক্ষেত্ৰত আটাইতকৈ শক্তিশালী আৰু প্ৰাকৃতিক আহিলাটো হৈছে অৰণ্য। অৰণ্যই বায়ুমণ্ডলৰ কাৰ্বন ডাই-অ'ইড শোষণ কৰি পৰিৱেশৰ সুষমা বজাই ৰাখে আৰু পৃথিৱীৰ উষ্ণতা নিয়ন্ত্ৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। তদুপৰি অৰণ্যই বহু প্ৰকাৰৰ উদ্ভিদ আৰু প্ৰাণীৰ আশ্ৰয়স্থল হিচাপে কাম কৰে আৰু মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয় বহু সম্পদো যোগান ধৰে। কিন্তু দুৰ্ভাগ্যজনক ভাৱে মানৱীয় কাৰ্যকলাপ, যেনে— অবাধে গছ কটা, নগৰায়ণ আৰু ঔদ্যোগিক বিকাশৰ বাবে অৰণ্য ধ্বংস পাইছে। ফলস্বৰূপে পৰিৱেশৰ সুষমা নষ্ট হৈছে আৰু জলবায়ু পৰিৱৰ্তনৰ সমস্যাটো অধিক গুৰুতৰ হৈ উঠিছে। সেয়ে এই সংকটৰ পৰা ৰক্ষা পাবলৈ অৰণ্য সংৰক্ষণ কৰা আৰু অধিক পৰিমাণে গছ ৰোপণ কৰা অতি প্ৰয়োজনীয়। অৰণ্যক সংৰক্ষণ কৰিলে কেৱল পৰিৱেশেই সুৰক্ষিত নহয়, মানৱ সভ্যতাৰ ভৱিষ্যতো অধিক সুৰক্ষিত আৰু সুস্থিৰ হ'ব।

এই সকলো দিশলৈ লক্ষ্য ৰাখি প্ৰতি বছৰে ২১ মাৰ্চ তাৰিখে আন্তৰ্জাতিক বন দিৱস উদযাপন কৰা হয়। এই দিৱসৰ গুৰুত্ব অপৰিসীম। বিশ্বজুৰি পালন কৰা এই দিৱসটোৱে আমাক সোঁৱৰাই দিয়ে যে অৰণ্য অবিহনে পৃথিৱীৰ কোনো ভৱিষ্যত নাই। আচলতে আন্তৰ্জাতিক বন দিৱস কেৱল এটা আনুষ্ঠানিকতা নহয়, ই হ'ল পৃথিৱীক সেউজীয়া কৰি ৰখাৰ এক গোলকীয় সংকল্প।

আন্তৰ্জাতিক বন দিৱসৰ যাত্ৰা আৰম্ভ হয় ১৯৭১ চনত ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা (FAO)ৰ ১৬ সংখ্যক অধিৱেশনৰ সিদ্ধান্ত মৰ্মে। এই সিদ্ধান্ত লোৱাৰ মূল উদ্দেশ্য আছিল- বিশ্বজুৰি বন আৰু অৰণ্য সংৰক্ষণৰ গুৰুত্ব উপলব্ধি কৰোৱা, মানুহৰ মাজত সজাগতা বৃদ্ধি কৰা আৰু বৰ্তমান তথা ভৱিষ্যৎ প্ৰজন্মৰ বাবে বনাঞ্চল সুৰক্ষিত কৰি ৰখা। সেই সময়ত বিশ্বৰ বহু ঠাইত বনাঞ্চল ধ্বংস আৰু বনভূমি কমি যোৱাৰ ঘটনা বৃদ্ধি পাইছিল, যাৰ ফলত পৰিৱেশ আৰু জীৱবৈচিত্ৰ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰিছিল। এনে পৰিস্থিতিত বন সংৰক্ষণৰ প্ৰয়োজনীয়তা অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। পৰৱৰ্তী সময়ত ২০১২ চনৰ ২১ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই (United Nations General Assembly) এক প্ৰস্তাৱ গ্ৰহণ কৰি প্ৰতি বছৰৰ ২১ মাৰ্চ দিনটোক আনুষ্ঠানিকভাৱে 'আন্তৰ্জাতিক বন দিৱস' (International Day of Forests) হিচাপে ঘোষণা কৰে।

প্ৰতি বছৰে এই দিৱসটো এটা বিশেষ বিষয়বস্তু বা 'থীম'ৰ আধাৰত পালন কৰা হয়। ২০২৬ চনত আন্তৰ্জাতিক বন দিৱসৰ মূল বিষয়বস্তু হিচাপে "বন আৰু অৰ্থনীতি" (Forests and Economies) নিৰ্ধাৰণ কৰা হৈছে। যিয়ে বিশ্বৰ অৰ্থনৈতিক প্ৰগতিত বনাঞ্চলৰ অপৰিহাৰ্য ভূমিকাক প্ৰতিফলিত কৰিছে। বনাঞ্চলসমূহে

**নলিনী ৰঞ্জন ভূঞা**

অৰ্থনৈতিক দিশত প্ৰভুত পৰিমাণে অৱদান আগবঢ়াই অহাৰ লগতে প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰি আমাৰ খাদ্য ব্যৱস্থাকো অধিক শক্তিশালী আৰু সুৰক্ষিত কৰি আহিছে। বিশেষকৈ গ্ৰামাঞ্চল আৰু বন-নিৰ্ভৰশীল সম্প্ৰদায়সমূহৰ বাবে অৰণ্য হৈছে উপাৰ্জন, পুষ্টিকৰ খাদ্য আৰু শক্তিৰ প্ৰধান উৎস। যিকোনো ধৰণৰ অৰ্থনৈতিক মন্দাৱস্থা বা পৰিৱেশীয় সংকটৰ সময়ত বনাঞ্চলে এই লোকসকলক এক স্থিতিস্থাপকতা আৰু জীয়াই থকাৰ ভৰসা প্ৰদান কৰে। সেয়েহে, এক সুস্থিৰ আৰু সমৃদ্ধিশালী বিশ্ব অৰ্থনীতি গঢ়ি তোলাৰ স্বাৰ্থত বনাঞ্চলৰ সংৰক্ষণ আৰু ইয়াৰ সঠিক ব্যৱস্থাপনা বৰ্তমান সময়ৰ এক অন্যতম আহ্বান।

এই থীমৰ জৰিয়তে বনজ সম্পদৰ এনে এক ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে, যিয়ে পৃথিৱীৰ পৰিৱেশতন্ত্ৰৰ ক্ষতি নকৰাকৈ মানুহৰ প্ৰয়োজনসমূহ পূৰণ কৰিব পাৰে আৰু অনাগত প্ৰজন্মৰ বাবেও সম্পদসমূহ সুৰক্ষিত কৰি ৰাখিব পাৰে। বন আৰু অৰণ্য পৃথিৱীৰ পৰিৱেশ ব্যৱস্থাৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। বনাঞ্চলে বায়ুমণ্ডলত থকা কাৰ্বন ডাই-অ'ইড শোষণ কৰি জলবায়ু নিয়ন্ত্ৰণত সহায় কৰে। ই মাটি সংৰক্ষণ কৰে, বৃষ্টিপাতৰ পৰিমাণ নিয়ন্ত্ৰণত সহায় কৰে লগতে জীৱ-জন্তু, পখী আৰু উদ্ভিদৰ বাবে বাসস্থান প্ৰদান কৰে। তদুপৰি বহু মানুহে তেওঁলোকৰ জীৱিকা, খাদ্য, ঔষধি উদ্ভিদ আৰু বিভিন্ন কেঁচামালৰ বাবে বনসম্পদৰ ওপৰত নিৰ্ভৰ কৰে।

গোলকীয় জলবায়ুৰ সৈতে অসমৰ বনাঞ্চলসমূহৰ এক অবিচ্ছেদ্য সম্পৰ্ক আছে। অসমৰ বনাঞ্চলসমূহ কেৱল এখন ৰাজ্যৰ সম্পদ নহয়, ই সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ জলবায়ুৰ প্ৰধান নিয়ন্ত্ৰক। বিশেষকৈ অসমৰ ক্ৰান্তীয় চিৰসেউজ আৰু অৰ্ধ-চিৰসেউজ অৰণ্যসমূহ, যিবোৰক 'পূবৰ আমাজন' বুলিও অভিহিত কৰা হয়, সেইবোৰে কাৰ্বন শোষণৰ বিশাল ভঁৰাল হিচাপে কাম কৰে। এই ঘন বৰ্ষাৰণ্যসমূহে বায়ুমণ্ডলৰ পৰা বৃহৎ পৰিমাণৰ কাৰ্বন ডাই-অ'ইড শোষণ কৰি অ'ক্সিজেন এৰি দিয়ে। গৱেষণা অনুসৰি এনে বৰ্ষাৰণ্যই বিশ্বৰ অন্য সাধাৰণ অৰণ্যতকৈ অধিক কাৰ্বন ধৰি ৰখাৰ ক্ষমতা ৰাখে। ইয়াৰ উপৰি এই অৰণ্যসমূহে বাষ্পীভৱনৰ জৰিয়তে বায়ুমণ্ডলত আৰ্দ্ৰতা বৰ্তাই ৰাখি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জলচক্ৰ নিয়ন্ত্ৰণ কৰে। হিমালয়ৰ পাদদেশত অৱস্থিত হোৱা বাবে এই বনাঞ্চলসমূহে মাটিৰ খহনীয়া ৰোধ কৰাৰ লগতে পৰ্বতৰ পৰা বৈ অহা পানীৰ গতিবেগ নিয়ন্ত্ৰণ কৰি গোলকীয় পৰ্যায়ত হোৱা অকাল বান বা মেঘ বিস্ফোৰণৰ দৰে পৰিঘটনাৰ প্ৰভাৱ হ্ৰাস কৰাত এক সুৰক্ষা কৱচ হিচাপে কাম কৰে।

অৰণ্যৰ বহুমুখী গুৰুত্বক পৰিৱেশগত, অৰ্থনৈতিক আৰু সাংস্কৃতিক— এই তিনিওটা দিশৰ পৰাই বিশ্লেষণ কৰিব পাৰি। ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আঁচনিৰ মতে পৃথিৱীৰ আশী শতাংশ স্থলচৰ প্ৰাণী অৰণ্যতে বাস কৰে আৰু ভাৰতৰ মানাহ তথা কাজিৰঙাৰ দৰে বিশ্ব ঐতিহ্য ক্ষেত্ৰই এই জৈৱ-বৈচিত্ৰ্যৰ প্ৰাণকেন্দ্ৰ হিচাপে কাম কৰি আহিছে। অৰ্থনৈতিক দিশৰ পৰাও বিশ্বৰ প্ৰায় ১.৬ বিলিয়ন মানুহ খাদ্য আৰু জীৱিকাৰ বাবে বন সম্পদৰ ওপৰত নিৰ্ভৰশীল। সম্প্ৰতি ভাৰত চৰকাৰে বন সংৰক্ষণৰ বাবে বিভিন্ন আইন আৰু আঁচনি গ্ৰহণ কৰিছে। 'বন সংৰক্ষণ আইন ১৯৮০', 'সেউজ ভাৰত অভিযান' আৰু 'কেম্পা' (CAMPA) পুঁজিৰ সঠিক ব্যৱহাৰে বনভূমি পুনৰুদ্ধাৰত সহায় কৰিছে। ভাৰত চৰকাৰৰ 'প্ৰধানমন্ত্ৰী বন ধন যোজনা'ৰ (Pradhan Mantri Van Dhan Yojana) দৰে আঁচনিয়ে আজি আমাৰ সমাজৰ তৃণমূল পৰ্যায়ৰ লোকসকলক বনজ দ্ৰব্যৰ জৰিয়তে স্বাৱলম্বী কৰি তুলিছে। সাংস্কৃতিকভাৱে ভাৰতীয় সমাজত অৰণ্যক 'আৰণ্যক' বুলি সন্মান জনোৱা হয় আৰু অসমৰ বিভিন্ন পবিত্ৰ বনাঞ্চলসমূহে আমাৰ পূৰ্বপুৰুষৰ গভীৰ পৰিৱেশ চেতনাৰ পৰিচয় বহন কৰে।

ভাৰতৰ বনভূমিৰ সাম্প্ৰতিক স্থিতিৰ ফালে লক্ষ্য কৰিলে দেখা যায় যে শেহতীয়া ইণ্ডিয়া ষ্টেট অৱ ফৰেষ্ট (ISFR) ৰিপৰ্ট ২০২৩ অনুসৰি ভাৰতৰ মুঠ বন আৰু গছৰ আৱৰণ ২৪.৬২ শতাংশলৈ (সংশোধিত তথ্য অনুসৰি) বৃদ্ধি পাইছে। যদিও এই পৰিসংখ্যা আশাব্যঞ্জক, তথাপিও ৰাষ্ট্ৰীয় বন নীতি ১৯৮৮ ৰ লক্ষ্য অনুসৰি দেশৰ মুঠ ভূখণ্ডৰ ৩৩ শতাংশ বনভূমি থকাটো বাধ্যতামূলক। মধ্যপ্ৰদেশ, অৰুণাচল প্ৰদেশ আৰু ছত্তিশগড়ৰ দৰে ৰাজ্যসমূহৰ বন আৱৰণৰ তুলনাত অসমৰ স্থিতি লক্ষণীয় যদিও উত্তৰ-পূবৰ সামগ্ৰিক বন আৱৰণ হ্ৰাস পোৱাটো এক চিন্তনীয় বিষয় হৈ পৰিছে। বৰ্তমান সময়ত বন সংৰক্ষণৰ পথত কেইবাটাও প্ৰত্যাহ্বান বিদ্যমান। সেইয়া হ'ল— ১) নগৰীকৰণ আৰু আন্তঃগাঁথনি নিৰ্মাণৰ হেতু ৰাস্তা-ঘাট, বান্ধ আৰু খনিৰ বাবে বৃহৎ পৰিমাণৰ বনভূমি ধ্বংস কৰা হৈছে। ২) জলবায়ু পৰিৱৰ্তনৰ ফলত বৃদ্ধি পোৱা উষ্ণতাৰ বাবে প্ৰতি বছৰে হাজাৰ হাজাৰ হেক্টৰ বনভূমি বনজুইৰ কবলত পৰি ছাইত পৰিণত হয়। ৩) অবৈধ চিকাৰ আৰু চোৰাং কাঠৰ ব্যৱসায়ীৰ হাতত মূল্যবান গছ আৰু বন্যপ্ৰাণীৰ নিধনে ভাৰসাম্য নষ্ট কৰিছে। এনেবোৰ কাৰ্যকলাপে অৰণ্যৰ প্ৰাকৃতিক জৈৱ-বৈচিত্ৰ্য নষ্ট কৰিছে।

এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ আমাক এক নতুন দৃষ্টিভংগীৰ প্ৰয়োজন। আন্তৰ্জাতিক REDD+ উদ্যোগৰ লগতে স্থানীয় সমাজক বন সুৰক্ষাত অংশীদাৰ কৰাটো অত্যন্ত জৰুৰী। REDD+ (Reducing Emissions from Deforestation and Forest Degradation) হৈছে এটা আন্তৰ্জাতিক উদ্যোগ, যাৰ উদ্দেশ্য বন ৰক্ষা কৰি, বন ধ্বংসৰ বাবে উৎপন্ন কাৰ্বন নিঃসৰণ হ্ৰাস কৰা আৰু স্থানীয় লোকসকলক বন সংৰক্ষণত অংশীদাৰ কৰাৰ মাধ্যমেৰে পৰিৱেশ আৰু জলবায়ু সুৰক্ষিত কৰা। স্থানীয় লোকসকলে বন ধ্বংস ৰোধ, গছপুলি ৰোপণ আৰু বন সম্পদৰ সঠিক ব্যৱহাৰত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিলে সমস্যা বহুগুণে কমিব বুলি ক'ব পাৰি। উদাহৰণ স্বৰূপে— অসমৰ যাদৱ পায়েঙৰ দৰে ব্যক্তিয়ে নিজে বন সংৰক্ষণৰ উদ্যোগ গ্ৰহণ কৰি বনাঞ্চল সুৰক্ষিত কৰি আছে। নাগালেণ্ডৰ কিছু গাঁৱত স্থানীয় ৰাইজে REDD+ আঁচনিৰ সহায়ত বন পুনৰুদ্ধাৰ আৰু বনজ সম্পদ ব্যৱস্থাপনাৰ মাধ্যমেৰে আয়ৰ নতুন উৎস সৃষ্টি কৰিছে। উত্তৰ-পূব ভাৰতৰ কোনো কোনো অঞ্চলত বন সংৰক্ষণৰ ব্যৱস্থা হাতত লৈ স্থানীয় মহিলা সকলে বনজ উদ্ভিদৰ বীজ সংগ্ৰহ আৰু বিক্ৰী কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ পথ গ্ৰহণ কৰিছে।

পৰিশেষত ক'ব পাৰি যে- অৰণ্য কেৱল গছ-গছনিৰ দ্বাৰা সৃষ্ট সম্পদেইনহয়, ই হ'ল আমাৰ অ'ক্সিজেনৰ চিলিণ্ডাৰ আৰু পানীৰ প্ৰাকৃতিক পৰিশোধক। আন্তৰ্জাতিক বন দিৱসত আমাৰ প্ৰতিটো খোজ অৰণ্যৰ সুৰক্ষাৰ বাবে হোৱা উচিত। অসমৰ দৰে জৈৱ-বৈচিত্ৰ্যৰে ভৰপূৰ ঠাইত আমাৰ দায়িত্ব বহুগুণে বেছি। আমি অনুভৱ কৰা উচিত যে প্ৰকৃতিৰ অবিহনে মানুহৰ অস্তিত্ব কোনোদিনেই সম্ভৱ নহয়। গতিকে এখন সেউজীয়া আৰু সুৰক্ষিত পৃথিৱী উত্তৰ প্ৰজন্মক দি যোৱাৰ সংকল্পৰে আমি সকলোৱে অৰণ্যক সুৰক্ষা দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হোৱাটো একান্তই প্ৰয়োজন।

# বিশ্ব কবিতা দিৱস শব্দৰ সৌন্দৰ্যৰে মানৱতাৰ জয়গান

**প্ৰণৱ জ্যোতি বৰদলৈ**

কবিতা হ'ল মানুহৰ মনত সঞ্চিত ভাৱ প্ৰকাশৰ এক অনন্য মাধ্যম। ইয়াৰ দ্বাৰা ভাবৰ বিনিময়, আৱেগৰ প্ৰকাশ আৰু ঐতিহাসিক ঘটনাক প্ৰকাশ কৰা হয়। কবিতাত অতি কম শব্দৰ ভিতৰতে কোনো এক মুহূৰ্ত, বিষয় বা ঘটনা প্ৰকাশ কৰিব পৰাৰ শক্তি আছে। কবিতা হৈছে আৰ্তজনৰ সাহ, প্ৰান্তীয় লোকৰ মুখৰ ভাষা। কবিতা হ'ল এনে এক সৃষ্টিশীল সাহিত্য য'ত জীৱনৰ বৈচিত্ৰ্যময়তা ফুটি উঠে। কবিৰ হৃদয়ৰ ভাবানুভূতিক কল্পনাৰ পৰশত ভাষাৰ লালিত্য আৰু ছন্দোবদ্ধ আকাৰত অভিব্যক্ত কলাত্মক সৃষ্টিয়েই হ'ল কবিতা। আজি বিশ্ব কবিতা দিৱস। কবিতা, কবি আৰু কবিতাৰ কলাক সন্মান জনাবৰ বাবে ২১ মাৰ্চত বিশ্ব কবিতা দিৱস উদ্‌যাপন কৰা হয়। ইউনেস্ক'ই ১৯৯৯ চনত ২১ মাৰ্চ তাৰিখটোক বিশ্ব কবিতা দিৱস হিচাপে স্বীকৃতি প্ৰদান কৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল মানৱীয় সৃজনীশীলতাক সন্মান জনোৱা আৰু বিলুপ্তপ্ৰায় ভাষাসমূহক কবিতাৰ মাধ্যমেৰে জীয়াই ৰখা। তদুপৰি ইউনেস্কোৱে এই দিৱসটো ঘোষণা কৰাৰ আঁৰত আন কেইবাটাও গুৰুত্বপূৰ্ণ কাৰণ আছিল: ১/ বিশেষকৈ যিবোৰ ভাষা বৰ্তমান সংকটত, সেই ভাষাৰ কবিতা চৰ্চাৰ জৰিয়তে যাতে ভাষাটো জীয়াই থাকে। ২/ নতুন প্ৰজন্মক কবিতা লিখা আৰু পঢ়াৰ প্ৰতি যাতে আগ্ৰহী কৰিব পাৰি। ৩/ কবিতাৰ জৰিয়তে ধৰ্ম বা ভূখণ্ড বিহীন এক মানৱীয় একতা গঢ়ি তোলা যি মানুহৰ হৃদয়ক সংযোগ কৰিব পাৰে।

সাহিত্যৰ বিভিন্ন ভাগ সমূহৰ ভিতৰত কবিতাই হৈছে অতি প্ৰাচীন। প্ৰাচীন সময়ৰ পৰা বিশ্বৰ ভিন্ন প্ৰান্তত কবিতাৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। ভাৰতীয় সভ্যতাৰ সৈতে কবিতাৰ সম্পৰ্ক বহু পুৰণি। ঋগ বেদত উল্লিখিত গীত বা কাব্য সাহিত্য সমূহেকেই বিশ্বৰ প্ৰথম কবিতা বুলি গণ্য কৰা হয়। এই ঋগ বেদত ১০২৮টা গীত বা কাব্য সাহিত্য আছে যিসমূহ ১০খন পুথিত বিভক্ত আৰু এই পুথি সমূহক মণ্ডলা বুলি কোৱা হয়। কবিতা কেৱল কেইটামান শব্দৰ সমষ্টি নহয়; ই হ'ল মানুহৰ আৱেগ, অনুভূতিৰ প্ৰকাশ্য ৰূপান্তৰ, যাক আমি সমাজৰ দাপোণ বুলি ক'ব পাৰোঁ। কবিতাই মানুহক প্ৰশান্তি দিয়ে, কবিতাই দুখী জনৰ দুখ দূৰ কৰিব পাৰে। কবিতাৰ জৰিয়তে মানুহে যান্ত্ৰিক পৃথিৱীৰ পৰা আঁতৰি নিজকে আন এক পৃথিৱীত ন ৰূপত আৱিষ্কাৰ কৰিব পাৰে। যদিওবা কবিতা আটাইতকৈ প্ৰাচীন সাহিত্য তথাপি বৰ্তমানৰ প্ৰযুক্তি বিদ্যাৰ যুগতো ই বহুলভাৱে জনপ্ৰিয়। প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰ আৰু সামাজিক মাধ্যমৰ উত্থানে কবিতাক অধিক জনপ্ৰিয় কৰি তুলিছে। আনহাতে কবিতা কেৱল ভাবানুভূতি প্ৰকাশৰ মাধ্যম নহয়, বহু সময়ত কবিতা হৈ পৰে শোষণৰ বিৰুদ্ধে মাত মতা, অন্যায়ৰ বিৰুদ্ধে যুঁজ দিব পৰা, প্ৰতিবাদ কৰিব পৰা এক শক্তিশালী অস্ত্ৰ। যেতিয়া বল প্ৰয়োগেৰে সাধাৰণ নিৰ্বলী মানুহৰ মাত বন্ধ কৰি দিয়া হয়, তেতিয়া কবিৰ কলমেৰে বিপ্‌লৱৰ জন্ম হয়, যি বিপ্লৱে জন্ম দিব পাৰে আন বহুতো ন বিপ্লৱীক।

বৰ্তমান বিশ্বায়নৰ যুগ। কবিতাৰ জৰিয়তে সাম্প্ৰতিক সময়ৰ বিশ্ববাসীয়ে সন্মুখীন হোৱা বিভিন্ন গোলকীয় সমস্যা যেনে- গোলকীয় উষ্ণতা বৃদ্ধি, অত্যধিক প্ৰদূষণ, জল সংকট, যুদ্ধ আদিৰ বিষয়ে সাধাৰণ জনগণক সজাগ কৰাৰ ক্ষেত্ৰত কবিৰ কাপেৰে নিগৰা কবিতাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। গতিকে মানৱ সমাজৰ বাবে কবিতাৰ গুৰুত্ব অপৰিসীম। কবিতাৰ এই গুৰুত্বক আৰু অধিক প্ৰসাৰিত কৰি মানৱ সমাজত বৌদ্ধিক পৰিৱৰ্তন সাধিব পাৰিলে বিশ্ব কবিতা দিৱস উদ্‌যাপনৰ লক্ষ্য আৰু উদ্দেশ্য সফল হ'ব। কবিতাৰ পঠন, লিখন আৰু ইয়াৰ প্ৰসাৰৰ বাবে এই দিৱসৰ মহত্ত্ব অতি বিশেষ। কিয়নো কবিতাত প্ৰকাশিত শব্দৰ সৌন্দৰ্য, প্ৰকাশ্য শক্তি, সংস্কৃতিৰ বৈচিত্ৰ্যৰ শলাগ লোৱাৰ এক বিশেষ দিন এই বিশ্ব কবিতা দিৱস। পৃথিৱীত যেতিয়ালৈ মানুহ থাকিব, আৱেগ জীয়াই থাকিব, তেতিয়ালৈকে কবিতাও জীয়াই থাকিব, জীয়াই থাকিব কবিতাৰ প্ৰাসংগিকতাও।

# যুৱ উচ্ছৃংখলতা ৰোধত আধ্যাত্মিকতাবাদৰ প্ৰভাৱ

**মেঘালী বৰুৱা**

যুৱ প্ৰজন্ম হৈছে বৰ্তমান সমাজৰ গুৰি ধৰোঁতা। এই যুৱ প্ৰজন্মৰ লগত সমাজ এখনৰ ওতপ্ৰোত সম্বন্ধ আছে। কিন্তু আমি প্ৰত্যেকে বিশৃংখলতাৰ ভৰা এখন পংঙ্গু সমাজত বাস কৰিছো। কিয়নো বৰ্তমানৰ জগত খনত আমি দিনে দিনে হত্যা, আত্মহত্যা, ধৰ্ষণ, লুণ্ঠন ইত্যাদি বোৰ অধৰ্মীয় সমাজ বিৰোধী কাম সকলোৱে দেখি আহিছো। সমাজখনত ধৰ্মৰ নামত ক্ৰমান্বয়ে অৱক্ষয় আহি পৰিছে। বিজ্ঞানৰ ধামখুমীয়াত নিজক সম্পূৰ্ণ ৰূপে উটুৱাই দি আজিৰ প্ৰজন্মই পাহৰি পেলাইছে নৈতিকতা, মানৱীয়তা। সুৰাৰ ৰাগী ড্ৰাগছৰ দৰে মাৰাত্মক নিচাযুক্ত দ্ৰব্য সেৱন কৰি বিপথে গৈছে যুৱচাম। সৎ চিন্তাৰ অভাৱত অস্থিৰ হৈ পৰিছে সমাজখন। টি.ভি. মোবাইল, ইণ্টাৰনেটৰ নেতিবাচক দিশ কিছুমানত নিমগ্ন কৰাই অপৰাধমূলক ঘটনা কৰিবলৈয়ো কুণ্ঠাবোধ নকৰা হৈছে। নিজৰ কলা সংস্কৃতিক বিসৰ্জন দি পশ্চিমীয়া সংস্কৃতিক আঁকোৱালি লৈছে কেৱল আজিৰ যুৱ প্ৰজন্মৰ অধিকাংশই। গুৰুজনাৰ সৃষ্টি, অসমৰ বাৰেবৰণীয়া কৃষ্টি সংস্কৃতি সকলোতে কেৱল বিকৃত ৰূপ দি বাৰে বাৰে বিতৰ্কিত হোৱাৰ লগতে অসমৰ সৃষ্টিৰাজিক অপমানিত কৰাও দেখা গৈছে।

এই গোটেই সমাজ ব্যৱস্থাটোক নতুন ৰূপত গঢ় দিবলৈ হ'লে আমাৰ শিক্ষা ব্যৱস্থাৰ কিছু পৰিৱৰ্তন হ'ব লাগিব। প্ৰত্যেকৰে মনত মানৱীয় প্ৰমূল্যবোধ জাগ্ৰত হ'ব লাগিব। নৈতিকতা আৰু আধ্যাত্মিক চিন্তা অবিহনে সঁচা অৰ্থত প্ৰগতিশীল সমাজ এখন আশা কৰিব নোৱাৰি। কিশোৰ-কিশোৰী, যুৱক- যুৱতী সকলক সৎ চিন্তা, আধ্যাত্মিক আদৰ্শেৰে শিক্ষা দিব পাৰিলে তেওঁলোকৰ দ্বাৰা সৃষ্ট সমাজখন যে নিকা হ'ব সেয়া নিশ্চিত। এইক্ষেত্ৰত অভিভাৱক সকলৰ দায়িত্বই অধিক। পিতৃ-মাতৃৰ লগতে শিক্ষক তথা সমাজৰ জ্যেষ্ঠ জনো সচেতন হ'ব লাগিব। সৎ গুণেৰে নৱপ্ৰজন্মক গঢ়ি তুলিব লাগিব। সমাজ বিৰোধী কামত আগনাবাঢ়ি নিজৰ নিজৰ সন্তানক উচ্চ শিক্ষিত কৰি মূল্যবোধৰ শিক্ষাও দিব লাগিব। আজিৰ প্ৰজন্মই উচ্চ শিক্ষিত হৈ কেৱল চাকৰিমুখী হৈ ধন ঘটিছে। কিন্তু নৈতিককা পাহৰি সমাজৰ বিপদ মাতিছে। সমাজত সৎ ব্যক্তিৰ অতি প্ৰয়োজন। যদি প্ৰত্যেকজন ব্যক্তিয়ে সৎ আৰু চিন্তাশীল হয় তেতিয়া হ'লে এখন সৰ্বাংগসুন্দৰ সমাজ নিজে নিজেই গঢ়ি উঠিব। জন্মতে কোনো উচ্ছৃংখল হৈ অপৰাধ মূলক কাম কৰিবলৈ সাজু হৈ নাহে। লাহে লাহে পৰিৱেশ পৰিস্থিতি, বেয়া সংগই নেতিবাচক দিশলৈ টানি নিয়ে। এই ধ্বংসমুখী পথলৈ আগবাঢ়ি নোযোৱাকৈ ৰাখিবলৈ হ'লে জন্মৰ পৰাই শিশু সকলক আধ্যাত্মিক শিক্ষাৰে শিক্ষিত কৰিব লাগিব।



তেতিয়া উঠি অহা প্ৰজন্ম কেতিয়াও উচ্ছৃংখল হ'ব নোৱাৰে। পাশ্চাত্যৰ সংগীতক প্ৰাধান্য দিয়াতকৈ গুৰুজনাৰ অমৰ সৃষ্টি বৰগীত, ভটিমা, কীৰ্তন, নামঘোষাৰ পদ সমূহ আওৰাবলৈ শিকাব লাগে। পুৱা গধূলি ঈশ্বৰৰ নাম লবলৈ দিব লাগে। এই ধৰ্মীয় শিক্ষাই মন পবিত্ৰ কৰিব আৰু ইয়ে শিশু সকলক ক্ৰমান্বয়ে অনুপ্ৰাণিত কৰিব। কিয়নো ভাল মানুহ হিচাপে গঢ় দিবলৈ হ'লে জন্মৰ পৰাই তাক হৃদয়ৰ পৰা হিংসা ঈৰ্ষা ভাব আঁতৰাই নিকা আৰু পবিত্ৰ কৰি ৰাখিব লাগিব। নৈতিক চৰিত্ৰ অবিহনে কোনো ব্যক্তি প্ৰকৃত সমাজকৰ্মী হ'ব নোৱাৰে। কেৱল যে বেদ উপনিষদ, কীৰ্তন, নামঘোষাৰ পাঠ পঢ়িহে আধ্যাত্মিক জ্ঞান লভিব পাৰি সেয়া নহয়। ইয়াৰ বাবে সমাজৰ জ্যেষ্ঠ তথা সচেতন ব্যক্তিয়েও যুৱক যুৱতীক আধ্যাত্মিক শিক্ষাৰ ন্যূনতম জ্ঞানখিনি দিব পাৰে। আগৰ দিনত আমাৰ সমাজ আৰু পৰিয়ালৰ দৈনন্দিন কাৰ্য, আচাৰ, ৰীতি নীতি সকলো ধৰ্মৰ ওপৰত নিৰ্ধাৰণ কৰিছিল। কিন্তু এতিয়া অধৰ্মইহে সমাজত খোপনি পুতিছে। বৰ্তমান সময়ত ধৰ্ম তথা আধ্যাত্মিকতাক বাদ দি পাশ্চাত্যৰ সংস্কৃতিক বেছি প্ৰাধান্য দিয়াত আজি সমাজ ব্যৱস্থাত নানা বেমেজালিয়ে দেখা দিছে। সেয়েহে যুৱ প্ৰজন্মই আধ্যাত্মিকতাবাদক আঁকোৱালি লৈ সুন্দৰ ভাৱে দৈনন্দিন আন কৰ্মৰ মাজতে ঈশ্বৰৰ নাম কীৰ্তন শ্ৰৱণ কৰিলে মনৰ পৰা কলুষ কলিমা আঁতৰি নিজৰ লগতে সমাজ খনো সৰ্বাংগসুন্দৰ হ'ব।

*লেখিকাৰ ঠিকনা ঃ দেওমৰনৈ, দৰং*

### চুৰি মটৰ চাইকেলসহ জাকিৰ হুছেইন গ্ৰেপ্তাৰ; তদন্ত অব্যাহত আৰক্ষীৰ

# ঢেকীয়াজুলি আৰক্ষীৰ বৃহৎ সফলতা; দৰঙত আত্মগোপন কৰা কুখ্যাত মটৰচাইকেল চোৰক আটক

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১৯ মাৰ্চ ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি আৰক্ষীয়ে পুনৰ এবাৰ উল্লেখযোগ্য সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। মটৰচাইকেল চুৰি কৰি দৰং জিলাত আত্মগোপন কৰি থকা এজন কুখ্যাত চোৰক আটক কৰি আৰক্ষীয়ে নিজৰ তৎপৰতা প্ৰদৰ্শন কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ পৰা এটি মটৰচাইকেল চুৰি কৰি জাকিৰ হুছেইন নামৰ এজন চোৰে দৰং জিলাৰ ধূলা আৰক্ষী থানা এলেকাত আত্মগোপন কৰি আছিল। ঘটনা সন্দৰ্ভত অভিযোগ পোৱাৰ পিছতেই ঢেকীয়াজুলি আৰক্ষীয়ে তৎপৰতাৰে অনুসন্ধান আৰম্ভ কৰে। ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দীপক দাসৰ সবল নেতৃত্বত এটা বিশেষ আৰক্ষী দলে দৰং জিলালৈ অভিযান চলায়। সুস্থিৰ পৰিকল্পনা আৰু তথ্যৰ আধাৰত অভিযান চলাই আৰক্ষীয়ে অৱশেষত ধূলা আৰক্ষী থানা এলেকাৰ পৰা চুৰি হোৱা মটৰচাইকেলসহ ৩৬ বছৰীয়া জাকিৰ হুছেইনক আটক কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ধৃত জাকিৰ হুছেইন পূৰ্বৰে পৰা বিভিন্ন চুৰি ঘটনাত জড়িত থকাৰ অভিযোগ আছে বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। বৰ্তমান ধৃত ব্যক্তিজনক ঢেকীয়াজুলি আৰক্ষী থানালৈ অনা হৈছে আৰু ঘটনা সন্দৰ্ভত অধিক তথ্য উদ্ধাৰৰ বাবে আৰক্ষীয়ে তদন্ত তীব্ৰতৰ কৰিছে। এই সন্দৰ্ভত মহিলা আৰক্ষী সহ উপ-পৰিদৰ্শক নয়নমণি বৰুৱাই তদন্ত অব্যাহত ৰাখিছে। এই সফল অভিযানৰ জৰিয়তে এলেকাত চোৰ-ডকাইতৰ বিৰুদ্ধে আৰক্ষীৰ কঠোৰ পদক্ষেপৰ পুনৰ প্ৰমাণ পোৱা গৈছে। স্থানীয় ৰাইজেও আৰক্ষীৰ এই তৎপৰতা আৰু সফলতাক আদৰণি জনাইছে।

# জাঁজীৰ শিক্ষক ৰিণ্টু খাউণ্ডৰ পৰলোক; জাঁজীত শোক

**অসম বাৰ্তা, জাঁজী, ১৯ মাৰ্চ ঃ** শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰি ব্ৰাহ্মণ গাঁও নিবাসী প্ৰয়াত ডিম্বেশ্বৰ খাউণ্ডৰ কনিষ্ঠ পুত্ৰ ৰিণ্টু খাউণ্ডৰ(৫৪) আজি পুৱা প্ৰায় ১০-৪৫ বজাত পৰলোকপ্ৰাপ্তি হয়। তেওঁ আজি পুৱা হঠাতে অসুস্থ অনুভৱ কৰাত ভগামুখ চিকিৎসালয়লৈ নিয়া হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। ইয়াৰ পাছত ভগামুখ আৰক্ষীৰ সহযোগত তেওঁৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। জৰাবাৰী বৰতল মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰা খাউণ্ড বিভিন্ন সামাজিক কামত জড়িত আছিল। আজি সন্ধিয়া খাউণ্ডৰ মৃতদেহ বাসগৃহলৈ অনাৰ লগে লগে এক শোকাকুল পৰিৱেশৰ সৃষ্টি হয় আৰু অনেক গুণমুগ্ধই তেওঁক শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শিশু শিক্ষাৰ প্ৰতিষ্ঠান ইউৰো কিড্‌চ, ব্ৰাহ্মণ গাঁৱৰ বিভিন্ন ধৰ্মানুষ্ঠান, জামুগুৰি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ, ব্যৱসায়ী সংস্থা, জাঁজী প্ৰেছ ক্লাব, শাখা সাহিত্য সভা, শাখা লেখিকা সংস্থা, কবি সন্মিলন, অলংকৃতা মহিলা সমাজ, জাঁজী নাট্য সমাজ কলা ভৱন, জামুগুৰি আধ্যাত্মিক চৰ্চা কেন্দ্ৰ, জাঁজী আঞ্চলিক ছাত্ৰ সন্থা, ফুলপানীছিগা আঞ্চলিক ৰাসোৎসৱ পৰিচালনা সমিতি, উত্তৰ পুৰুষৰ মঞ্চ আদি বিভিন্ন অনুষ্ঠানে খাউণ্ডৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে প্ৰয়াত ৰিণ্টু খাউণ্ড আগন্তুক বিধানসভা নিৰ্বাচনৰ ৰঙানদী সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী জয়ন্ত খাউণ্ডৰ ভাতৃ। ইতিমধ্যে কংগ্ৰেছ নেতাজন পৰিয়ালসহ জাঁজী ব্ৰাহ্মণ গাঁওস্থিত প্ৰয়াত ভাতৃৰ বাসগৃহত উপস্থিত হৈছে। মৃত্যুৰ সময়ত খাউণ্ডে পত্নী, এগৰাকী কন্যা, জ্যেষ্ঠ ভাতৃ, এগৰাকী বিবাহিতা ভগ্নী, ভটিজীকে আদি কৰি বহু আত্মীয়ক এৰি গৈছে।

### শতাধিকৰ কংগ্ৰেছ দলত যোগদান

# চামগুৰিত অগপৰ ভেঁটিত কঁপনি



**অসম বাৰ্তা, ৰূপহীহাট, ১৯ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাল লগে-লগে প্ৰতিটো ৰাজনৈতিক দলে আৰম্ভ কৰিছে ব্যাপক কুচকাৱাজ। চামগুৰি সমষ্টিও ইয়াৰ ব্যতিক্ৰম নহয়। আজি চামগুৰি সমষ্টিৰ শিঙিমাৰীত অনুষ্ঠিত কংগ্ৰেছ দলৰ এক যোগদান সভা। উক্ত যোগদান কাৰ্যসূচীত শতাধিকে অসম গণ পৰিষদ দল ত্যাগ কৰি কংগ্ৰেছৰ নীতি আদৰ্শ প্ৰতি আকৃষ্ট হৈ আজি আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। অসম গণ পৰিষদ দলৰ এজন নিষ্ঠাবান কৰ্মী আফজালুৰ ৰহমানৰ নেতৃত্বতত এই যোগদান কৰে। আফজালুৰ ৰহমানে শতাধিক সমৰ্থকক লগত লৈ আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰে। চামগুৰি সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ উপস্থিতিত এই যোগদান কৰোৱাই। আজি যোগদান কৰা কৰ্মী সকলক দলীয় গামোচাৰে আদৰণি লয় তাঞ্জিল হুছেইনে। সভাত উপস্থিত থাকি তাঞ্জিল হুছেইনে কয় যে ৰাইজৰ এই সঁহাৰিয়ে আগন্তুক নিৰ্বাচনত কংগ্ৰেছ দলৰ জয় নিশ্চিত কৰিব আৰু অঞ্চলটোৰ উন্নয়নৰ ধাৰা অব্যাহত ৰাখিবলৈ দলবদ্ধভাৱে কাম কৰাৰ আহ্বান জনায়। অগপৰ নিষ্ঠাৱান কৰ্মীৰ নেতৃত্বত হোৱা এই বৃহৎ যোগদানে নিৰ্বাচনৰ পূৰ্বে বিজেপি মিত্ৰজোঁটৰ শিবিৰত এক জোকাৰণিৰ সৃষ্টি কৰিব বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে।

### জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি জ্বলি উঠিল সহস্ৰ শিখা

# চৰকাৰৰ প্ৰতাৰণাৰ বিৰুদ্ধে নলবাৰীত হুংকাৰ




**অসম বাৰ্তা, নলবাৰী, ১৯ মাৰ্চ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ছয় মাহ উকলি যোৱাৰ পাছতো চৰকাৰৰ ৰহস্যজনক নীৰৱতা আৰু তদন্তৰ নামত চলোৱা ভেঁকোভাওনাৰ বিৰুদ্ধে আজি নলবাৰীৰ ৰাজপথত শ শ জুবিন অনুৰাগীয়ে শিখা লৈ মৌন সমদল কৰে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ (AJYCP) কেন্দ্ৰীয় সমিতিৰ আহ্বান মৰ্মে নলবাৰী জিলা সমিতিৰ উদ্যোগত উলিওৱা এই বিশাল প্ৰতিবাদী মৌন শিখা সমদলত চৰকাৰৰ দুমুখীয়া স্থিতিক তীব্ৰ ভাষাৰে গৰিহণা দিয়া হয়। এই শক্তিশালী প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকি চৰকাৰক কঠোৰ সকীয়নি প্ৰদান কৰে নলবাৰী জিলা সমিতিৰ সভাপতি আচিক আহমেদ, সাধাৰণ সম্পাদক প্ৰাঞ্জল কলিতাই। শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি দি ক্ষমতা দখল কৰা চৰকাৰে এতিয়া নিজৰ প্ৰতিশ্ৰুতি পাহৰি যোৱা কাৰ্যই জনসাধাৰণক ক্ষুব্ধ কৰি তুলিছে। প্ৰতিবাদকাৰীসকলে কেৱল জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্তই নহয়, বৰঞ্চ 'জুবিন ক্ষেত্ৰ'ক বিশ্বমানৰ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দাবীত চৰকাৰক চৰম হুংকাৰ প্ৰদান কৰে। চৰকাৰৰ এনে চৰম প্ৰতাৰণাৰ বিৰুদ্ধে এই প্ৰতিবাদ কেৱল আৰম্ভণিহে বুলি উল্লেখ কৰি তেওঁলোকে স্পষ্ট কৰি দিয়ে যে ন্যায় লাভ নকৰালৈকে এই সংগ্ৰাম চলাই নিয়া হ'ব।

### তিনিচুকীয়া জিলাত বৰ্তমান পৰ্যাপ্ত পৰিমাণৰ গেছ চিলিণ্ডাৰ মজুত আছে ঃ জিলা আয়ুক্ত

# ১০৭৭ নম্বৰৰ টʼল ফ্ৰী নম্বৰ মুকলি

**অসম বাৰ্তা, ষ্টাফ ৰিপʼৰ্টাৰ, ডুমডুমা, ১৯ মাৰ্চ ঃ** তিনিচুকীয়া জিলাখনত বৰ্তমান পৰ্যাপ্ত পৰিমাণৰ ৰন্ধন গেছৰ চিলিণ্ডাৰ মজুত আছে আৰু নিয়ম অনুসাৰে গ্ৰাহকৰ বুকিঙৰ বিপৰীতে সংশ্লিষ্ট ৰন্ধন গেছ বিতৰকৰ জৰিয়তে যোগান ধৰি অহা হৈছে। আজি এক প্ৰেছ বিবৃতিযোগে এই কথা জনাইছে জিলা আয়ুক্ত সুমিত সত্তাৱনে। বিবৃতিটোত জিলা আয়ুক্তগৰাকীয়ে গ্ৰাহকসকলক শংকিত হৈ অযথা চিলিণ্ডাৰ বুকিং নকৰিবলৈ আৰু বুকিঙৰ বাবে ডিজিটেল মাধ্যম ব্যৱহাৰ কৰিবলৈ অনুৰোধ জনায়। উক্ত বিবৃতিত সকলো গ্ৰাহকক ৰন্ধন গেছৰ চাহিদা অনুপাতে যোগান ধৰাৰ বাবে জিলা প্ৰশাসনৰ তৰফৰ পৰা অহৰহ চেষ্টা চলাই থকা লগতে ৰাইজৰ ওজৰ-আপত্তি আদি নিষ্পত্তি কৰাৰ বাবে ইতিমধ্যে ১০৭৭ নম্বৰৰ এটি টʼল ফ্ৰী নম্বৰ খোলা হৈছে বুলি উল্লেখ কৰা লগতে উক্ত টʼল ফ্ৰী নম্বৰত কিবা ওজৰ-আপত্তি আদি থাকিলে প্ৰশাসনক জনাবলৈ আহ্বান জনাইছে যাতে প্ৰশাসনে তাৎক্ষণিকভাৱে উক্ত অভিযোগ নিষ্পত্তিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। বিবৃতিটোত আয়ুক্তগৰাকীয়ে ৰাইজক কোনো উৰা বাতৰিৰ প্ৰতি আকৃষ্ট নহʼবৰ বাবেও অনুৰোধ জনায়। এইক্ষেত্ৰত গ্ৰাহকসকলক নগৰীয়া বিতৰকৰ ক্ষেত্ৰত ৰন্ধন গেছ ৰিফিল বুকিঙৰ সময়সীমা ২৫ দিন আৰু গ্ৰাম্য বিতৰকৰ ক্ষেত্ৰত ৪৫ দিন ধাৰ্য্য কৰি গেছ কাৰ্ডৰ বিপৰীতে চিলিণ্ডাৰ পোৱাৰ ব্যৱস্থা গ্ৰহণ কৰা লগতে অপ্ৰয়োজনীয়ভাৱে অতিৰিক্ত চিলিণ্ডাৰ সঞ্চয় কৰা, মজুত কৰা বা কৃত্ৰিম সংকট সৃষ্টি কৰাৰ যিকোনো প্ৰচেষ্টা আইন অনুসৰি দণ্ডণীয় অপৰাধ হিচাপে গণ্য কৰা হʼব বুলি উল্লেখ কৰি এনেধৰণৰ অভিযোগ প্ৰমাণিত হʼলে সংশ্লিষ্ট ব্যক্তি বা প্ৰতিষ্ঠানৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হʼব বুলিও স্পষ্ট কৰি দিছে।

### সজাই পৰাই তুলিছে ঈদগাহ মছজিদসমূহ

# তেজপুৰত ঈদ উল ফিতৰৰ প্ৰস্তুতি প্ৰায় সম্পন্ন

**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৯ মাৰ্চ ঃ** ত্যাগ আৰু আত্মশুদ্ধিৰ পৱিত্ৰ ৰমজান মাহত ইছলাম ধৰ্মাৱলম্বী লোক সকলে ৰোজা ৰখাৰ অন্তত অহা ২১ মাৰ্চ ২০২৬ তাৰিখ শনিবাৰে ইছলাম ধৰ্মাৱলম্বী লোক সকলে উদযাপন কৰিব পৱিত্ৰ ঈদ উল ফিতৰ। পৱিত্ৰ ঈদ উল ফিতৰৰ উদযাপন কৰাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পন্ন কৰি তুলিছে। ব্যতিক্ৰম নহয় তেজপুৰ। পৱিত্ৰ ঈদ উল ফিতৰৰ সমূহীয়া নামাজ অনুষ্ঠিত কৰাৰ বাবে তেজপুৰ ঈদগাহৰ লগতে গোটলং ঈদগাহ, দোলাবাৰী জামে মছজিদ, বাটামাৰী ঈদগাহ, উৰিয়ামগুৰি ঈদগাহ, পাঁচমাইল আঞ্চলিক ঈদগাহ, বৰঘাট জামে মছজিদ, শʼলমৰা আঞ্চলিক ঈদগাহ, ভোজখোৱা ঈদগাহ সজাই পৰাই তোলা পৰিলক্ষিত হৈছে। তেজপুৰ ঈদগাহত ৰাতিপুৱা ৯.০০ বজাত পৱিত্ৰ ঈদ উল ফিতৰৰ সমূহীয়া নামাজ অনুষ্ঠিত কৰিব লগতে উক্ত নামাজত তেজপুৰ বড় মছজিদৰ পেছ ইমাম হাফিজ শ্বেইখ ছাদিক আমিৰীয়ে ইমামতি কৰিব বুলি তেজপুৰ ঈদগাহ কমিটিৰ সাধাৰণ সম্পাদক ৰফিক আহমেদে জানিবলৈ দিয়ে। ইফালে তেজপুৰ চহৰৰ নিকটৱৰ্তী গোটলং ঈদগাহত পৱিত্ৰ ঈদ উল ফিতৰৰ সমূহীয়া নামাজ গোটলং জবালে নুৰ মছজিদৰ পেছ ইমাম মুফতি আবুল কালাম ক্বাছিমীৰ ইমামতিত অনুষ্ঠিত হʼব বুলি গোটলং ঈদগাহ কমিটীৰ সভাপতি গুলজাৰ হুছেইন আৰু সাধাৰণ সম্পাদক ৰফিক উদ্দিন আহমেদে জানিবলৈ দিয়ে।

### দলীয় প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত বিধায়ক অজয় কুমাৰ ৰায়ৰ ক্ষোভ প্ৰকাশ

# বিজনীৰ বিজেপি প্ৰাৰ্থী কুমাৰ দেক উষ্ম আদৰণি

**অসমবাৰ্তা, বিজনী, ১৯ মাৰ্চ ঃ** অৱশেষত সকলো জল্পনা কল্পনাৰ অন্ত পেলাই বিজনী বিধানসভা সমষ্টিত এনডিএ তথা বিজেপি দলৰ প্ৰাৰ্থীত্ব লাভ কৰিলে বিটিচিৰ প্ৰাক্তন কাৰ্য্যবাহী সদস্য অৰূপ কুমাৰ দে। এনডিএ তথা বিজেপি দলৰ প্ৰাৰ্থী অৰূপ কুমাৰ দে আজি বিয়লি কোকৰাঝাৰৰ পৰা বিজনী চহৰত প্ৰৱেশ কৰাৰ সময়ত গেৰুকাবাৰী ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা কেইবা শতাধিক দলীয় নেতা-কৰ্মী আৰু সমৰ্থক সকলে এনডিএ তথা বিজেপি দলৰ প্ৰাৰ্থী অৰূপ কুমাৰ দেক বিপুল আঁদৰণি জনায়। ইফালে অৰূপ কুমাৰ দে প্ৰাৰ্থীত্ব লাভ কৰাৰ পিছতে বিজনী বিধানসভা সমষ্টিৰ বিজেপিৰ দলীয় প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হোৱা বিজনীৰ বিজেপি বিধায়ক অজয় কুমাৰ ৰায়ে সংবাদ মাধ্যমৰ আগত অৰূপ কুমাৰ দেক কঠোৰ সমালোচনা কৰি ক্ষোভ প্ৰকাশ কৰে। এই সন্দৰ্ভত অৰূপ কুমাৰ দেৰ চৰিত্ৰক লৈ প্ৰশ্ন উত্থাপনৰ লগতে বিজেপি দলৰ শীৰ্ষ নেতৃত্বৰ সিদ্ধান্তক লৈ প্ৰশ্ন উত্থাপন কৰি বিধায়ক অজয় কুমাৰ ৰায়ে কয় যে বিজেপি দলে এজন দুঃচৰিত্ৰৰ ব্যক্তিক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। অৰূপ কুমাৰ দেৰ বিৰুদ্ধে ইতিমধ্যে ছয়টা কেচ চলি আছে। যোৱা পাঁচ বছৰত মোৰ বিৰুদ্ধে এটাও কেচ হোৱা নাই, সেই কাৰণে হয়তো মই দলীয় প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হʼলোঁ। বিজেপিৰ শীৰ্ষ নেতৃত্বই অৰূপ কুমাৰ দেৰ কি গুণ দেখি প্ৰাৰ্থীত্ব প্ৰদান কৰিছে সেয়া মই নাজানো। মোৰ শুভাকাংক্ষী সকলে মোৰ সৈতে কথা পাতিছে। শুভাকাংক্ষী আৰু ৰাইজৰ সৈতে আলোচনা কৰিহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম নে নকৰিম সেৱা সিদ্ধান্ত লোৱা হʼব। আনহাতে বিজেপিৰ দলীয় প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হোৱাৰ পিছত অজয় কুমাৰ ৰায়ে ইতিমধ্যেই মনোনয়ন পত্ৰ সংগ্ৰহ কৰিছে বুলি জানিব পৰা গৈছে।

### ■ ৮০০ গৰুক লাম্পি ৰোগৰ প্ৰতিষেধক প্ৰদান ■

# মাজুলীত লখিমপুৰ সম্প্ৰসাৰণ শিক্ষা বিভাগ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত পশু চিকিৎসা শিবিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ মাৰ্চ ঃ** মাজুলীৰ দক্ষিণপাট গাঁও পঞ্চায়তৰ অন্তৰ্গত বিভিন্ন গাঁৱত তিনিদিনীয়া কাৰ্যসূচীৰে এক বিনামূলীয়া পশু চিকিৎসা শিবিৰ আৰু কৃষক-পশু চিকিৎসক আন্তঃক্ৰিয়া কাৰ্যসূচী অনুষ্ঠিত হৈছে। লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ (LCVSc) চতুৰ্থ বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলৰ গ্ৰামীণ ক্ষেত্ৰ শিক্ষণ কাৰ্যসূচীৰ অধীনত, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU) আৰু মাজুলী জিলা পশুচিকিৎসা আৰু পশুপালন বিভাগৰ সহযোগত এই শিবিৰৰ আয়োজন কৰা হয়। যোৱা ১৬ মাৰ্চৰ পৰা ১৮ মাৰ্চলৈকে আয়োজিত এই কাৰ্যসূচীত বিশেষকৈ ২নং কড়াল গাঁও, দক্ষিণপাট নাওশালী, কলিতা আৰু কৈৱৰ্ত গাঁৱৰ পশুপালকসকলক সামৰি লোৱা হৈছে। এই শিবিৰত অঞ্চলটোৰ পশুধনৰ স্বাস্থ্য সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৮০০ গৰুক ভয়াবহ লাম্পি ৰোগৰ (LSD - Lumpy Skin Disease) প্ৰতিষেধক প্ৰদান কৰা হয়। ইয়াৰ লগতে স্থানীয় পশুপালকসকলৰ সুবিধাৰ্থে বিনামূলীয়াকৈ পশু চিকিৎসাৰ ঔষধো বিতৰণ কৰা হয়। এই শিবিৰৰ অংশ হিচাপে কৃষক আৰু পশু চিকিৎসকৰ মাজত এক গুৰুত্বপূৰ্ণ মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়, য'ত ৰোগ প্ৰতিকাৰ আৰু জৈৱ-নিৰাপত্তাৰ (bio-security) বিষয়ে সজাগতা সৃষ্টি কৰা হয়। লগতে পশু স্বাস্থ্য আৰু উন্নত ব্যৱস্থাপনাৰ ওপৰত পশুপালকসকলক প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু পশু চিকিৎসা বিভাগৰ এই যৌথ প্ৰচেষ্টাই মাজুলীৰ গ্ৰামাঞ্চলৰ পশুপালকসকলক বিশেষভাৱে উপকৃত কৰিছে।

### প্ৰক্ৰিয়াৰ বুজ লʼলৈ সাধাৰণ পৰ্যবেক্ষকে

# তিনিচুকীয়া নিৰ্বাচনী জিলাৰ ৬টা বিধানসভা সমষ্টিৰ মনোনয়ন দাখিল

### পৰিদৰ্শন কৰিলে ষ্ট্ৰং ৰুম আৰু ভোটগ্ৰহণ কেন্দ্ৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপʼৰ্টাৰ, তিনিচুকীয়া, ১৯ মাৰ্চ ঃ** তিনিচুকীয়া নিৰ্বাচনী জিলাত ইতিমধ্যে উপস্থিত হোৱা দুয়োগৰাকী সাধাৰণ পৰ্যবেক্ষক ক্ৰমে তিনিচুকীয়া, ডুমডুমা আৰু শদিয়া বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক ডাঃ অভিনভ তৃখা আৰু মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক মিতালী নামচুমে আজি তেওঁলোকৰ নিৰ্ধাৰিত বিধানসভা সমষ্টিৰ ৰিটাৰ্ণিং বিষয়াসকলৰ সৈতে মিলিত হৈ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সবিশেষ বুজ লয়। ইয়াৰ পাছতে দুয়োগৰাকী পৰ্যবেক্ষকে জনতা মহাবিদ্যালয় আৰু সৰ্বানন্দ সিংহ SAI ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰুম পৰিদৰ্শন কৰে। আনহাতে তিনিচুকীয়া, ডুমডুমা আৰু শদিয়া বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক ডাঃ অভিনভ তৃখাই তিনিচুকীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি যাৱতীয় সা-সুবিধাৰ বুজ লয়। একেদৰে মাৰ্ঘেৰিটা, ডিগবৈ আৰু মাকুম বিধানসভা সমষ্টিৰ সাধাৰণ পৰ্যবেক্ষক মিতালী নামচুমেও মাকুম আৰু ডিগবৈ বিধানসভা সমষ্টিৰ কেইবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি ভোটগ্ৰহণৰ যাৱতীয় সা-সুবিধাৰ বুজ লয় বুলি তিনিচুকীয়া জিলাৰ জিলা নিৰ্বাচনী প্ৰচাৰ কোষে এক প্ৰেছ বিজ্ঞপ্তি যোগে জানিবলৈ দিছে।

### যিয়েই নাহক কিয় আমি জয়ী হʼম ঃ প্ৰদীপ হাজৰিকা

# শিৱসাগৰত মনোনয়ন দাখিলত শক্তি প্ৰদৰ্শন প্ৰদীপ আৰু অখিলৰ

**অসম বাৰ্তা, চেলেংহাট, ২০ মাৰ্চ ঃ** শিৱসাগৰ বিধান সভা সমষ্টিৰ বাবে আজি দুই হেভিৱেইট প্ৰাৰ্থী প্ৰদীপ হাজৰিকা আৰু ৰাইজৰ দলৰ অখিল গগৈয়ে মনোনয়ন দাখিল কৰে। দুয়োজন প্ৰাৰ্থীয়ে ঢোলে-দগৰে সহস্ৰাধিক সমৰ্থক সহ মনোনয়ন দাখিল কৰে। অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাক সংগ দিয়ে বঙাইগাঁৱৰ সাংসদ তথা জ্যেষ্ঠ অগপ নেতা ফণীভূষণ চৌধুৰীয়ে। মনোনয়ন দাখিল কৰাৰ আগতে বিধায়ক হাজৰিকাই শিৱসাগৰৰ শিৱদৌলৰ সন্মুখত সেৱা লয়। সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত হাজৰিকাই অত্যন্ত আত্মবিশ্বাসেৰে বিজয়ী হʼম বুলি ঘোষণা কৰে। আনহাতে কংগ্ৰেছ মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈয়েও হেজাৰ হেজাৰ সমৰ্থক লৈ অতি আনন্দমনেৰে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈৰ উপস্থিতত মনোনয়ন দাখিল কৰে। অখিল গগৈৰ সমৰ্থক সকলৰ উল্লাস লক্ষণীয় আছিল। অখিল গগৈয়ে ঐতিহাসিক শিৱদৌলত পূজাৰীৰ সন্মুখত শিৱলিঙ্গত পূজা অৰ্চনা কৰি মনোনয়ন দাখিলৰ বাবে যাত্ৰা কৰে। নাজিৰা বিধান সভা সমষ্টিতো আজি বিজেপি দলৰ প্ৰাৰ্থী ময়ূৰ বৰগোহাঁই আৰু কংগ্ৰেছৰ দেৱব্ৰত শইকীয়াইও মনোনয়ন দাখিল কৰে।

# যোৰহাট নিৰ্বাচনী জিলাৰ মাস্কট 'যোলৌ' উন্মোচন জিলা আয়ুক্তৰ




**অসম বাৰ্তা, নকছাৰি, ২০ মাৰ্চ ঃ** ভোটাৰৰ সজাগতা বৃদ্ধি আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত সক্ৰিয় অংশগ্ৰহণৰ প্ৰসাৰৰ বাবে ভাৰতৰ নিৰ্বাচন আয়োগৰ এক বৃহৎ পদক্ষেপ হৈছে SVEEP(Systematic Voters' Education and Electoral Participation). SVEEP ৰ লক্ষ্য হৈছে ভোটাৰসকলক ভোটদানৰ গুৰুত্ব, নিৰ্বাচনী পদ্ধতি, আৰু গণতন্ত্ৰ শক্তিশালী কৰাত তেওঁলোকৰ ভূমিকা সম্পৰ্কে জ্ঞান দিয়া। আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি ২০ মাৰ্চ, ২০২৬ তাৰিখে যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত জিলা নিৰ্বাচনী বিষয়া তথা জিলা আয়ুক্ত জয় শিৱানীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ বাবে মাস্কট "যোলৌ" উন্মোচন কৰে। মাস্কট উন্মোচন কৰি জিলা আয়ুক্তগৰাকীয়ে কয় যে "যোলৌ" হৈছে এক সজাগতা আৰু উৎসাহিত কৰাৰ প্ৰতীক, যাৰ উদ্দেশ্য হৈছে ভোটাৰসকলক শিক্ষিত আৰু সজাগ কৰি নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা। বিশেষকৈ নতুন ভোটাৰসকলক নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰি নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ জিলা আয়ুক্তগৰাকীয়ে আহ্বান জনায়। SVEEP কোষৰ ভাৰপ্ৰাপ্ত আৰু নʼডেল বিষয়া তথা সহকাৰী জিলা আয়ুক্ত সিন্ধু এন ৰাঘৱন (ভা: প্ৰ: সে:) আৰু SVEEP ৰ সহকাৰী ভাৰপ্ৰাপ্ত বিষয়া তথা সহকাৰী আয়ুক্ত দৃষ্টি শিখা ফুকনে ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে শপত বাক্য পাঠ কৰোৱা অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্তসকল, নিৰ্বাচনী বিষয়া, ৰাজহ চক্ৰ বিষয়াসকল, বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল প্ৰমুখ্যে সংশ্লিষ্ট বিষয়-ববীয়াসকল আৰু বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে ২০২৫ বৰ্ষৰ যোৰহাট জিলা দিৱসৰ মাস্কট প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা যোৰহাট টিলিকিআম বেজ গাঁৱৰ নিৱাসী তথা চৰকাৰী কলা আৰু শিল্প মহাবিদ্যালয়, আগৰতলাত অধ্যয়নৰত ছাত্ৰ শ্ৰী প্ৰশান্ত কুৰ্মীয়ে আগন্তুক বিধানসভা নিৰ্বাচন- ২০২৬ ৰ মাস্কট "যোলৌ" তৈয়াৰ কৰি উলিয়ায়।

# কংগ্ৰেছৰ দলীয় টিকট লাভৰ পিছতে বিশাল ৰেলীৰে পাকাবেতবাৰী সমষ্টিত ৰাজকীয় পদাৰ্পণ জাকিৰ হুছেইন শিকদাৰৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ২০ মাৰ্চ ঃ** কংগ্ৰেছৰ দলীয় টিকট লাভৰ পিচতে বিশাল ৰেলীৰে পাকাবেতবাৰী সমষ্টিত ৰাজকীয় পদাৰ্পণ কৰিলে জাকিৰ হুছেইন শিকদাৰে। শুক্ৰবাৰে গুৱাহাটীৰ পৰা কংগ্ৰেছৰ টিকট লৈ পাকাবেতবাৰী সমষ্টিৰ বনবৰীয়া গাঁৱত উপস্থিত হয় জাকিৰ হুছেইন শিকদাৰ। সমষ্টিত পদাৰ্পণ কৰা জাকিৰ হুছেইন শিকদাৰক হাজাৰ হাজাৰ মটৰ চাইকেল, চাৰিচকীয়া বাহনৰ এক বিশাল ৰেলীৰে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীক কয়াকুছি চহৰলৈ আদৰি নিয়ে। ২০১৬ আৰু ২০২১ৰ নিৰ্বাচনত অৱতীৰ্ণ জাকিৰ হুছেইন শিকদাৰ সৰুক্ষেত্ৰী সমষ্টিৰ পৰা দুবাৰকৈ বিধানসভালৈ নিৰ্বাচিত হৈছিল। এইবাৰ তৃতীয়বাৰৰ বাবে নৱগঠিত পাকাবেতবাৰী সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ জাকিৰ হুছেইন শিকদাৰক ৰাইজে বিপুল ভোটৰ ব্যৱধানত জয়ী কৰিব বুলি দাবী কৰে কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে। আজি জাকিৰ হুছেইন শিকদাৰৰ বিশাল ৰেলীৰ ফলত সমগ্ৰ পথচোৱাত ব্যাপক যান-জঁটৰ সৃষ্টি হয়।

# বিধানসভা সমষ্টিৰ বাবে সাক্ষাৎ কৰিবলৈ সাধাৰণ পৰ্যবেক্ষকৰ আহ্বান জনসাধাৰণক

**অসম বাৰ্তা, ষ্টাফ ৰিপʼৰ্টাৰ, টংলা, ২০ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে ওদালগুৰিত উপস্থিত হৈছে ছত্তিশগড়ৰৰ আই এ এছ বিষয়া বিনীত নন্দনৱৰ। ৪৫ নম্বৰ ভেৰগাঁও বিধানসভা সমষ্টি, ৪৬নম্বৰ ওদালগুৰি (এস টি) বিধানসভা সমষ্টি, ৪৭ নম্বৰ মাজবাট বিধানসভা সমষ্টি আৰু ৪৮নম্বৰ টংলা বিধানসভা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক জনে জনসাধাৰণৰ সৈতে সাক্ষাৎ কৰাৰ বাবে ওদালগুৰি চাৰ্কিট হাউচৰ তলমহলৰ কোঠা নং ৪ত বা ৯১৮১৬৬০৯০৬ নম্বৰ আৰু ইমেইল আইডি: vinitnandanwar @gmall.com, যোগাযোগ কৰিবলৈ জিলা অবজাৰ্ভাৰ আৰু প্ৰটোকল চেল পৰা আহ্বান জনায়।

## ডিব্ৰুগড়ত লুৰিণজ্যোতি গগৈ সহ ৮ জনৰ

হেভিৱেট প্ৰাৰ্থীসকলৰ মনোনয়নক কেন্দ্ৰ কৰিও এতিয়া উত্তাল ডিব্ৰুগড়। ডিব্ৰুগড়ত আজি এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। হাজাৰ হাজাৰ সমৰ্থকৰ উপস্থিতিত শক্তি প্ৰদৰ্শন কৰি মনোনয়ন পত্ৰ দাখিল কৰিলে অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে। গুৰুত্বপূৰ্ণ কথাটো হ'ল, লুৰিণজ্যোতি গগৈৰ প্ৰায় ১৫ সহস্ৰাধিক সমৰ্থকৰ এই যাত্ৰাত সংগ দিলে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে। বিৰোধী ঐক্যৰ এই বিশেষ চবিখনে এতিয়া বিশেষ চৰ্চা লাভ কৰিছে ৰাজনৈতিক মহলত। বিৰোধী ঐক্য মঞ্চৰ লুৰিণজ্যোতি গগৈ লগতে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ জাতীয় পৰিষদৰ প্ৰাৰ্থী মৈনাক পাত্ৰই আজি মনোনয়ন দাখিল কৰে। তেওঁ লোকৰ সৈতে সংগ দিলে ডিব্ৰুগড় জিলা কংগ্ৰেছৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তা সকলে। আনহাতে ডুলিয়াজান সমষ্টিৰ পৰা বিৰোধী ঐক্য মঞ্চৰ হৈ কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি গগৈয়ে আৰু নাহৰকটীয়া বিধানসভা সমষ্টিৰ পৰা প্ৰাক্তন মন্ত্ৰী প্ৰণতি ফুকন আৰু চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰাঞ্জল ঘাটোৱাৰে। ডিব্ৰুগড় জিলাৰ এই গুৰুত্বপূৰ্ণ সমষ্টিকেইটাত এতিয়া নিৰ্বাচনী যুঁজ তীব্ৰতৰ হৈ পৰিছে। খোৱাং সমষ্টিৰ প্ৰাৰ্থী তথা অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণজ্যোতি গগৈয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে কেৱল খোৱাং সমষ্টিৰ উন্নয়নৰ কথাই নহয়, সামগ্ৰিক ভাবে অসমৰ ৰাইজৰ মৌলিক অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰিব। বিগত চৰকাৰে যি মনোভাৱৰে ৰাজ্যত শাসন কৰিলে, সেয়া দেশ আৰু জাতিৰ বাবে শুভ নহয়। ৰাইজে ৰজা পাতে, আকৌ ৰাইজেই ৰজা ভাঙে। এক নতুন যুগৰ আশাৰে আৰু ৰাইজৰ আশীৰ্বাদত আমি জয়ী হ'ব পাৰিম বুলিও দৃঢ়তাৰে লুৰিণে মত প্ৰকাশ কৰে। তেনেদৰেই মিত্ৰ জোঁটৰ নাহৰকটীয়াৰ কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰণতি ফুকনে কয় যে অপশাসনৰ অৱসান ঘটি এক নতুন দিগন্তৰ সূচনা হ'ব। তেনেদৰেই ডিব্ৰুগড়ৰ অজাপৰ প্ৰাৰ্থী মাইনাক পাত্ৰ, দুলীয়াজানৰ কংগ্ৰেছৰ ধ্ৰুৱজ্যোতি গগৈ আৰু চাবুৱা-লাহোৱালৰ প্ৰাঞ্জল ঘাটোৱাৰে নিশ্চিত জয়ৰ কথাও সগৌৰৱে সদৰি কৰে। ইজনৰ পিছত সিজন প্ৰাৰ্থীৰ মনোনয়ন দাখিলে প্ৰমাণ কৰিছে যে এইবাৰৰ নিৰ্বাচনত কোনো পক্ষই সহজভাৱে এৰি নিদিয়ে। এফালে যদি শাসকীয় পক্ষৰ উন্নয়নৰ শ্লোগান, আনফালে বিৰোধী ঐক্যৰ পৰিৱৰ্তনৰ সংকল্প। মনোনয়ন দাখিলৰ এই প্ৰক্ৰিয়াই ডিব্ৰুগড়ৰ ৰাজনৈতিক সমীকৰণ কোন দিশে নিয়ে, সেয়া এতিয়া লক্ষণীয় হ'ব। জনতাই কাৰ মূৰত পিন্ধাব বিজয়ৰ মালা -মুকুট ? তাৰ বাবে অপেক্ষা কৰিব লাগিব ভোট দান আৰু ভোটগণনাৰ দিনটোলৈ। বিৰ্গত ২০০৬ পৰা ধাৰাবাহিক ভাৱে চাৰিবাৰ ডিব্ৰুগড় সমষ্টিত নিজৰ দখলত ৰাখিবলৈ সক্ষম হোৱা প্ৰশান্ত ফুকনে পঞ্চম বাৰলৈ প্ৰতিদ্বন্দ্বিতা কৰি এয়া তেখেতৰ বাবে এক অতি সৌভাগ্য বিষয় বুলি উল্লেখ কৰে। লগতে কেবা সহস্ৰাধিক ভোটৰ ব্যৱধানত জয় লাভ কৰিবলৈ সক্ষম হ'ব বুলি উল্লেখ কৰে। প্ৰায় দহ সহস্ৰাধিক সমৰ্থকক লৈ তেওঁ মনোনয়ন পত্ৰ দাখিল কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড়ত আজি মুঠ আঠজনে দাখিল কৰে মনোনয়ন পত্ৰ।

## পশ্চিম এছিয়াৰ অস্থিৰতা !

বজাৰ খোলাৰ কেইমিনিটমানৰ ভিতৰতে টকাৰ মূল্য তীব্ৰভাৱে হ্ৰাস পাই প্ৰথমবাৰৰ বাবে ৯৩ টকাৰ সীমা অতিক্ৰম কৰে আৰু পৰৱৰ্তী সময়ত ৯৩.১৫ পৰ্যন্ত নামি আহে। বিশেষজ্ঞসকলৰ মতে এই তীব্ৰ পতনৰ মূল কাৰণ হৈছে আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মূল্যৰ তীব্ৰ উত্থান। ব্ৰেণ্ট খাৰুৱা তেলৰ মূল্য এতিয়া প্ৰতি বেৰেলত ১০০ ডলাৰৰ ওপৰত অৱস্থান কৰিছে। ভাৰতৰ দৰে তেল আমদানিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল দেশৰ বাবে এয়া এক গুৰুতৰ অৰ্থনৈতিক চিন্তাৰ বিষয় হৈ পৰিছে। অৰ্থনীতিবিদসকলে অনুমান কৰিছে যে খাৰুৱা তেলৰ মূল্য প্ৰতি ১ ডলাৰ বৃদ্ধি পালে ভাৰতৰ আমদানি ব্যয় প্ৰায় ১৬ হাজাৰ কোটি টকা বৃদ্ধি পায়। তেলৰ দাম বাঢ়িলে দেশৰ মুঠ আমদানি ব্যয় বৃদ্ধি পায় আৰু ডলাৰৰ চাহিদা তীব্ৰভাৱে বাঢ়ে। ইয়াৰ ফলত ভাৰতীয় টকাৰ ওপৰত পোনপটীয়া চাপ পৰে। লগতে ইন্ধনৰ ব্যয় বৃদ্ধিৰ জৰিয়তে সামগ্ৰিক মূল্যবৃদ্ধি (ইনফ্লেচন)ৰ আশংকাও বৃদ্ধি পাইছে। কেৱল তেলৰ মূল্যই নহয়, বিশ্বজুৰি বিয়পি পৰা অনিশ্চয়তা আৰু পশ্চিম এছিয়াৰ অস্থিৰতাই আন্তঃৰাষ্ট্ৰীয় বিনিয়োগকাৰীসকলৰ মনোভাৱকো প্ৰভাৱিত কৰিছে। এনে পৰিস্থিতিত বিনিয়োগকাৰীসকলে নিৰাপদ সম্পদৰ দিশে মুখ কৰিছে, যাৰ ফলত মাৰ্কিন ডলাৰৰ চাহিদা বৃদ্ধি পাইছে আৰু ভাৰতীয় টকাৰ দৰে উদীয়মান বজাৰৰ মুদ্ৰাসমূহ দুৰ্বল হৈ পৰিছে। ইয়াৰ উপৰিও বিদেশী প্ৰতিষ্ঠানিক বিনিয়োগকাৰী (FII)সকলে ভাৰতীয় শ্বেয়াৰ বজাৰৰ পৰা ধন উলিয়াই নিয়াৰ প্ৰৱণতা বৃদ্ধি পাইছে। এই ধন উলিয়াই নিয়াৰ প্ৰক্ৰিয়াত টকাক ডলাৰলৈ ৰূপান্তৰিত কৰা হয়, যাৰ ফলত মুদ্ৰাৰ ওপৰত অধিক চাপ সৃষ্টি হৈছে। আমেৰিকাৰ ফেডাৰেল ৰিজাৰ্ভৰ সুতৰ হাৰ সম্পৰ্কীয় সতৰ্ক নীতিয়েও ডলাৰক শক্তিশালী কৰি তুলিছে। ফলত বিশ্ব বজাৰত ডলাৰৰ প্ৰভাৱ বৃদ্ধি পাইছে আৰু ভাৰতীয় টকাৰ দুৰ্বলতা অধিক স্পষ্ট হৈ পৰিছে। এই পৰিস্থিতিৰ প্ৰভাৱ কেৱল বৈদেশিক মুদ্ৰা বজাৰতে সীমাবদ্ধ নহয়। টকাৰ হ্ৰাস আৰু তেলৰ মূল্যবৃদ্ধিৰ ফলত আমদানি নিৰ্ভৰশীল সামগ্ৰীৰ দাম বৃদ্ধি পাব পাৰে। ইয়াৰ পৰা ব্যৱসায়ী আৰু সাধাৰণ ৰাইজৰ দৈনন্দিন ব্যয় বৃদ্ধি পোৱাৰ আশংকা সৃষ্টি হৈছে। উল্লেখযোগ্য যে, চলিত মাহৰ আৰম্ভণিতে ভাৰতীয় টকাই ডলাৰৰ বিপৰীতে ৯২ টকা অতিক্ৰম কৰি অভিলেখ সৃষ্টি কৰিছিল। বজাৰ এতিয়া আৰব বিশ্বৰ পৰিস্থিতি, খাৰুৱা তেলৰ মূল্যৰ গতিবিধি আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সম্ভাব্য হস্তক্ষেপৰ ওপৰত নিবিড়ভাৱে চকু ৰাখি আছে। ৰিজাৰ্ভ বেংকে এই পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰে নেকি সেয়া অনাগত দিনত স্পষ্ট হ'ব।

## ক্ষোভিত কৰ্মী-নেতাৰ

লোকে আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰে। এই অনুষ্ঠানত বিশেষ চৰ্চিত হৈ পৰে অলপতে কংগ্ৰেছ ত্যাগ কৰা জ্যেষ্ঠ নেতা নৱ তালুকদাৰৰ যোগদান। যোগদান অনুষ্ঠানত উপস্থিত থকা প্ৰাক্তন কংগ্ৰেছ সাংসদ তথা শেহতীয়াকৈ বিজেপিত যোগদান কৰি দিছপুৰ সমষ্টিৰ পৰা পাৰ্টিৰ টিকট লাভ কৰা প্ৰদ্যুৎ বৰদলৈয়ে বাজপেয়ী ভৱনত সংবাদমাধ্যমৰ আগত নিজৰ অনুভৱ প্ৰকাশ কৰে। তেওঁ কয় যে, কংগ্ৰেছ এৰাৰ সিদ্ধান্ত তেওঁৰ বাবে অতি বেদনাদায়ক আছিল। কিন্তু এতিয়া তেওঁ সম্পূৰ্ণৰূপে বিজেপি পৰিয়ালৰ অংশ হ'বলৈ সাজু। নিজকে এজন ভাল শিক্ষাৰ্থী বুলি উল্লেখ কৰি তেওঁ কয় যে, নতুন কথা শিকিবলৈ তেওঁ ভালপায়। বাজপেয়ী ভৱনত এয়া তেওঁৰ প্ৰথম পদক্ষেপ হোৱা বাবে অলপ উদ্বিগ্ন আৰু কৌতূহলীও অনুভৱ কৰিছে। দিছপুৰ সমষ্টিত দলীয় পুৰণি কৰ্মী আৰু নেতাসকলৰ মাজত দেখা দিয়া অসন্তোষ আৰু আপত্তিৰ সন্দৰ্ভত প্ৰশ্নৰ সন্মুখীন হৈ প্ৰদ্যুৎ বৰদলৈয়ে কয় যে, এনে প্ৰতিক্ৰিয়া স্বাভাৱিক। দীৰ্ঘদিন ধৰি দলৰ সৈতে কাম কৰি অহা কৰ্মীসকলে শেহতীয়াকৈ যোগদান কৰা এজনক টিকট দিয়াৰ সিদ্ধান্তত অসন্তুষ্ট হোৱাটো স্বাভাৱিক। কিন্তু তেওঁ সেইসকল কৰ্মী-নেতাৰ ওচৰলৈ হাতযোৰ কৰি যাব আৰু তেওঁলোকৰ আশীৰ্বাদ বিচাৰিব বুলি স্পষ্ট কৰে। তেওঁৰ পুত্ৰই শদিয়া সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ বিষয়তো তেওঁ মন্তব্য কৰে। তেওঁ কয় যে, এক ধুমুহাই পৰিয়ালখন ধ্বংস কৰিলে আৰু পুত্ৰই নিজৰ সিদ্ধান্ত নিজে লৈছে। সেই সিদ্ধান্তক তেওঁ সন্মান জনায়। উল্লেখ্য যে, দিছপুৰ সমষ্টিত প্ৰদ্যুৎ বৰদলৈক টিকট দিয়াৰ সিদ্ধান্তই বিজেপিৰ পুৰণি কৰ্মী জয়ন্ত দাসৰ দৰে নেতাসকলৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি কৰিছে। জয়ন্ত দাসে ৰাজহুৱাভাৱে নিজৰ অসন্তোষ প্ৰকাশ কৰি নিজাকৈ নিৰ্বাচন খেলাৰ সম্ভাৱনাৰ ইংগিত দিছে। শুকুৰবাৰে কেন্দ্ৰীয় মুখপাত্ৰ সম্বিত পাত্ৰই তেওঁক সাক্ষাৎ কৰিলেও জয়ন্ত দাসে সিদ্ধান্তটো নিজা নহয়, সমূহীয়া বুলি উল্লেখ কৰি অটল থকাৰ ভাৱ প্ৰকাশ কৰিছে। এই ঘটনাবোৰে অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন সমীকৰণ আৰু অভ্যন্তৰীণ অস্থিৰতাৰ সূচনা কৰিছে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মন্তব্য কৰিছে।

## "দলে প্ৰাৰ্থিত্ব নিদিলেও

গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই শুকুৰবাৰে নিজৰ প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। দলে তেওঁক প্ৰাৰ্থিত্ব নিদিয়াৰ পিছতো তেওঁ কোনো ক্ষোভ প্ৰকাশ নকৰি শান্তভাৱে পৰিস্থিতি গ্ৰহণ কৰাৰ কথা জানিবলৈ দিছে। সিদ্ধাৰ্থ ভট্টাচাৰ্যই কয় যে, তেওঁৰ প্ৰথম পৰিচয় এজন অধিবক্তা। ২০১১ চনৰ আগলৈকে স্বদেশী জাগৰণ মঞ্চৰ সৈতে জড়িত থাকিলেও তেওঁৰ মূল পৰিচয় সদায়েই আইনজীৱী হিচাপে আছিল। ২০১১ চনত বিজেপিয়ে তেওঁক পূব গুৱাহাটী সমষ্টিৰ পৰা টিকট দি কংগ্ৰেছৰ বিৰুদ্ধে যুঁজ দিবলৈ মনোনীত কৰিছিল। সেই নিৰ্বাচনত অলপ ভোটৰ ব্যৱধানত পৰাজিত হ'লেও ২০১৬ চনত লক্ষাধিক ভোটৰ ব্যৱধানত কংগ্ৰেছক পৰাজিত কৰি প্ৰথমবাৰৰ বাবে বিধায়ক হৈছিল। ২০২১ চনত 'কা' আন্দোলনৰ বিভীষিকা আৰু ক'ভিডৰ আতংকৰ মাজতো ৯৭ হাজাৰ ভোটৰ ব্যৱধানত জয়লাভ কৰিছিল। এটা দশক ধৰি পূব গুৱাহাটী সমষ্টিৰ প্ৰতিনিধি হিচাপে বিধানসভাত কাম কৰি আহিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, এই সময়ছোৱাত তেওঁৰ ভূমিকা বিধানসভাৰ ৰেকৰ্ডত সংৰক্ষিত আছে। সমষ্টিৰ নগৰাঞ্চলৰ ভিতৰুৱা বাট-পথ পুনৰ নিৰ্মাণকে ধৰি বিভিন্ন উন্নয়নমূলক কামত হাত দিছিল। ৰাইজে নিজেই তেওঁৰ কামৰ মূল্যায়ন কৰিব পাৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ স্পষ্টকৈ কয়, "২০২৬ চনৰ নিৰ্বাচনত দলে মোক প্ৰাৰ্থিত্ব দিয়া নাই। গতিকে মোৰ কোনো ক্ষোভ নাই।" তেওঁ লগতে কয় যে, ৰাইজৰ লগত এটা দশক কাম কৰি তেওঁলোকৰ মৰম-স্নেহ লাভ কৰিছে। ৰাইজে তেওঁক এটা বৃহৎ পৰিয়ালৰ সদস্য হিচাপে আঁকোৱালি লৈছে। আজি তেওঁ ৰাইজলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। আগলৈও ৰাইজে তেওঁক মৰম দিব আৰু তেওঁ সদায় ৰাইজৰ কাষত থাকিব বুলি প্ৰতিশ্ৰুতি দিয়ে। উল্লেখ্য যে, ২০১৫ চনত বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছৰ পৰা বিজেপিত যোগদান কৰাৰ সময়ত ৰাজ্যিক সভাপতি আছিল সিদ্ধাৰ্থ ভট্টাচাৰ্য। তেওঁৰ হাততে হিমন্ত বিশ্ব শৰ্মাই গেৰুৱা বসন পিন্ধিছিল। ২০১৬ চনত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বাধীন বিজেপি চৰকাৰত শিক্ষা আৰু আইন দপ্তৰৰ মন্ত্ৰী আছিল তেওঁ। কিন্তু ২০২১ চনৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভাত ঠাই নাপাইছিল। নতুনকৈ গঠিত নিউ গুৱাহাটী সমষ্টিত দীপ্লুৰঞ্জন শৰ্মাক টিকট দিয়াৰ সিদ্ধান্তই ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। পুৰণি আৰু জ্যেষ্ঠ নেতাসকলক টিকট বঞ্চিত কৰাৰ প্ৰসংগত সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ এই শান্ত প্ৰতিক্ৰিয়াই দলৰ অভ্যন্তৰীণ পৰিস্থিতিৰ ওপৰত নতুন আলোকপাত কৰিছে।

## টিকট বঞ্চিত অতুল বৰাৰ বাসগৃহত কংগ্ৰেছ প্ৰাৰ্থী

বৰঠাকুৰ গোস্বামীয়ে পুৱাই বিজেপিৰ পৰা টিকট বঞ্চিত হোৱা বৰ্তমানৰ বিধায়ক অতুল বৰাৰ বাসগৃহত উপস্থিত হৈ প্ৰায় এঘণ্টা ধৰি বন্ধ দুৱাৰৰ আলোচনাত মিলিত হয়। এই বৈঠকত মীৰা বৰঠাকুৰে অতুল বৰাৰ পৰা আগন্তুক নিৰ্বাচনৰ বাবে দিছপুৰ সমষ্টিৰ ৰাজনৈতিক পৰিস্থিতিৰ ওপৰত দিহা-পৰামৰ্শ বিচাৰে। অতুল বৰাই মীৰা বৰঠাকুৰক এখন গামোচাৰে উষ্ম আদৰণি জনাই সম্বৰ্ধনা প্ৰদান কৰে, যিয়ে বৈঠকটোৰ গুৰুত্ব আৰু উষ্ণতা প্ৰকাশ কৰিছে। বৃহস্পতিবাৰে বিজেপিয়ে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰি দিছপুৰ সমষ্টিৰ পৰা প্ৰদ্যুৎ বৰদলৈক প্ৰাৰ্থী ঘোষণা কৰাত অতুল বৰাৰ টিকট কৰ্তন হয়। ইয়াৰ পিছতে অতুল বৰাই প্ৰকাশ্যে কয় যে প্ৰয়োজন হ'লে তেওঁ নিৰ্দলীয় হিচাপে নিৰ্বাচনত অৱতীৰ্ণ নহ'লে কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰক সমৰ্থন জনাব। এই পটভূমিত মীৰা বৰঠাকুৰৰ এই সাক্ষাৎ বিশেষ তাৎপৰ্যপূৰ্ণ বুলি ৰাজনৈতিক মহলত বিবেচিত হৈছে। যদিও বৈঠকত অতুল বৰাই কি নিৰ্দিষ্ট প্ৰতিশ্ৰুতি বা সমৰ্থনৰ কথা দিয়ে সেয়া ৰাজহুৱাকৈ জানিব পৰা হোৱা নাই, তথাপি দুয়োপক্ষৰ মাজৰ এই মিলনৰ ফলত দিছপুৰ সমষ্টিত বিজেপিৰ ভোট ভঙ্গ হ'ব পাৰে বুলি আলোচনা চলিছে। এই ঘটনাই অসমৰ ৰাজনীতিত নতুন মোৰ দিয়াৰ লগতে দিছপুৰত মীৰা বৰঠাকুৰ বনাম প্ৰদ্যুৎ বৰদলৈৰ মাজৰ প্ৰতিদ্বন্দ্বিতাক অধিক উত্তেজনাপূৰ্ণ কৰি তুলিছে। সমষ্টিবাসীৰ মাজত এতিয়া এই বৈঠকৰ পৰিণাম কি হ'ব সেয়া লৈ কৌতূহল বাঢ়িছে।

## দিছপুৰত টিকট বঞ্চিত অতুল বৰাক বুজনি দিলে

টিকট বঞ্চিত বৰ্তমানৰ বিধায়ক অতুল বৰাৰ হাতীগাঁৱস্থিত বাসগৃহত উপস্থিত হৈ তেওঁক বুজনি দিয়ে। বিজেপিৰ জ্যেষ্ঠ নেতা অতুল বৰাই দলৰ পৰা টিকট নাপোৱাৰ পিছত যথেষ্ট ক্ষোভ প্ৰকাশ কৰিছিল আৰু প্ৰয়োজন হ'লে কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰক সমৰ্থন কৰাৰ ইংগিত দিছিল। দিছপুৰ বিধানসভা সমষ্টিত বিজেপিয়ে প্ৰদ্যুত বৰদলৈক প্ৰাৰ্থী ঘোষণা কৰাৰ পিছতে দলৰ ভিতৰত তীব্ৰ অসন্তোষৰ সৃষ্টি হৈছিল। অতুল বৰাই সংবাদমেলত এই সিদ্ধান্তক অগ্ৰহণযোগ্য বুলি অভিহিত কৰি দলৰ বিৰুদ্ধে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল। এনে পটভূমিত মুখ্যমন্ত্ৰীগৰাকীয়ে অসন্তুষ্ট বিধায়কগৰাকীৰ সৈতে বন্ধ দুৱাৰৰ বৈঠকত মিলিত হৈ পৰিস্থিতি সামৰি অনাৰ চেষ্টা চলায়। বৈঠকত অতুল বৰাৰ ক্ষোভৰ কথা শুনি মুখ্যমন্ত্ৰীয়ে তেওঁক সান্ত্বনা দিয়াৰ লগতে আগন্তুক সময়ত ৰাজনৈতিকভাৱে কেনেদৰে সংস্থাপিত কৰা হ'ব সেই বিষয়ে আলোচনা চলিছে বুলি দলীয় সূত্ৰই জানিবলৈ দিছে। উল্লেখ্য যে শুকুৰবাৰে পুৱাৰ ভাগতেই কংগ্ৰেছৰ দিছপুৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰে অতুল বৰাৰ ঘৰত উপস্থিত হৈ তেওঁৰ পৰা আশীৰ্বাদ বিচাৰিছিল আৰু প্ৰায় এঘণ্টা ধৰি আলোচনাত মিলিত হৈছিল। মুখ্যমন্ত্ৰীৰ এই সাক্ষাতৰ সময়ত তেওঁক সংগ দিয়ে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। এই ঘটনাই দিছপুৰ সমষ্টিত বিজেপিৰ অভ্যন্তৰীণ অসন্তোষ আৰু বিৰোধী পক্ষৰ সৈতে সম্ভাব্য সমীকৰণক লৈ ৰাজনৈতিক মহলত আলোচনাৰ সৃষ্টি কৰিছে। সমষ্টিবাসীৰ মাজত এতিয়া এই বৈঠকৰ পৰিণাম আৰু অতুল বৰাৰ চূড়ান্ত সিদ্ধান্ত কি হ'ব সেয়া লৈ কৌতূহল বাঢ়িছে।

## কংগ্ৰেছৰ চতুৰ্থখন প্ৰাৰ্থী তালিকা ঘোষণা

খন প্ৰাৰ্থী তালিকা আজি ঘোষণা কৰিছে। এই তালিকাত ৰাজ্যৰ সাতটা বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থীৰ নাম নিৰ্ধাৰণ কৰা হৈছে। দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিয়ে এই সিদ্ধান্ত গ্ৰহণ কৰি প্ৰাৰ্থীসকলৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰিছে। এই ঘোষণাৰ জৰিয়তে কংগ্ৰেছে এতিয়ালৈকে মুঠ চৌৰাশিটা সমষ্টিত নিজৰ প্ৰাৰ্থী ঘোষণা কৰিবলৈ সক্ষম হৈছে। বাকী থকা এগাৰটা সমষ্টি মিত্ৰদল ৰাইজৰ দলক এৰি দিয়াৰ সিদ্ধান্ত লোৱা হৈছে। জালুকবাৰী সমষ্টিত বিদিশা নেওগক প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। এই সমষ্টিৰ পৰা বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পুনৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা থকা বাবে এই আসনটো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। টংলা সমষ্টিত ৰোহিত পাৰিগাক দলীয় টিকেট দিয়া হৈছে। বিশ্বনাথ সমষ্টিত জয়ন্ত বৰাক প্ৰাৰ্থী হিচাপে ঘোষণা কৰা হৈছে। উল্লেখ্য যে জয়ন্ত বৰাই ২০২৪ চনত বিজেপিৰ পৰা ইস্তফা দি কংগ্ৰেছলৈ যোগদান কৰিছিল। নাওবৈচা সমষ্টি যিটো অনুসূচিত জাতিৰ বাবে সংৰক্ষিত, তাত ড° জয় প্ৰকাশ দাসক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। মাহমৰা সমষ্টিত জ্ঞানদীপ মহনৰ নাম ঘোষণা কৰা হৈছে। তিতাবৰ সমষ্টিত প্ৰাণ কুৰ্মীক দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচন কৰা হৈছে। ইয়াত পূৰ্বৰ বিধায়ক ভাস্কৰ বৰুৱাৰ ঠাইত নতুন মুখ আনি দিয়া হৈছে। হাইলাকান্দি সমষ্টিত ৰাহুল ৰয়ক প্ৰাৰ্থী হিচাপে মনোনীত কৰা হৈছে। এইনতুন ঘোষণাৰ পিছত কংগ্ৰেছৰ কাৰ্যকৰ্তা আৰু সমৰ্থকসকলৰ মাজত নতুন উদ্দীপনাৰ সৃষ্টি হোৱা দেখা গৈছে। নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ অহাৰ লগে লগে বাকী থকা সমষ্টিসমূহৰ প্ৰাৰ্থী তালিকাও অতি শীঘ্ৰে ঘোষণা কৰা হ'ব বুলি দলীয় সূত্ৰে জনোৱা হৈছে।

## প্ৰধানমন্ত্ৰী মোদীৰ সৈতে বিশ্বৰ পাঁচগৰাকী শীৰ্ষ

হৈছে। বৈদেশিক মন্ত্ৰণালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে আন্তঃমন্ত্ৰণালয় ব্ৰিফিংত এই কথা জনাইছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীয়ে ওমান, মালয়েছিয়া, ফ্ৰান্স, জৰ্ডান আৰু কাটাৰৰ নেতাসকলৰ সৈতে কথা-বতৰা পাতিছে। এই বাৰ্তালাপত ভাৰতে পশ্চিম এছিয়াৰ সংঘাতৰ সন্দৰ্ভত নিজৰ স্থিতি স্পষ্টকৈ দাঙি ধৰিছে। নেতাসকলে শক্তি আন্তঃগাঁথনিৰ ওপৰত হোৱা আক্ৰমণক উদ্বেগ প্ৰকাশ কৰি নিৰাপদ সামুদ্ৰিক পথৰ গুৰুত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰীয়ে এই আক্ৰমণসমূহক তীব্ৰভাৱে গৰিহণা দিছে আৰু হৰমুজ জলদ্বীপৰ মাজেৰে নিৰাপদ আৰু মুক্ত যাতায়াতৰ বাবে সমৰ্থন পুনৰবাৰ প্ৰকাশ কৰিছে। ওমানৰ চুলতান হাইথাম বিন তাৰিক আল ছাইদৰ সৈতে হোৱা বাৰ্তালাপত প্ৰধানমন্ত্ৰীয়ে আগতীয়াকৈ ঈদৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ওমানৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতা উলংঘা কৰাৰ বিষয়ত ভাৰতৰ গৰিহণা পুনৰ উল্লেখ কৰিছে। লগতে ভাৰতীয় নাগৰিকসকলক নিৰাপদে প্ৰত্যাৱৰ্তনৰ সুবিধা প্ৰদানত ওমানৰ প্ৰচেষ্টাক শলাগ জনাইছে। মালয়েছিয়াৰ প্ৰধানমন্ত্ৰী আনোৱাৰ ইব্ৰাহিমৰ সৈতে আলোচনাত প্ৰধানমন্ত্ৰীয়ে আগন্তুক হাৰি ৰায়া আইদিলফিত্ৰী (ঈদ) উৎসৱৰ শুভেচ্ছা জনাইছে। দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ পৰিস্থিতিৰ বিষয়ে গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰনৰ সৈতে হোৱা কথোপকথনত দুয়োগৰাকী নেতাই অঞ্চলটোত শান্তি আৰু স্থিতিশীলতা আগুৱাই নিয়াৰ বাবে ঘনিষ্ঠ সমন্বয় অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছে। জৰ্ডানৰ ৰজা দ্বিতীয় আব্দুল্লাৰ সৈতে আলোচনাত প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ বিকাশশীল পৰিস্থিতি আৰু শক্তি তথা সামগ্ৰীৰ নিৰৱচ্ছিন্ন পৰিবহণৰ গুৰুত্বৰ বিষয়ে কথা পাতিছে। দুয়োগৰাকী নেতাই শক্তি আন্তঃগাঁথনিৰ ওপৰত আক্ৰমণক গৰিহণা দি অবাধ পৰিবহণৰ সমৰ্থন পুনৰ দৃঢ় কৰিছে। প্ৰধানমন্ত্ৰীয়ে সংঘাতৰ সময়ত আবদ্ধ ভাৰতীয়সকলক সহায় কৰা জৰ্ডানৰ ভূমিকাক শলাগ জনাইছে। কাটাৰৰ আমিৰ শ্বেখ তামিম বিন হামাদ আল থানীৰ সৈতে বাৰ্তালাপত প্ৰধানমন্ত্ৰীয়ে ঈদৰ শুভেচ্ছা জনোৱাৰ লগতে ভাৰতীয় সম্প্ৰদায়ক সহায় কৰা কাটাৰৰ নেতৃত্বক ধন্যবাদ জনাইছে। দুয়োপক্ষই হৰমুজ জলদ্বীপৰ মাজেৰে নিৰাপদ পৰিবহণৰ বাবে দৃঢ় সমৰ্থন প্ৰকাশ কৰিছে। এই বাৰ্তালাপসমূহে ভাৰতৰ কূটনৈতিক প্ৰচেষ্টাক প্ৰতিফলিত কৰিছে যাতে অঞ্চলটোত শান্তি প্ৰতিষ্ঠা আৰু ভাৰতীয় নাগৰিকসকলৰ নিৰাপত্তা নিশ্চিত কৰা হয়।

## নাম ঘোষণাৰ পূৰ্বেই

কৰিছে। মনোনয়ন দাখিলৰ পিছতে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে ৰাইজৰ দলৰ সৈতে মিত্ৰতাৰ উদ্দেশ্য হৈছে এখন নতুন বৰঅসম জন্ম দিয়া। তেওঁ অধিক স্পষ্ট কৰি কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গাদীচ্যুত কৰিব পৰা দিনাই নতুন বৰঅসমৰ জন্ম হ'ব। গৌৰৱ গগৈয়ে আত্মবিশ্বাসেৰে দাবী কৰে যে শিৱসাগৰ সমষ্টিত ৰাইজৰ দলে শক্তিশালী ফলাফল লাভ কৰিব। তেওঁৰ মতে নাজিৰা আৰু ডিমৌ সমষ্টিত কংগ্ৰেছ জয়ী হ'ব আৰু শিৱসাগৰত ৰাইজৰ দল বিজয়ী হ'ব। লগতে তেওঁ কয় যে শিৱসাগৰত বিজেপি শূন্য হ'ব। কংগ্ৰেছ আৰু ৰাইজৰ দলৰ মিত্ৰতাৰ প্ৰথম প্ৰভাৱ মুখ্যমন্ত্ৰীৰ ওপৰত পৰিছে বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয় যে মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সকলো অংক এতিয়া জংক-পংক হৈ পৰিছে। এই মিত্ৰতাই বিজেপিৰ বিৰুদ্ধে বিৰোধী শক্তিসমূহক একত্ৰিত কৰি অসমত নতুন ৰাজনৈতিক পৰিৱৰ্তনৰ সম্ভাৱনা সৃষ্টি কৰিছে। কংগ্ৰেছ আৰু ৰাইজৰ দলে সম্প্ৰতি ১১টা সমষ্টিত আসন ভাগ-বতৰা কৰি মিত্ৰতা চূড়ান্ত কৰিছে, য'ত শিৱসাগৰ ৰাইজৰ দলৰ অংশ। এই পটভূমিত অখিল গগৈৰ মনোনয়ন আৰু গৌৰৱ গগৈৰ প্ৰতিক্ৰিয়াই শিৱসাগৰকে ধৰি সমগ্ৰ অসমৰ নিৰ্বাচনী ৰণনীতিত নতুন মোৰ দিছে। সমষ্টিবাসীৰ মাজত এতিয়া এই জোটৰ পৰিণাম কি হ'ব সেয়া লৈ উৎসাহ আৰু কৌতূহল বাঢ়িছে।

## সপ্তমবাৰৰ বাবে বিধান-

যাত্ৰাত প্ৰায় ২০ হাজাৰৰো অধিক উৎসাহী সমৰ্থকে মুখ্যমন্ত্ৰীক সংগ দিয়ে। খানাপাৰাৰ পৰা আৰম্ভ হোৱা এই ৰেলীত গুৱাহাটীৰ সাংসদ তথা বিজেপি নেত্ৰী বিজুলী কলিতা মেধিয়েও অংশগ্ৰহণ কৰে। সমৰ্থকসকলৰ উৎসাহ আৰু সমবেত হোৱা জনসমুদ্ৰই সমগ্ৰ অঞ্চলটোক উত্তেজনাপূৰ্ণ কৰি তুলিছিল। হেঙেৰাবাৰীস্থিত কামৰূপ মেট্ৰ' জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমুখতো সহস্ৰাধিক সমৰ্থকে অপেক্ষা কৰি আছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিয়ালৰ সদস্যসকলক লৈ মনোনয়ন পত্ৰ দাখিল কৰাৰ এই মুহূৰ্তটোক সমৰ্থকসকলে বিশেষ আদৰণি জনাই আছিল। এই ঘটনাই অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীৰ জনপ্ৰিয়তা আৰু দলীয় শক্তিৰ প্ৰতিফলন ঘটাইছে। জালুকবাৰী সমষ্টিৰ পৰা পুনৰবাৰ বিজয়ৰ বাবে ড° শৰ্মাৰ এই পদক্ষেপক লৈ ৰাজনৈতিক মহলত আলোচনা চলিছে।

## নিৰ্বাচনৰ পূৰ্বে অসম প্ৰদেশ

শুকুৰবাৰে ১১খন জিলা কংগ্ৰেছৰ উপ-সভাপতিসকলক তাৎক্ষণিকভাৱে কাৰ্যকৰী কৰি ভাৰপ্ৰাপ্ত সভাপতিৰ দায়িত্ব অৰ্পণ কৰাৰ সিদ্ধান্ত লৈছে। এই নিযুক্তিৰ জৰিয়তে দলটোৱে নিৰ্বাচনী প্ৰস্তুতিক অধিক সুসংগঠিত আৰু গতিশীল কৰি তুলিবলৈ বিচাৰিছে। বিভিন্ন জিলাত স্থানীয় নেতৃত্বৰ জৰিয়তে দলীয় কাৰ্যকলাপক নতুন গতি দিয়াৰ লগতে নিৰ্বাচনী ৰণনীতিক শক্তিশালী কৰাৰ প্ৰয়াস এই সিদ্ধান্তত স্পষ্টভাৱে প্ৰতিফলিত হৈছে। তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱা এই নিযুক্তিসমূহৰ ভিতৰত তিনিচুকীয়া জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি হিচাপে ধৰ্মেশ্বৰ বৰা, চৰাইদেও জিলাত নৃপেন কোঁৱৰ, শিৱসাগৰত লক্ষ্মী সন্দিকৈ, কামৰূপ গ্ৰাম্যত উতপল বৈশ্য, দৰং জিলাত বীৰেণ গোস্বামী, শোণিতপুৰত কংকন শইকীয়া, বঙাইগাঁও জিলাত নিৰঞ্জন ৰায়, কাৰ্বি আংলংত সুৰেন্দ্ৰ সিনহা, পশ্চিম কাৰ্বি আংলংত হংসিং ইংঘি, নলবাৰীত দিব্যজ্যোতি হালৈ আৰু চিৰাং জিলাত বাবলু চক্ৰৱৰ্তীক দায়িত্ব দিয়া হৈছে। এপিচিচিৰ পৰা জানিবলৈ দিয়া মতে এই সকলো নিযুক্তি তাৎক্ষণিকভাৱে বলবৎ হ'ব। নিৰ্বাচনৰ এই সংকটকালীন সময়ত জিলা পৰ্যায়ৰ নেতৃত্বত শূন্যতা পূৰণ কৰি দলক অধিক সক্ৰিয় আৰু সংগঠিত কৰি তুলিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি দলীয় সূত্ৰসমূহে জানিবলৈ দিছে। এই সিদ্ধান্তই অসমৰ ৰাজনৈতিক পৰিৱেশত নতুন মাত্ৰা যোগ কৰিছে বুলি ৰাজনৈতিক মহলত আলোচনা আৰম্ভ হৈছে।

## প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হৈ অগপ ত্যাগ জ্যেষ্ঠ নেতা

অগপৰ জ্যেষ্ঠ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতাই দলৰ প্ৰাথমিক সদস্যপদৰ লগতে সকলো পদৰ পৰা আনুষ্ঠানিকভাৱে পদত্যাগ কৰে। দীৰ্ঘদিন ধৰি আঞ্চলিক দলটোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ থকা জ্যেষ্ঠ নেতাজনে নিৰ্বাচনৰ ঠিক আগে আগে গ্ৰহণ কৰা এই সিদ্ধান্তই ৰাজ্যৰ ৰাজনৈতিক মহলত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, মিত্ৰজোঁটৰ আসন বুজাবুজি আৰু দলীয় নেতৃত্বৰ সিদ্ধান্ত মৰ্মে তেওঁক এইবাৰ প্ৰাৰ্থিত্ব প্ৰদান নকৰাৰ কথা নিশ্চিত হোৱাৰ পাছতেই ক্ষুব্ধ হৈ পৰে জ্যেষ্ঠ নেতাজন। দলীয় নেতৃত্বই তেওঁৰ অৱদান আৰু বলিষ্ঠ স্থিতিক আওকাণ কৰা বুলি অভিযোগ উত্থাপন কৰি তেওঁ নিজৰ পদত্যাগ পত্ৰ দলীয় নেতৃত্বলৈ প্ৰেৰণ কৰে। এতিয়া নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ পিছত ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ দৰে এগৰাকী জ্যেষ্ঠ আৰু প্ৰভাৱশালী নেতাই দল ত্যাগ কৰাটো অসম গণ পৰিষদৰ বাবে এক মোক্ষম আঘাত হিচাপে বিবেচিত হৈছে। তেওঁৰ এই পদত্যাগে সংশ্লিষ্ট সমষ্টিটোৰ লগতে সমগ্ৰ ৰাজ্যৰ নিৰ্বাচনী সমীকৰণত বিশেষ প্ৰভাৱ পেলোৱাৰ সম্ভাৱনা আছে। পৰৱৰ্তী সময়ত তেওঁ আন কোনো ৰাজনৈতিক দলত যোগদান কৰিব নে নিৰ্দলীয় প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব, সেয়া এতিয়াও স্পষ্ট হোৱা নাই যদিও তেওঁৰ পৰৱৰ্তী ৰাজনৈতিক পদক্ষেপৰ প্ৰতি এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈছে।

## কেইবা সহস্ৰাধিক সমৰ্থক লৈ মনোনয়ন পত্ৰ দাখিল

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ নিৰ্বাচনী বিষয়াৰ হাতত নিজৰ মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে মনোনয়নপত্ৰ দাখিলৰ পাছতেই সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত বিধায়ক দেউৰীয়ে গভীৰ আত্মবিশ্বাসেৰে কয় যে যোৱা দুটা কাৰ্যকালত জনসাধাৰণে যি মৰম আৰু সঁহাৰি দিছিল এইবাৰ সেই উৎসাহ দুগুণ বৃদ্ধি পাইছে। আজিৰ অভুতপূৰ্ব সঁহাৰিয়ে প্ৰমাণ কৰিছে যে উন্নয়নৰ স্বাৰ্থত ৰাইজ পুনৰ আজি তেওঁৰ পক্ষত থিয় দিছে। দেউৰীয়ে লগতে উল্লেখ কৰে যে বিগত নিৰ্বাচনসমূহত তেওঁ যিমান ভোটৰ ব্যৱধানত জয়লাভ কৰিছিল, এইবাৰ সেই অভিলেখ ভংগ হ'ব আৰু তৃতীয়বাৰৰ বাবে তেওঁকেই সমষ্টিবাসীয়ে মৰিগাঁও সমষ্টিৰ বিধায়ক হিচাপে নিৰ্বাচিত কৰিব। আনহাতে আজি পুৱাই দেওশাল মন্দিৰত শৰাই আগবঢ়াই মন্ত্ৰী পীয়ূষ হাজৰিকাই পত্নী, পুত্ৰ-কন্যা আৰু মাতৃসহ সমৰ্থকৰ বিশাল কনভয় লৈ মৰিগাঁৱত নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়নপত্ৰ দাখিল কৰে। মনোনয়নপত্ৰ দাখিল কৰি পীয়ূষ হাজৰিকাই জাগীৰোডবাসীক পুনৰ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াৰ বাবে দলীয় নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে ৰাজ্যত পুনৰ বিজেপি চৰকাৰ হ'ব বুলি কয়। ইপিনে মৰিগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টি ক্ৰমে ৫২ নং জাগীৰোড (অঃ জাঃ) সমষ্টিৰ বাবে ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী পীযুষ হাজৰিকা, ৫৪ নং মৰিগাঁও সমষ্টিত ভাৰতীয় জনতা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী ৰমাকান্ত দেউৰীৰ উপৰিও ৫৩ নং লাহৰীঘাট সমষ্টিৰ বাবে এ আই ইউ ডি এফ দলৰ মনোনীত প্ৰাৰ্থী চিদ্দিক আহমেদ মনোনয়ন পত্ৰ দাখিল কৰে।

## বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ ৫৮ সংখ্যক বাৰ্ষিক বিহু উদ্‌যাপনৰ অস্থায়ী কাৰ্য্যালয় মুকলি

**অসম বাৰ্তা, বকো, ২০ মাৰ্চ ঃ** অসমীয়াৰ বাপতি সাহোন প্ৰাণৰো প্ৰাণ বিহুক পৰম্পৰাগত ভাৱে পালন কৰা আৰু আদৰাৰ প্ৰস্তুতিৰে আয়োজন কৰা বকো আঞ্চলিক ৰঙালী বিহু সন্মিলন আয়োজনৰ আজি অস্থায়ী কাৰ্য্যালয মুকলি কৰে। বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনীৰ সভাপতি তথা যুৱ সমাজ কৰ্মী ধনঞ্জয় মেধি আৰু সাধাৰণ সম্পাদক গোবিন্দ দলৈয়ে জনোৱা অনুসৰি এই বেলি ৫৮ সংখ্যক বৰ্ষৰ বাবে আয়োজন কৰা হৈছে বিহু সন্মিলনীৰ কাৰ্য্যক্ৰমণিকা। সেয়ে আঞ্চলিক বিহুৰ বিস্তৃত কাৰ্য্যক্ৰমণিকাৰ যাৱতীয় কাম কাজ সমূহ পৰিচালনা কৰিবলৈ বকো উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সম্মুখত নিৰ্মাণ কৰা অস্থায়ী কাৰ্য্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। বিহু সন্মিলনী উদযাপন সমিতিৰ সম্পাদক গোবিন্দ দলৈয়ে আঁত ধৰা কাৰ্য্যসুচীত বিহুৰ কাৰ্য্যালয়টো উদ্বোধন কৰে বকো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মুন্না পাচনিয়ে। কাৰ্য্যালয় উদ্বোধনী অনুষ্ঠানত সামাজিক-সাংস্কৃতিক আৰু ক্ৰীড়া সংগঠনৰ সভাপতি অৰ্জুন চেত্ৰী, বকো সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ নগেন কলিতা, বিহু উৎসৱ উদ্‌যাপন সমিতিৰ প্ৰবীণ তালুকদাৰ, জগত চন্দ্ৰ দাস, পৰাণজ্যোতি দাস, মনোৰঞ্জন কলিতা, অনুপম দাসৰ উপৰিও বিষয় ববীয়া সকলে সহযোগ আগবঢ়াই। ইফালে বকো আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে অহা ১ এপ্ৰিলৰ পৰা ১৩ দিনীয়াকৈ বিহু নাচ, ঢোল-পেপা-বাঁহী বাদন কৰ্মশালা আয়োজন কৰা হৈছে। ৰাইজৰ সহযোগ কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

## মৰিগাঁও নিৰ্বাচন জিলাত সাধাৰণ পৰ্য্যবেক্ষক হিচাপে নিযুক্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া বন্দনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, মৰিগাঁও, ২০ মাৰ্চ ঃ** অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে মৰিগাঁও নিৰ্বাচনী জিলাৰ অন্তৰ্গত জাগীৰোড, মৰিগাঁও আৰু লাহৰীঘাট বিধানসভা সমষ্টিৰ বাবে সাধাৰণ পৰ্যবেক্ষক হিচাপে ভাৰতীয় নিবাৰ্চন আয়োগ ২০১৩ বৰ্ষৰ ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া বন্দনাক নিযুক্তি দিছে। কালি নিশা মৰিগাঁৱত উপস্থিত হোৱা পৰ্যবেক্ষকগৰাকীয়ে আজি মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বিভিন্ন কোষৰ মুৰব্বী বিষয়াসকলৰ সৈতে নিৰ্বাচনৰ কাম-কাজৰ পৰ্যালোচনা কৰে। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত তেওঁ জিলাখনত নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লৈ নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা কঠোৰভাৱে পালন কৰি আগবাঢ়িবলৈ নিৰ্দেশ দিয়ে। তেওঁ নিৰ্বাচনী আৰ্হি আচৰণ বিধি পালন সুনিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জিলা আয়ুক্তগৰাকীয়ে তেওঁক মৰিগাঁও জিলাৰ নিৰ্বাচনী প্ৰস্তুতিৰ এক বিতং প্ৰতিবেদন আগবঢ়ায়। উল্লেখ্য যে নিৰ্বাচন সম্বন্ধীয় যিকোনো অভিযোগ দাখিল কৰিবৰ বাবে সাধাৰণ পৰ্যবেক্ষকগৰাকীক 6003792392 নম্বৰত যোগাযোগ কৰিব পাৰিব। ইয়াৰ উপৰি, জনসাধাৰণে নিৰ্বাচন সংক্ৰান্তিয় ওজৰ-আপত্তিৰ বাবে তেওঁক মেইল কৰিবও পাৰিব। প্ৰয়োজনীয় মেইল আই ডি হ'ল dm-nai-ua@nic.in ।

## দৰং জিলা আয়ুক্তৰ বিশেষ নিৰ্দেশনা জাৰি

**অসম বাৰ্তা, দেওমৰনৈ, ২০ মাৰ্চ ঃ** ভাৰতৰ নিৰ্বাচন আয়োগে জাৰি কৰা এক নিৰ্দেশনা অনুসৰি আগন্তুক বিধানসভা নিৰ্বাচন, ২০২৬ ৰ সৈতে সম্পৰ্কিত চলি থকা কামৰ পৰিপ্ৰেক্ষিতত দৰং নিৰ্বাচনী জিলাৰ অধীনস্থ সকলো কাৰ্যালয়ৰ মুৰব্বী, পিএছইউ, বেংকৰ কৰ্তৃপক্ষসকলক নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে সকলো ৰবিবাৰ আৰু ঘোষিত ছুটিৰ দিনতো নিজ নিজ কাৰ্যালয় খোলা ৰাখিবৰ বাবে নিৰ্দেশ জাৰি কৰিছে দৰং জিলা নিৰ্বাচনী বিষয়া ও জিলা আয়ুক্ত আয়ুষী জৈনে। এই নিৰ্দেশ ভাৰতৰ নিৰ্বাচন আয়োগৰ সামগ্ৰিক তত্ত্বাৱধান, দিশ-নিৰ্দেশ আৰু নিয়ন্ত্ৰণৰ অধীনত জাৰি কৰা হৈছে। ইয়াৰ লগতে সংশ্লিষ্ট সকলে তেনেধৰণৰ দিনবোৰত অন্ততঃ এজন কাৰ্যালয় সহায়ক আৰু এজন এমটিএছ (গ্ৰেড-IV) কাৰ্যালয়ত উপস্থিত থকাটো নিশ্চিত কৰিব লাগিব যাতে জিলা নিৰ্বাচনী বিষয়া অথবা আন কোনো উৰ্ধতম কৰ্তৃপক্ষৰ পৰা অহা যিকোনো জৰুৰী নিৰ্বাচন-সম্পৰ্কীয় যোগাযোগ, নথি-পত্ৰ বা নিৰ্দেশ গ্ৰহণ কৰাটো সম্ভৱ হয়। এই নিৰ্দেশনাৰ যিকোনো উলংঘন হ'লে বা পালন কৰিবলৈ অসমৰ্থ হ'লে সংশ্লিষ্টৰ বিৰুদ্ধে ভাৰতৰ নিৰ্বাচন আয়োগলৈ প্ৰতিবেদন প্ৰেৰণসহ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

### বিপিএফ, ইউপিপিএল আৰু এআইইউডিএফ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

# কাজলগাঁৱত ভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**অসম বাৰ্তা, বিজনী, ২০ মাৰ্চ ঃ** সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ইতিমধ্যেই ভিন্ন ৰাজনৈতিক দলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ২৩ মাৰ্চ মনোনয়ন পত্ৰ দাখিল কৰাৰ অন্তিম তাৰিখ। শুকুৰবাৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত ভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থী সকলে মনোনয়ন দাখিল কৰিছে। কাজলগাঁও চিৰাং জিলা আয়ুক্তৰ কাৰ্যালয়ত বিপিএফ, ইউপিপিএল, এআইইউডিএফ দলৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। চিৰাং জিলাৰ ১৯ নং চিদলী-চিৰাং বিধানসভা সমষ্টিৰ বাবে বিপিএফ দলৰ পৰা মনোনয়ন দাখিল কৰে পানীৰাম ব্ৰহ্ম। মনোনয়ন পত্ৰ দাখিল কৰি ১৯ নং চিদলী-চিৰাং বিধানসভা সমষ্টিৰ প্ৰাৰ্থী পানীৰাম ব্ৰহ্ম সংবাদমাধ্যমৰ আগত মন্তব্য কৰি যে ইউপিপিএল দলৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰী তেওঁৰ কাৰণে একো সমস্যা নহয়। চিদলী-চিৰাং বিধানসভা সমষ্টিৰ ৰাইজে হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বিপিএফ দলক ভোট প্ৰদান কৰাৰ বাবে সাজু হৈ আছে গতিকে মই জয়লাভ কৰাটো নিশ্চিত। আনহাতে ইউপিপিএল দলৰ পৰা ১৯ নং চিদলী-চিৰাং বিধানসভা সমষ্টিত ৰঞ্জিত বসুমতাৰী ওৰফে ফেৰেংগা আৰু ২০ নং বিজনী বিধানসভা সমষ্টিত কমল সিং নাৰ্জাৰীয়ে মনোনয়ন পত্ৰ দাখিল কৰে। কাজলগাঁৱস্থিত জিলা ইউপিপিএল দলৰ কাৰ্যালয়ৰ পৰা কেইবা শতাধিক দলীয় নেতা কৰ্মীয়ে বেণ্ডপাৰ্টী লৈ নাচি-বাগি আনন্দ উল্লাসেৰে জিলা আয়ুক্ত কাৰ্যালয়লৈ ইউপিপিএল দলৰ প্ৰাৰ্থীদ্বয়ক আদৰি আনে। ইউপিপিএল দলৰ লগত কোনো দলৰ প্ৰতিযোগিতা নহব। বিটিচিৰ ৩৫ লাখ জনসাধাৰণে শান্তি সম্প্ৰীতি সমন্বয়ৰ ক্ষেত্ৰত ইউপিপিএল দলক বিটিচিৰ পোন্ধৰটা বিধানসভা সমষ্টি জয়ী কৰাই অসমৰ ১৪০ জনগোষ্ঠীৰ কাম কৰা বাবে অসম বিধানসভাত পঠাব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে ইউপিপি এল দলৰ ১৯ নং চিদলী-চিৰাং সমষ্টিৰ প্ৰাৰ্থী ৰঞ্জিত বসুমতাৰীয়ে সংবাদমাধ্যমত মন্তব্য কৰে। ২০ নং বিজনী বিধানসভা সমষ্টিৰ প্ৰাৰ্থী কমল সিং নাৰ্জাৰীয়ে মন্তব্য কৰি কয় যে আমি জয়ী হোৱাটো নিশ্চিত প্ৰতিদ্বন্দ্বী নাই বুলি কোৱা চলে। বিজনীৰ জনসাধাৰণে যেনেকে ৰায়দান দিব মই তেনেকৈ বিজনীৰ জনসাধাৰণৰ বাবে কাম কৰি যাম। মোক টিকট প্ৰদান কৰিবৰ বাবে ইপিপিএল দলৰ সভাপতি প্ৰমোদ বড়োৰ লগতে কেন্দ্ৰীয় নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এনডিয়ে প্ৰাৰ্থী অৰূপ কুমাৰ দে কিমান ফেক্টৰ হ'ব বুলি সংবাদিকৰ প্ৰশ্নৰ উত্তৰত কমল সিং নাৰ্জাৰীয়ে কয় যে অৰূপ কুমাৰ দে কোনো ফেক্টৰ নহয় মই ত্ৰিশ হাজাৰ ভোট বিজয়ী হম। সৰ্বভাৰতীয় গণতান্ত্ৰিক সংযুক্ত মৰ্চা চমুকৈ এআইইউডিএফ দলৰ ২০ নং বিজনী বিধানসভা সমষ্টিত মনোনয়ন দাখিল কৰে মুছুখা বসুমতাৰীয়ে। মনোনয়ন দাখিল কৰিবলৈ আহি চিৰাং জিলা সদৰ কাজলগাঁৱত বিপিএফ আৰু ইউপিপিএল দলৰ সমৰ্থকৰ মাজত প্ৰচণ্ড মাৰপিট ঘটনা সংঘটিত হয়। পিছত আৰক্ষীয়ে নিয়ন্ত্ৰণ কৰে পৰিস্থিতি।

### জনজাতীয় ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়া

## প্ৰদ্যুৎ বৰদলৈক ফেচবুক পোষ্টৰ উষ্ম আদৰণী জৰিয়তে ভাস্কৰ শৰ্মাৰ

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ২০ মাৰ্চ ঃ** বৰ্তমান নগাঁও লোকসভা সমষ্টিৰ সংসদ তথা তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক, কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা প্ৰদ্যুৎ বৰদলৈয়ে হঠাৎ কংগ্ৰেছ ত্যাগ কৰি দিল্লীত বিজেপিৰ কেন্দ্ৰীয় হাইকমাণ্ডৰ ওচৰত আনুষ্ঠানিক ভাৱে বিজেপি দলত যোগদান কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক নেতৃত্বইও ৰাজহুৱা ভাৱে প্ৰদ্যুৎ বৰদলৈক আদৰণী জনোৱা পৰিলক্ষিত হৈছে। লক্ষণীয় ভাৱে, বিগত দুটাকৈ কাৰ্যকালত বিজেপিৰ বিধায়ক হিচাপে ভাস্কৰ শৰ্মাই সংবাদ মাধ্যমৰ আগত টিৰাপ স্বায়ত্ব শাসিত পৰিষদ দাবী সমিতিৰ মুখ্য ব্যক্তি তথা জনজাতীয় নেতা প্ৰসন্ন তুৰুং আৰু তেওঁৰ পত্নী কোমা তুৰুং যোৱা ২০০৭ চনৰ ৮ এপ্ৰিলৰ নিশা নিখোজ হোৱা ঘটনাৰ বাবে প্ৰদ্যুৎ বৰদলৈকে অভিযুক্ত বুলি অভিযোগ কৰিছিল। স্থানীয় জনজাতীয় ৰাইজক তেওঁলোকৰ নেতাজনৰ চিবিআই তদন্তৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কৈ আহিছিল যদিও আজি বৰদলৈয়ে বিজেপিত যোগদানৰ ঘোষণা হোৱাৰ পাছতে মাৰ্ঘেৰিটাৰ বৰ্তমানৰ বিধায়ক ভাস্কৰ শৰ্মাই ততাতৈয়াকৈ নিজৰ ফেচবুক একাউণ্টৰ জৰিয়তে বিজেপিলৈ আদৰণী জনোৱাৰ বিষয়টোৱে জনজাতীয় ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইয়াৰোপৰি প্ৰদ্যুৎ বৰদলৈৰ বিজেপি গমণে কংগ্ৰেছ-বিজেপি উভয় দলৰে তৃণমূল কৰ্মী সকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছে। ভিতৰুৱা সূত্ৰৰ মতে, প্ৰদ্যুৎ বৰদলৈৰ লগতে অসম ৰাজ্যিক বিজেপিৰ যুৱ নেতা তথা কংগ্ৰেছ দলে মাৰ্ঘেৰিটাৰ পৰা প্ৰক্ষেপ কৰিব বিচৰা প্ৰতীক বৰদলৈও বিজেপিলৈ যাব ফলত প্ৰদ্যুৎ বৰদলৈৰ সৈতে গোতেই অসমৰ লগতে মাৰ্ঘেৰিটা সমষ্টিৰো বৃহৎ সংখ্যক কংগ্ৰেছ অনুৰাগী বিজেপিলৈ যাব, যাক বিজেপিৰ পুৰণি কৰ্মী সকলে সহজ ভাৱে গ্ৰহণ কৰিব পৰা নাই। অন্যহাতে, কংগ্ৰেছ দলৰ লগতে প্ৰদ্যুৎ বৰদলৈৰ পূৰ্বৰ একাংশ তথাকথিত চামচাবাহিনীয়ে বৰদলৈক ৰামঠেগন দি বিজেপিত যোগদান কৰি মাৰ্ঘেৰিটাৰ বিধায়কৰ ঘনিষ্ঠ হৈছিলহি। এতিয়া প্ৰদ্যুৎ বৰদলৈৰ বিজেপি গমনে এই সকলৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে বুলিও বিশেষ সূত্ৰই দাবী কৰিছে।

## চেঙা সমষ্টিৰ অগপৰ টিকট ঘোষণাৰ পিছতে আৰম্ভ হৈছে পুৰণি কৰ্মীৰ দলত্যাগৰ জোৱাৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ২০ মাৰ্চ ঃ** চেঙা সমষ্টিৰ অগপৰ টিকট ঘোষণাৰ পিছতে আৰম্ভ হৈছে পুৰণি কৰ্মীৰ দলত্যাগৰ জোৱাৰ। হত্যাৰ গোচৰত অভিযুক্ত হৈ জেলৰ ভাত খোৱা লোকক টিকট দিয়াৰ অভিযোগত দলত্যাগৰ জোৱাৰ উঠিছে। বৃহৎ পৰিমাণৰ ধনৰ বিনিময়ত চেঙা সমষ্টিত হত্যাকাণ্ডত অভিযুক্ত চাদ্দাম হুছেইনক দিছে টিকট বুলি কয়। এগৰাকী বেংক বিষয়াক ৫ লাখ টকাৰে ছুপাৰী কিলাৰ হত্যা কৰাৰ অভিযোগ উঠিছে চেঙা সমষ্টিৰ অগপ প্ৰাৰ্থী ছাদ্দাম হুছেইনৰ বিৰুদ্ধে। এই গুৰুতৰ অভিযোগ প্ৰাৰ্থীত্ব প্ৰত্যাশী আব্দুল ৰহমানৰ। টিকটৰ পৰা বঞ্চিত হৈ আব্দুৰ ৰহমানে নিৰ্দলীয় প্ৰাৰ্থীৰূপে থিয় হ'ব চেঙা সমষ্টিত বুলি জনায়। আব্দুৰ ৰহমানৰ মতে চেঙা সমষ্টিত তেওঁ নিৰ্দলীয় প্ৰাৰ্থীৰূপে খেলিলেও জয়ী হ'ব। কিন্তু ছাদ্দাম হুছেইনে ৫০০ ভোট ও নাপাব বুলি কয়। আজি জিলা উপ সভাপতি পদৰ পৰা পদত্যাগ কৰি মনোনয়ন পত্ৰৰ বাবে বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যায় ৰহমানে।

## কাছাৰীপেটীত আঞ্চলিক ঈদ গাহ ময়দানত পৱিত্ৰ ঈদ-উল-ফিতৰ পালন

**অসম বাৰ্তা, লেংটিছিঙা, ২০ মাৰ্চ ঃ** আজি আজি পৱিত্ৰ ঈদ-উল-ফিতৰ পালন। মাহজোৰা ৰোজাৰ অন্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে পালন কৰিছে পৱিত্ৰ ঈদ-উল-ফিতৰ। আজি পুৱাৰে পৰা পৱিত্ৰ ঈদৰ নামাজ গ্ৰহণৰ বাবে ঈদ গাহ সমুহত বহু সংখ্যক ইছলাম ধৰ্মীয় লোকৰ সমাগম ঘটে। আন আন ঠাইৰ লগতে বগাইগাঁও জিলাৰ বিভিন্ন ঠাইতো ঈদ পালন কৰা হৈছে। বঙাইগাঁও জিলাৰ কাছাৰীপেটী আঞ্চলিক ঈদ গাহত পুৱাৰে পৰা হাজাৰ হাজাৰ লোকৰ সমাগম ঘটিছে। আকাশত ঈদৰ জোন প্ৰত্যক্ষ হোৱাৰ পাছতেই দেশৰ লগতে অসমৰো প্ৰান্তে-প্ৰান্তে দেখা গৈছে প্ৰেম-ভাতৃত্ববোধৰ ছবি। ঈদক লৈ ইছলাম ধৰ্মাৱলম্বী লোক সকলৰ মাজত দেখা গৈছে উখল-মাখল পৰিৱেশ। ঈদ গাহ ময়দানত মছজিদতো সমূহীয়া নামাজৰ আয়োজন কৰিছে। প্ৰেম ভাতৃত্ববোধৰ বাৰ্তাৰে ইজনে আনজনক জনাইছে ঈদৰ শুভেচ্ছা। অকল ভাৰতবাসীয়েই নহয় বিশ্বৰ প্ৰতিজন ইছলাম ধৰ্মৰ লোকে এই উৎসৱৰ আগমনৰ লগ লগেই ত্যাগ আৰু ভাতৃত্ববোধৰ বাণী বিলাই উৎযাপন কৰে পৱিত্ৰ ঈদ-উল ফিতৰ।

## পুনৰ মুখ্যমন্ত্ৰী হিচাপে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম উত্থাপন গোসাঁইগাঁৱত NDAৰ প্ৰাৰ্থীক সম্বৰ্ধনা, নিশ্চিত জয়ৰ দাবী

**অসম বাৰ্তা, গোসাঁইগাঁও, ২০ মাৰ্চ ঃ** গোসাঁইগাঁও জিলা বিপিএফ দলৰ কাৰ্যালয়ত আজি এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ মাজেৰে এনডিএৰ বিপিএফৰ তিনিগৰাকী প্ৰাৰ্থীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সম্বৰ্ধিত প্ৰাৰ্থীসকল হৈছে ১ নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ শোভাৰাম বসুমতাৰী, ৫ নং পৰ্বতঝোৰা বিধানসভা সমষ্টিৰ ড° ৰেজাউল কৰিম আৰু ৪ নং বাওখুংগ্ৰী বিধানসভা সমষ্টিৰ ৰূপম ৰায়। অনুষ্ঠানটোত বৃহৎ সংখ্যক দলীয় কৰ্মী, সমৰ্থক আৰু নেতৃবৃন্দই উপস্থিত থাকি ফুলাম গামোচা আৰু আৰণাইৰে প্ৰাৰ্থীসকলক উষ্ম আদৰণি জনায়। সম্বৰ্ধনা অনুষ্ঠানৰ পিছতেই এখন নিৰ্বাচনী সভা অনুষ্ঠিত হয়, য'ত অংশগ্ৰহণ কৰা নেতাসকলে এনডিএৰ এই প্ৰাৰ্থীসকলৰ জয় নিশ্চিত বুলি দৃঢ় বিশ্বাস প্ৰকাশ কৰে। সভাত ভাষণ প্ৰদান কৰি ৰূপম ৰায়ে কয় যে, বিজেপিৰ নেতৃত্বত এনডিএ জোটে অসমৰ উন্নয়নৰ বাবে অবিৰত কাম কৰি আহিছে আৰু আগন্তুক দিনতো এই ধাৰা অব্যাহত থাকিব। তেওঁ লগতে মন্তব্য কৰে যে, ৰাজ্যত পুনৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ গঠন হ'ব। প্ৰাৰ্থীসকলে প্ৰতিশ্ৰুতি দিয়ে যে, নিৰ্বাচনত জয়ী হ'লে নিবনুৱা যুৱক-যুৱতীৰ স্বাৱলম্বীকৰণ, মাতৃ সমাজৰ উন্নয়ন আৰু চৰকাৰী আঁচনিৰ সফল ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। বিপিএফৰ নেতাসকলে কয় যে, দলৰ সকলো প্ৰাৰ্থীয়ে বিপুল ভোটত জয়ী হৈ বিজেপিৰ ভেটি অধিক শক্তিশালী কৰিব আৰু পুনৰ ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে প্ৰতিষ্ঠা কৰাটো নিশ্চিত।

### ডক্টৰেট ডিগ্ৰীপ্ৰাপক ড° মিণ্টু পাঠক, ভাস্কৰ্য শিল্পী প্ৰিয়ংকা বসুমতাৰী, কৃতী ছাত্ৰ অৰিন্দম মনি দাস আৰু সাংবাদিক নৱ কুমাৰ ডেকাক টংলা প্ৰেছ ক্লাবৰ সম্বৰ্ধনা

## সাংবাদিক অৰূপ বড়োৰ 'দীঘল পথৰ গান' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২০ মাৰ্চ ঃ** ওদালগুৰি জিলাৰ টংলা প্ৰেছ ক্লাবৰ উদ্যোগত আজি বৰজলাহস্থিত চিলাৰায় ভৱনৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় গ্ৰন্থ উন্মোচনী আৰু সম্বৰ্ধনা অনুষ্ঠান। টংলাৰ সফল অভিভাৱিকা বয়োজ্যেষ্ঠা মহিলা মইনা দেৱীয়ে কবি অৰূপ বড়োৰ নৱতম কাব্যগ্ৰন্থ 'দীঘল পথৰ গান' উন্মোচন কৰে। অসম সাহিত্য সভাৰ আমন্ত্ৰিত সদস্য গৌৰীশংকৰ দাসে সঞ্চালনা কৰা আৰু টংলা প্ৰেছ ক্লাবৰ সভাপতি ফটিক নন্দন ৰাভাই আঁত ধৰা অনুষ্ঠানত কাব্যগ্ৰন্থখনৰ বিষয়ে নিবন্ধকাৰ জ্যোতি প্ৰসাদ কলিতাই চমুকৈ ব্যাখ্যা আগবঢ়ায়। গ্ৰন্থখনৰ প্ৰকাশক তথা ওদালগুৰি জিলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়া আৰু টংলা সাহিত্য সভাৰ সভাপতি ঘটেশ্বৰ বৰুৱাই চমু ভাষণ দিয়ে। উক্ত অনুষ্ঠানতে বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডক্টৰেট ডিগ্ৰীপ্ৰাপক ড° মিণ্টু পাঠক, ভাস্কৰ্য শিল্পী প্ৰিয়ংকা বসুমতাৰী, অষ্ট্ৰেলিয়াৰ মাৰ্ডক বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় মাষ্টাৰ্ছ অফ চাইন্স ডিগ্ৰীপ্ৰাপক অৰিন্দম মনি দাস আৰু বিশিষ্ট সাংবাদিক নৱ কুমাৰ ডেকাক টংলা প্ৰেছ ক্লাবৰ তৰফৰ পৰা আন্তৰিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। টংলা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ৫০ খনৰো অধিক গ্ৰন্থ প্ৰণেতা বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সন্মানীয় ডক্টৰেট ডিগ্ৰীপ্ৰাপক মিণ্টু পাঠক, ভাস্কৰ্য শিল্পী প্ৰিয়ংকা বসুমতাৰী, কৃতী ছাত্ৰ অৰিন্দম মনি দাসৰ পিতৃ জয়ন্ত কুমাৰ দাস আৰু বিশিষ্ট সাংবাদিক নৱ কুমাৰ ডেকাই সম্বৰ্ধনা গ্ৰহণ কৰি ৰসাল বক্তব্যৰে সকলোকে আপ্লুত কৰে। স্বৰ্ণলতা শইকীয়া, জ্যোতি প্ৰসাদ কলিতা আৰু পৱন বনিয়াই কবিতা, গীত পৰিৱেশন কৰি অনুষ্ঠানটো জীপাল কৰি তোলে। অনুষ্ঠানত টংলা সাহিত্য সভাৰ সম্পাদক শ্যামল কুমাৰ দাস, ভেৰগাঁও জিলা কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক জ্যোতিষ চন্দ্ৰ চৌধুৰী, ব্ৰহ্মহিত সাধিনী সাহিত্য কাননৰ সম্পাদক যোগেন্দ্ৰ নাথ ডেকা, ভেৰগাঁও জিলা অনুসূচীত জাতি পৰিষদৰ সাধাৰণ সম্পাদক পৱন বণিয়া, পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ সভাপতি ৰাজীৱ শৰ্মা, কবি নিবাৰণ ৰাভা, জয়ন্ত কুমাৰ দাস, নিৰুপমা ডেকা, নিতু শৰ্মা, ৰাজীৱ ৰাভা, নজৰুল ইছলাম, শিক্ষক ধনজিৎ দাস, শশীন্দ্ৰ ডেকা, কৃষ্ণগুৰু প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰী হেম শইকীয়া, অৱসৰী কৃতী শিক্ষক পৱন কুমাৰ বসুমতাৰী, টংলা প্ৰেছ ক্লাবৰ উপসভাপতি দিগন্ত কুমাৰ শৰ্মা, সহকাৰী সম্পাদক অমৰজিৎ ৰাভা আদি উপস্থিত থাকে। জাতীয় সংগীতেৰে সামৰণি পৰা অনুষ্ঠানত টংলা প্ৰেছ ক্লাবৰ সম্পাদক অৰূপ বড়োৱে শলাগ জ্ঞাপন কৰে।

### ২৩ মাৰ্চত ছয়গাঁও হাইস্কুল খেলপথাৰৰ পৰা কেবিনেট মন্ত্ৰী পিয়ুষ হাজৰিকাক লগত লৈ মনোনয়ন

## চণ্ডিকা দেৱালয়ত নিশা উপস্থিত পলাশবাৰী সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য



**অসম বাৰ্তা, ছয়গাঁও, ২০ মাৰ্চ ঃ** হাজাৰ হাজাৰ দলীয় সমৰ্থকক লৈ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত চণ্ডিকা দেৱালয়ত যোৱা নিশা উপস্থিত হয় বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য। অসমৰ অন্যতম এখন শক্তিপীঠ মাঁ চণ্ডিকা দেৱালয়ত নিশা দলীয় সমৰ্থক সকলক লৈ উপস্থিত হয় পলাশবাৰী সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য। হাজাৰ হাজাৰ দলীয় সমৰ্থকক লৈ পলাশবাৰী সমষ্টিৰ অন্তৰ্গত চণ্ডিকা দেৱালয়ত উপস্থিত বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্য। তেওঁক সংগ দিয়ে ছয়গাঁৱৰ ভালেমান যুৱ কৰ্মী। দেৱী চণ্ডিকা দেৱালয়ত পূজা অৰ্চনা কৰি হিমাংশু শেখৰ বৈশ্যই সাংবাদিক কলে-দেৱী চণ্ডিকা মাঁৰ কৃপাত মোৰ টিকট হৈছে। কিবা বিপদ হ'লেই চণ্ডিকা মাঁৰ ওচৰলৈ মই দৌৰি আহোঁ। মই আজি নাহিলে চণ্ডিকা মায়ে বেয়া পালে হে। সেই বাবেই ৰাতি হ'লেও দেৱীৰ চৰণত সেৱা জনালোঁ। অহা ২৩ মাৰ্চত ছয়গাঁও হাইস্কুল খেলপথাৰৰ পৰা কেবিনেট মন্ত্ৰী পিয়ুষ হাজৰিকাক লগত লৈ মনোনয়ন দিবলৈ যাত্ৰা কৰিব হিমাংশু শেখৰ বৈশ্যই। অসম জাতীয় পৰিষদক সমালোচনা কৰি বিজেপি প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যই কয়- মিঞাৰ চৰ্দাৰৰ থকা কংগ্ৰেছ দলৰ লগত অ: জা: প: লগ হৈছে। অ: জা: প: দলে অকলে নিৰ্বাচন খেলিলে ভোট বেছি পালে হে বুলি কয়। বৃহস্পতিবাৰে টিকট ঘোষণা হোৱাৰ পিছতে পলাশবাৰী বিজেপি উৎফুল্ল হৈ উলিয়াই বিশাল বাইক ৰেলী। ২৯ নম্বৰ পলাশবাৰী বিধানসভা সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী হিমাংশু শেখৰ বৈশ্যক চণ্ডিকা দেৱালয়ৰ ৰাইজেও বিপুলভাৱে আদৰণি জনায়।

## গেলেকীত তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিৰুদ্ধে সৰৱ যুৱ-ছাত্ৰ পৰিষদৰ

### প্ৰতিবাদী কাৰ্যসূচী লোৱাৰ হুংকাৰ

**অসম বাৰ্তা, গেলেকী, ২০ মাৰ্চ ঃ** তেল আৰু প্ৰাকৃতিক গেছ নিগম চমুকৈ ONGC ৰ বিৰুদ্ধে এইবাৰ সৰৱ হোৱা দেখা গৈছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ গেলেকী আঞ্চলিক সমিতি। গেলেকীত মহাৰত্ন কোম্পানীটোৰ বিৰুদ্ধে ক্ষোভ উজাৰিলে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদে। মাহৰ পিছত মাহ ওকেলি যোৱাৰ পিছতো প্ৰতিশ্ৰুতি পালন নকৰাৰ অভিযোগ মহাৰত্ন কোম্পানীটোৰ বিৰুদ্ধে। উল্লেখযোগ্য যে গেলেকী চাৰি আলিৰ পৰা ন-পাম বাৰুৱতী সংযোগী মূল পথচোৱা দীৰ্ঘদিন ধৰি জৰাজীৰ্ণ হৈ পৰি আছে। এই পথচোৱাতে আছে গেলেকীৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গেলেকীৰ কেইবাখনো শিক্ষানুষ্ঠান, গেলেকী আৰক্ষী থানা, বিদ্যুৎ সেৱা কেন্দ্ৰকে ধৰি বহু অনুষ্ঠান প্ৰতিষ্ঠান। এই পথচোৱায়েদি দৈনিক চলাচল কৰে তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বহু গধুৰ যান বাহন। বিগত বৰ্ষৰ জুন মাহতে জৰাজীৰ্ণ পথচোৱা মেৰামতিৰ বাবে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ লগতে আন কেইবাটাও দল সংগঠনে উক্ত পথচোৱায়েদি ONGCৰ গধুৰ যান বাহন চলাচল বন্ধ কৰি প্ৰতিবাদ সাব্যস্ত কৰিছিল। দাবী আছিল জৰাজীৰ্ণ পথচোৱা অতি সোনকালে মেৰামতিৰ ব্যৱস্থা কৰি যাতায়তৰ বাবে সুচল কৰি তোলা। পৰৱৰ্তী সময়ত নাজিৰাৰ সম-জিলাৰ প্ৰশাসনৰ লগতে মহাৰত্ন কোম্পানীটোৰ বিষয়ববীয়া প্ৰতিবাদ স্থলীলৈ আহি বিষয়টো আলোচনাৰ মাধ্যমেৰে সমাধানৰ প্ৰতিশ্ৰুতি দিছিল। তাৰ দুদিনমানৰ পিছতেই শিৱসাগৰ জিলাৰ আয়ুক্তৰ কাৰ্যালয়ৰ দল সংগঠনৰ সৈতে মহাৰত্ন কোম্পানীৰ আৰু গড়কাপ্তানী বিভাগৰ বিষয়াৰ উপস্থিতিত এক ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত হৈছিল। জানিব পৰা মতে আলোচনাত দুমাহৰ পিছতেই পথচোৱাৰ মেৰামতি কৰি যাতায়তৰ বাবে সুচল কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিছিল মহাৰত্ন কোম্পানীৰ বিষয়ববীয়াই। কিন্তু আজি মাহৰ পিছত মাহ পাৰ হৈ যোৱাৰ পিছতো মাত্ৰ সামান্যতম কাম কৰি পথচোৱা পেলাই থোৱাত এতিয়া মহাৰত্ন কোম্পানীটোৰ বিৰুদ্ধে ক্ষোভ উজাৰিছে যুৱ-ছাত্ৰ পৰিষদৰ বিষয়ববীয়াই। সংবাদমাধ্যমৰ আগত সংগঠনটোৰ জিলাৰ যুটীয়া সম্পাদক প্ৰমোদ মনোৰঞ্জন গগৈয়ে কয় যে অনতিপলমে পথচোৱাৰ মেৰামতিৰ কাম আৰম্ভ নকৰিলে পুনৰ পথ অৱৰোধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

## কামৰূপ নিৰ্বাচনী জিলাত সাধাৰণ পৰ্যবেক্ষকৰ পৰ্যালোচনা সভা সম্পন্ন

**অসম বাৰ্তা, কমলপুৰ, ২০ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ ছয়টা বিধান সভা সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষকদ্বয় ড° এচ ভাৰাথী দাচন, দেৱেন্দ্ৰ কুমান পাণ্ডে আৰু আৰক্ষী পৰ্যবেক্ষক সতীশ গজভিয়েৰ উপস্থিতত আজি কামৰূপৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এক পৰ্যালোচনা বৈঠকত অনুষ্ঠিত হয়। বৈঠকত কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰ আৰক্ষী অধীক্ষক সুভাষীশ বৰুৱা, জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, ৰিটাৰ্ণিং বিষয়াসকল কামৰূপৰ নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপকে ধৰি বিভিন্ন কোষৰ দায়িত্বত থকা বিষয়া সকলৰ সৈতে সাধাৰণ পৰ্যবেক্ষকদ্বয়ে এক বৈঠকত মিলিত হয়। সভাৰ আৰম্ভণিতে কামৰূপ নিৰ্বাচনী জিলাত গঠন কৰা নিৰ্বাচনী আচৰণ বিধি কোষ আৰু নিৰ্বাচনী কোষে জিলাখনত আগন্তুক নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কৰি থকা কামসমূহৰ বিষয়ে সংক্ষিপ্ত প্ৰতিবেদন দাঙি ধৰে। বৈঠকৰ সময়ত সাধাৰণ পৰ্যবেক্ষকসকলে নিৰ্বাচনৰ প্ৰস্তুতিৰ বিভিন্ন দিশ পৰ্যালোচনা কৰাৰ লগতে নিৰ্বাচন সুচাৰুৰূপে আৰু শৃংখলাবদ্ধভাৱে পৰিচালিত হ'ব পৰা ব্যৱস্থাৰ বুজ লয়। নিৰ্চানী সংক্ৰান্তিয় কিবা অভিযোগ বা মতবিনিময়ৰ বাবে সাধাৰণ পৰ্যবেক্ষক ডাঃ দাচন যোগাযোগ নম্বৰ- ৯১৮১৬১১৩৬৯ তেওঁক আমিনগাঁৱৰ ডি চি অফিচ কেম্পাছৰ ডি চি অফিচ কেম্পাছৰ ডি ডি এম এ বিল্ডিংৰ পৰ্যবেক্ষক কোষত সাক্ষাৎ কৰিব পাৰিব। আনহাতে, দেৱেন্দ্ৰ কুমাৰ পাণ্ডে যোগাযোগ নম্বৰ-৬০০৩০৯৫৪৩৪ জনসাধাৰণৰ যোগাযোগৰ বাবে তেখতক পি ডব্লিউ ডি (আৰ) আই বি, আমিনগাঁৱত সাক্ষাৎ কৰিব পাৰিব। আৰক্ষী পৰ্যবেক্ষক সতীশ গজভিয়েক ৯১৮১৯৭৭৭৮৩ নম্বৰত নিৰ্বাচনী নিৰাপত্তা আৰু আৰক্ষীৰ আচৰণৰ সৈতে জড়িত অভিযোগ আৰু মতামত আগবঢ়াব পাৰিব। কামৰূপ নিৰ্বাচনী জিলাত যাতে বিধানসভা নিৰ্বাচন শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হয়, তাৰ বাবে নিৰ্বাচনৰ সৈতে জড়িত সকলো বিষয়া-কৰ্মচাৰীক সক্ৰিয়ভাৱে আৰু সমন্বয়ৰ মাজেৰে কাম কৰি যাবলৈ ব্যয় পৰ্যবেক্ষক সকলে আহ্বান জনায়।

## ডিব্ৰুগড় নিৰ্বাচন জিলাৰ খোৱাং বিধানসভা সমষ্টিত সাধাৰণ পৰ্যবেক্ষকৰ ভ্ৰমণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২০ মাৰ্চ ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৮৭-চাবুৱা লাহোৱাল, ৮৮-ডিব্ৰুগড় আৰু ৮৯-খোৱাং বিধানসভা সমষ্টিৰ বাবে নিয়োজিত সাধাৰণ পৰ্যবেক্ষক টি.এন. ভেঙ্কটেশে আজি নিৰ্বাচনী প্ৰস্তুতি আৰু আন্তঃগাঁথনিৰ বুজ ল'বলৈ ৮৯-খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত কেইবাটাও ভোটকেন্দ্ৰ পৰিদৰ্শন কৰে। ভ্ৰমণকালত পৰ্যবেক্ষকগৰাকীয়ে ১১৭, ১১৮, ১৩৭, ১৩৮, ১৩৯, ১১৯, ১২৯ আৰু ১৩০ নম্বৰ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰে আৰু সুচাৰু তথা সুচল ভোটদান প্ৰক্ৰিয়াৰ বাবে উপলব্ধ সুবিধাসমূহৰ পৰ্যালোচনা কৰে। পৰিদৰ্শনৰ ভিত্তিত, সংশ্লিষ্ট বিষয়াসকলক সামগ্ৰিক আন্তঃগাঁথনি আৰু ভোটাৰ সকলৰ বাবে সুবিধা বৃদ্ধি কৰিবলৈ প্ৰয়োজনীয় নিৰ্দেশনা প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত ভোটকেন্দ্ৰৰ ভিতৰত আৰু চৌপাশে পোহৰৰ উন্নত ব্যৱস্থা কৰা, দিব্যাঙ্গ ব্যক্তিসকলৰ লগতে সকলো ভোটাৰৰ বাবে সুগমতা নিশ্চিত কৰিবলৈ 'ৰেম্প'সমূহ মেৰামতি কৰা আৰু ৰেম্প-অনুকূল প্ৰৱেশদ্বাৰ নিশ্চিত কৰাৰ নিৰ্দেশ দিয়া হয়। ভোটাৰৰ সজাগতা আৰু চিনাক্তকৰণৰ সুবিধাৰ বাবে ভোটকেন্দ্ৰৰ বিৱৰণ আৰু বুথ পৰ্যায়ৰ বিষয়াৰ নাম আদি গুৰুত্বপূৰ্ণ স্থানত স্পষ্টকৈ প্ৰদৰ্শন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি প্ৰতিটো ভোটগ্ৰহণকেন্দ্ৰ সুসজ্জিত, সুগম আৰু ভোটাৰ-অনুকূল হোৱাটো নিশ্চিত কৰিবলৈ সাধাৰণ পৰ্যবেক্ষক গৰাকীয়ে গুৰুত্ব প্ৰদান কৰে। পৰিদৰ্শনকালত সংশ্লিষ্ট চক্ৰ বিষয়া, ছেক্টৰ বিষয়া আৰু বুথ পৰ্যায়ৰ বিষয়াসকল উপস্থিত থাকে।

### শাখাৰ মুখপত্ৰ 'প্ৰাঞ্জলি' সহ উন্মোচন হ'ব তিনিখনকৈ গ্ৰন্থ

## ২১ আৰু ২২ মাৰ্চত নগাঁৱত কলংপাৰ লেখিকা সংস্থাৰ অষ্টম দ্বি-বাৰ্ষিক অধিৱেশনৰ আয়োজন

**অসম বাৰ্তা, পুৰণিগুদাম, ২০ মাৰ্চ ঃ** "লেখিকা সংস্থা অসম"ৰ নগাঁও জিলাৰ অন্যতম সক্ৰিয় শাখা কলংপাৰ শাখাৰ অষ্টম দ্বি-বাৰ্ষিক অধিবেশনখনি নগাঁও চহৰৰ নিকটৱৰ্তী চকৰিগাঁও মজলীয়া বিদ্যালয়ত অহা ২১ আৰু ২২ মাৰ্চত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। উদ্যোক্তাসকলে জনোৱা মতে, বিগত বৰ্ষসমূহৰ দৰে এইবাৰো অতি উৎসাহ -উদ্দীপনাৰে আয়োজন কৰা অধিবেশনৰ প্ৰথম দিনা বিয়লি শাখাৰ এখনি বিষয় বাছনিসভা অনুষ্ঠিত হ'ব। ২২ মাৰ্চত অৰ্থাৎ দ্বিতীয় দিনা পুৱা ৯ বজাত সংস্থাৰ পতাকা উত্তোলনেৰে দিনটোৰ কাৰ্যসূচী মুকলি কৰিব শাখাৰ সভানেত্ৰী অৰুণিমা বৰাই। ইয়াৰ পিছতে স্মৃতি তৰ্পণ কৰিব শাখাৰ কাৰ্যকৰী সভানেত্ৰী তৰামাই বৰাই। পুৱা ১০ বজাৰ পৰা ল'ৰা-ছোৱালীৰ মাজত ক্ৰমে চিত্ৰাংকণ প্ৰতিযোগিতা, বানান লিখা, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি ১ বজাত সংস্থাৰ সভানেত্ৰী অৰুণিমা বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'ব এখনি মুকলি সভা। উক্ত সভাতে কৃতী শিক্ষাৰ্থীক অভিনন্দন জ্ঞাপন আৰু পুৰস্কাৰ প্ৰদান কৰা হ'ব। ইয়াৰোপৰি শাখাৰ মুখপত্ৰ "প্ৰাঞ্জলি"ৰ লগতে প্ৰহেলিকা কৌশিকৰ কবিতাপুথি "কেনভাচত তোমাৰ ছবি" আৰু কিৰণ শৰ্মা খাউণ্ডৰ সাধু কিতাপ "সাধুৰ ৰহঘৰা" নামৰ গ্ৰন্থ দুখনিও উন্মোচন কৰা হ'ব। সভাত নিৰ্দিষ্ট বক্তা হিচাপে ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মোহিনী মোহন ডেকা, নিমন্ত্ৰিত অতিথি হিচাপে চকৰিগাঁও মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বিউটি বৰা উপস্থিত থাকিব। সভাত মুখপত্ৰ "প্ৰাঞ্জলি" উন্মোচন কৰিব বিশিষ্ট লেখিকা পূৰবী চক্ৰৱৰ্তী সূতে। সংস্থাৰ সম্পাদিকা তুলু হাজৰিকাই জনোৱা মতে, প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিযোগীসকলক ফোন নম্বৰ ৯৮৬৪২৬০৩২৬ আৰু ৯৭০৬২২০০৫৪ৰ সৈতে আগতীয়াকৈ যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, মুখ্যমন্ত্ৰীক ধন্যবাদ; গোলাঘাট সমষ্টি নিৰ্মাণৰ প্ৰতিশ্ৰুতি

# গোলাঘাট সমষ্টিত অজন্তা নেওগক বিজেপিৰ প্ৰাৰ্থীত্ব প্ৰদান



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ১৯ মাৰ্চ ঃ** আজি ভাৰতীয় জনতা পাৰ্টিৰ কেন্দ্ৰীয় নেতৃত্বই অসমত প্ৰাৰ্থীত্ব ঘোষণা কৰাৰ পাছতে গোলাঘাট সমষ্টিত বিজেপি কৰ্মীসকলৰ মাজত ব্যাপক উৎসাহ উদ্দীপনা পৰিলক্ষিত হয়। কিয়নো ১০৩নং গোলাঘাট সমষ্টিৰ পৰা দ্বিতীয়বাৰৰ বাবে বিজেপি দলে অজন্তা নেওগক প্ৰাৰ্থীত্ব প্ৰদান কৰে। বিগত ২৫ বছৰ ধৰি একেৰাহে সমষ্টিটোৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱা অজন্তা নেওগক পুনৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিছে ৰাষ্ট্ৰীয় নেতৃত্বই। আজি প্ৰাৰ্থীত্ব লাভ কৰি অজন্তা নেওগে গোলাঘাটত সাংবাদিকৰ কয় প্ৰাৰ্থিত্ব প্ৰাপ্তিৰ বাবে প্ৰথমতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীন, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, বিজেপি দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তেখেতসকলে মোৰ ওপৰত গভীৰ আস্থা আৰু বিশ্বাস ৰাখি ভাৰতীয় জনতা পাৰ্টিৰ গোলাঘাট সমষ্টিৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰিছে। এই প্ৰাৰ্থীত্ব প্ৰাপ্তিৰ বাবে দলৰ তৃণমূল কৰ্মীসকলৰ লগতে গোলাঘাট সমষ্টিৰ ৰাইজৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ৰাইজৰ আশীৰ্বাদ নহ'লে মই সফল হ'ব নোৱাৰিলোঁহেতেন। বিগত সময়ছোৱাত মই ৰাইজক যি প্ৰতিশ্ৰুতি দিছিলো সেইয়া বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত সাধ্যানুসৰি কৰিবলৈ চেষ্টা কৰিছিলোঁ। ২০২১ চনৰ নিৰ্বাচনত মই গোলাঘাটত এখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰিম বুলি কৈছিলোঁ আৰু সেইখনৰ নিৰ্মাণ কাৰ্য চলি আছে। এখন কেঞ্চাৰ চিকিৎসালয় নিৰ্মাণ কৰি ৰাইজৰ বাবে মুকলি কৰি দিয়া হৈছে। গোলাঘাট সমষ্টিক অসমৰ ভিতৰত এটা জাকৰ জিলিকা সমষ্টি ৰূপত নিৰ্মাণ কৰা হৈছে। সমষ্টি নিৰ্মাণৰ ধাৰা অব্যাহত থাকিব বুলি জানিবলৈ দি নেওগে কয় এগৰাকী জনপ্ৰতিনিধি হিচাপে কৰিবলগীয়া বহুতো কাম থাকি যায় যদিও মই যিসমূহ কাম কৰিছোঁ তাৰ বাবে গোলাঘাট সমষ্টিৰ ৰাইজৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নেওগে লগতে কয় যে আগন্তুক বিধানসভা নিৰ্বাচনত জয়ী হ'লে বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে কাম কৰিবলৈ মন আছে। যোৱা সময়ছোৱাত গোলাঘাট সমষ্টিত যথেষ্ট আন্তঃগাঁথনি নিৰ্মাণ কৰা হ'ল। গোলাঘাট সমষ্টিত মই পুনৰ নিৰ্বাচিত হ'লে যুৱক যুৱতী সকলক আত্মনিৰ্ভৰশীলতাৰ ক্ষেত্ৰত মই কাম কৰিবলৈ চেষ্টা কৰিম। এই কাম কৰিবলৈ যাওঁতে আমাক উদ্যোগীকৰণৰ ব্যৱস্থা লাগে। আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে গোলাঘাট জিলাৰ সকলো সমষ্টিত জয়ী হ'লে উদ্যোগীকৰণৰ ব্যৱস্থা চলাম। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত আমাৰ কোনো অসুবিধা হোৱা নাই, কাৰণ আমি পঞ্চায়ত নিৰ্বাচনত ভাল ফলাফল লাভ কৰিছোঁ আৰু সমষ্টি পুনৰ নিৰ্ধাৰণে বিজেপি দলক লাভান্বিত কৰিব। নেওগে কাইলৈ দলীয় কৰ্মীসকলক লগত লৈ সদলবলে গোলাঘাট জিলা ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰিব বুলিও জানিবলৈ দিয়ে। উল্লেখযোগ্য যে সুদীৰ্ঘ ২৫ বছৰ গোলাঘাট সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হোৱা এইগৰাকী নেত্ৰীয়ে ২০০০ চনত কংগ্ৰেছ দলত যোগদান কৰি ২০০১ চনত প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন জয়ী হৈ তৰুণ গগৈৰ মন্ত্ৰীসভাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে অজন্তা নেওগ। তাৰ পাছত ক্ৰমান্বয়ে কংগ্ৰেছ দলৰ পৰা আৰু তিনিবাৰ গোলাঘাট সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈছিল। ইয়াৰ পিছতে নেওগ ২০২১ চনত ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰি প্ৰথমবাৰৰ বাবে বিধানসভা নিৰ্বাচন জয়ী হৈ ড° হিমন্ত বিশ্ব শৰ্মাৰ বিত্তমন্ত্ৰী মন্ত্ৰীৰ গুৰুত্বপূৰ্ণ দপ্তৰ লাভ কৰিবলৈ সক্ষম হয়। আনহাতে ২০২৬ৰ বিধানসভা নিৰ্বাচনত পুনৰ বিজেপি দলে গোলাঘাট সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব প্ৰদান কৰিছে অজন্তা নেওগক।

জাঁজীত মেধাবী ছাত্ৰী প্ৰতীক্ষাক ৰাজহুৱা অভিনন্দন

# মাধ্যম কেতিয়াও উচ্চ শিক্ষাৰ হেঙাৰ হ'ব নোৱাৰে ঃ ড° প্ৰতীক্ষা প্ৰিয়ম বৰুৱা

**অসম বাৰ্তা, জাঁজী, ১৯ মাৰ্চ ঃ** "শিক্ষাৰ্থী সকলে পঢ়াশুনাত এশ শতাংশ নিজক উজাৰি দিব লাগিব। ভবিষ্যতে কি বিষয়ত পঢ়াশুনা কৰিবা আৰু সেই নিৰ্দিষ্ট বিষয়ৰ যোগেদি কেনেদৰে নিজক প্ৰতিষ্ঠা কৰিবা সেয়া নিৰ্ভৰ কৰিব শিক্ষাৰ্থীজনৰ ওপৰত। এইক্ষেত্ৰত মাধ্যম কেতিয়াও হেঙাৰ নহয়। নিজৰ ইচ্ছাশক্তি আৰু আত্মবিশ্বাসক সঠিকভাৱে ৰূপায়ণ কৰিলে জীৱনৰ লক্ষ্যত উপনিত হ'ব পাৰি।" আজি জাঁজী চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেতনত আয়োজন কৰা এক ৰাজহুৱা অভিনন্দন অনুষ্ঠানত অংশগ্ৰহণ কৰি শিক্ষাৰ্থীসকলৰ উদ্দেশ্যি এইদৰে কয় আমেৰিকাৰ উটাহ বিশ্ববিদ্যালয়ত প'ষ্ট ডক্টৰেল ৰিচাৰ্চ ছায়েণ্টিষ্ট হিচাপে নিযুক্তি লাভ কৰা জাঁজী জামুগুৰি নিবাসী ড° প্ৰতীক্ষা প্ৰিয়ম বৰুৱাই। উল্লেখযোগ্য যে ড° প্ৰতীক্ষা প্ৰিয়ম বৰুৱাই আমেৰিকা যুক্তৰাষ্ট্ৰ (USA)ৰ উটাহ বিশ্ববিদ্যালয় (University of Utah)ত প'ষ্ট ডক্টৰেল ৰিচাৰ্চ ছায়েণ্টিষ্ট হিচাপে নিযুক্তি লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। আইজাৰ পুনে (IISER Pune)ৰ পৰা অলপতে 'Understanding the Variability in the Strength and Extent of Regional Hadley Circulation" শীৰ্ষক গৱেষণা কৰ্মৰ বাবে ডক্টৰেট ডিগ্ৰী লাভ কৰা প্ৰতীক্ষা প্ৰিয়ম জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপিকা মিনতি গগৈ বৰুৱা আৰু দিখৌমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক প্ৰতাপ কুমাৰ বৰুৱাৰ কন্যা। স্থানীয় চন্দ্ৰধৰ গগৈ শংকৰদেৱ শিশু বিদ্যা নিকেতনত হাইস্কুলীয়া শিক্ষা লাভ কৰা প্ৰতিভাবান ছাত্ৰীগৰাকী অভিনন্দন জনাবৰ বাবে আজি নিকেতনখনৰ উদ্যোগত ইয়াৰ প্ৰেক্ষাগৃহত এক ৰাজহুৱা অভিনন্দন অনুষ্ঠানৰ আয়োজন কৰা হয়। নিকেতনৰ প্ৰধান আচাৰ্য ললিত শৰ্মাই আঁত ধৰা অনুষ্ঠানত নিকেতনৰ সমূহ আচাৰ্য আচাৰ্যা, পৰিচালনা সমিতি, মাতৃগোটে প্ৰতীক্ষাক উষ্ম অভিনন্দন জনায়। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়, জাঁজী শাখা সাহিত্য সভা, শাখা লেখিকা সংস্থা, অলংকৃতা মহিলা সমাজ, জাঁজী আঞ্চলিক ছাত্ৰ সন্থা, অসম সাহিত্য সভাৰ যুৱ সাংসদ সমিতি, জাঁজী প্ৰেছ ক্লাৱ আদি কৰি অঞ্চলটোৰ বহু অনুষ্ঠানে প্ৰতীক্ষাক অভিনন্দন জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানত জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক জ্যোতিপ্ৰসাদ গগৈ, জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা বীণা বৰুৱা, অধ্যক্ষা নিবেদিতা বৰুৱা, শিক্ষাবিদ হিমাদ্ৰীজ্যোতি দত্ত, খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ কামাখ্যা ভট্টাচাৰ্য, অধ্যাপক জীৱমণি নাথ, অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ৰুণু গগৈ, জ্যেষ্ঠ সাংবাদিক ৰাজীৱ দত্ত, দিগন্ত শৰ্মা, প্ৰসেনজিৎ গগৈ, অনন্যা গগৈ শইকীয়া উপৰি বহু অভিভাৱক উপস্থিত থাকি অভিনন্দন জ্ঞাপন কৰে। নিকেতনৰ কেইবাগৰাকী ছাত্ৰছাত্ৰীয়ে প্ৰতীক্ষা প্ৰিয়ম বৰুৱাক অভিনন্দন জনোৱাৰ লগতে প্ৰতীক্ষাৰ প্ৰতিচ্ছবি অংকন কৰি উপহাৰ দিয়ে।

# ভুৱন গামেই মাজুলীৰ বিজেপিৰ প্ৰাৰ্থী; বিজেপি কৰ্মীৰ উল্লাস

উজনী মাজুলীৰ পৰা বৃহৎ ৰেলীৰে আদৰণি

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ মাৰ্চ ঃ** অৱশেষত বিজেপিয়ে ঘোষণা কৰিলে অহা ৯ এপ্ৰিলত হ'বলগীয়া ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থী তালিকা। সমান্তৰালভাৱে ৯৮ নং মাজুলী বিধানসভা সমষ্টিৰ বাবেও দলটোৱে প্ৰাৰ্থী ঘোষণা কৰে। সেই অনুসৰি দীৰ্ঘদিনীয়া জল্পনা কল্পনাৰ অন্তত বৰ্তমানৰ বিধায়ক ভুৱন গামকেই সমষ্টিটোত পুনৰবাৰ বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰে। শেহতীয়াকৈ বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বলৈ যোৱা তিনিজনীয়া পেনেলৰ পৰা আজি কেন্দ্ৰীয় নেতৃত্বই ভুৱন গামৰ নামতেই শেষ মোহৰ মাৰে। ইফালে ভুৱন গামে প্ৰাৰ্থীত্ব লাভ কৰাৰ পিছতেই আজি মাজুলীৰ জিলা বিজেপিৰ কাৰ্যালয়ত বিজেপিৰ কাৰ্যকৰ্তা সকলে ফটকা ফুটাই আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়। জেংৰাইমুখতো দলীয় কৰ্মী সকলে উল্লাস প্ৰদৰ্শন কৰে। দলীয় প্ৰাৰ্থীত্ব লাভ কৰাৰ পিছতে প্ৰথমবাৰৰ বাবে মাজুলীত উপস্থিত হোৱা ভুৱন গামক গোগামুখৰ পৰাই দলীয় নেতা কৰ্মীয়ে ৰেলী কৰি আদৰি আনে। মাজুলীত নয়াবজাৰ পৰা গড়মূৰলৈকে প্ৰাৰ্থী ভুৱন গামে এখন খোলা জীপত উঠি ৰাইজৰ আদৰণি গ্ৰহণ। প্ৰাৰ্থী ভুৱন গামে প্ৰথম প্ৰতিক্ৰিয়াত কয় যে-ৰাইজৰ আস্থা পালে আগন্তুক দিনতো মাজুলীক অসমৰ ভিতৰত শ্ৰেষ্ঠ সমষ্টি হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰিম। লগতে স্বাধীনতাৰ ৭০ বছৰে নোহোৱা কাম বিগত ১০টা বছৰে মাজুলীত সম্পূৰ্ণ হৈ উঠিছে আৰু আধৰুৱা হৈ ৰোৱা উন্নয়নমূলক কাম সমূহ অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম বুলি উল্লেখ কৰে। ইফালে বিজেপিৰ প্ৰাৰ্থী ভুৱন গামে কাইলৈ মনোনয়ন পত্ৰ দাখিল কৰাৰ কথা। উল্লেখযোগ্য যে এসময়ৰ উত্তৰ অসমৰ সম্ৰাট খ্যাত প্ৰাক্তন মন্ত্ৰী বৰ্তমানৰ নাওবৈছা সমষ্টিৰ কংগ্ৰেছী বিধায়ক ভৰত নৰহৰ ছাঁৰ দৰে থাকি গামে ব্যৱসায়িক সাম্ৰাজ্য বিস্তাৰ কৰে। যোৱা ২০১৬ ৰ বিধান সভা নিৰ্বাচনৰ পূৰ্বে বিজেপিত যোগদান কৰি প্ৰাৰ্থীত্বৰ বাবে ভুৱন গামে মাজুলীত ব্যাপক কুচকাৱাজ অব্যাহত ৰাখিছিল যদিও মূৰকত সৰ্বানন্দ সোণোৱালে মাজুলী সমষ্টিৰ পৰা প্ৰতিনিধিত্ব কৰাত গামৰ আশাত চেঁচাপানী পৰিছিল। ২১-ৰ বিধান সভা নিৰ্বাচনতো প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক আৰ্থিকৰ উপৰিও সকলো দিশৰ পৰা সহায় কৰিছিল ভুৱন গামে। তাৰেই প্ৰতিদান স্বৰূপে সৰ্বানন্দ সোণোৱালে ৰাজ্য সভালৈ নিৰ্বাচিত হোৱাৰ পিছত তেওঁৰ উত্তৰসুৰী হিচাপে গামক ২০২২ চনৰ উপ-নিৰ্বাচনত মাজুলী সমষ্টিৰ বিজেপি প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে। ইফালে উপ-নিৰ্বাচনত জয়ী হৈ মাজুলীৰ বিধায়ক হিচাপে এটা কাৰ্যকাল সম্পূৰ্ণ কৰাৰ পিছত পুনৰ প্ৰাৰ্থীত্বৰ বাবে আৱেদন কৰা ভুৱন গামক দলটোৱে পুনৰবাৰ প্ৰাৰ্থীত্ব প্ৰদান কৰে। ইফালে ২০১৬ বিধান সভা নিৰ্বাচনত মাজুলী সমষ্টিৰ বাবে দলীয় টিকটৰ বাবে বহু চেষ্টা কৰি অৱশেষত সোণোৱালৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে থমকি ৰোৱা, এইবাৰো বিজেপিৰ তিনিজনীয়া প্ৰাৰ্থীৰ পেনেলত নাম থাকিও ভুৱন গামৰ পুনৰ প্ৰাৰ্থীত্বৰ বাবে আশাত চেঁচাপানী পৰা প্ৰাক্তন সাংবাদিক, সাংস্কৃতিক কৰ্মী বৰ্তমানৰ বিজেপি নেতা হেমচন্দ্ৰ দলে দলীয় সিদ্ধান্ত একপ্ৰকাৰে মানি লৈছে যদিও স্বাভাৱিকতে ভিতৰি বেথা লৈ ফুৰিছে। আনহাতে ৰাজ্যিক বিজেপিৰ সম্পাদক বিতোপন দলে এইবাৰ প্ৰাৰ্থীত্ব লাভৰ ক্ষেত্ৰত আত্মবিশ্বাসী হৈ আছিল যদিও মূৰকত বিতোপন দলেও প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হয়। শীৰ্ষ এক মহলৰ জৰিয়তে প্ৰাৰ্থীত্বৰ বাবে চেষ্টা কৰিও কাৰ্য্যত বিফল হোৱা বিতোপন দলে এই মুহূৰ্তলৈকে বিষোদগাৰ প্ৰদৰ্শন কৰা নাই যদিও বিতোপন দলে দলীয় প্ৰাৰ্থীৰ জয়লাভত কিদৰে ভূমিকা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় হ'ব। ইফালে সংবাদ মাধ্যমত এইবাৰ বিধায়ক ভুৱন গামে প্ৰাৰ্থীত্ব লাভ নকৰে বুলি চৰ্চাৰ বিপৰীতে দলীয় শীৰ্ষ নেতৃত্বই পুনৰবাৰ ভুৱন গামকে প্ৰাৰ্থীত্ব প্ৰদান কৰাৰ মূলতে কেইটামান কাৰক নথকা নহয়। প্ৰথমে বিধায়ক হিচাপে নিৰ্বাচিত হোৱাৰ পিছত ভুৱন গামে সমষ্টিত অধিক সময় দিছিল। জনসংযোগ ভুৱন গামে সুন্দৰকৈ ৰাখিছিল



আৰু নিজৰ ঘৰৰ দুৱাৰ সকলোৰে বাবে ২৪ ঘণ্টাই মুকলি ৰাখিছিল। সমষ্টিৰ ৰাইজৰ দুখৰ সময়ত প্ৰতিমুহূৰ্ততে গৈ সমভাগী হোৱাৰ ফলত তৃণমূলৰ পৰা ভুৱন গামৰ চাৰ্ভে ৰিপোৰ্ট সঠিক গৈছিল। ইফালে যোৱা লোকসভা নিৰ্বাচনত যোৰহাটৰ লোকসভা সমষ্টিৰ ভিতৰত বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে কেৱল মাজুলী বিধানসভা সমষ্টিতহে কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈৰ বিপক্ষে ৬, ৫৮৬টা ভোটৰ অগ্ৰগতি লাভ কৰিছিল। ইয়ো ভুৱন গামৰ ভাৱমূৰ্তি দলীয় নেতৃত্বৰ ওচৰত বৃদ্ধি পাইছিল। ইফালে পঞ্চায়ত নিৰ্বাচনতো মাজুলীত অধিক ভাল ফলাফল বিজেপিয়ে লাভ কৰিছিল। অৱশ্যে দলীয় প্ৰাৰ্থীত্ব লাভৰ পিছত এতিয়াও ভুৱন গামে এইবাৰ কঠিন এক নিৰ্বাচনী যুঁজৰ সন্মুখীন হ'ব বুলি চৰ্চা চলিছে। ২০২২ চনৰ উপ-নিৰ্বাচনত সেই সময়ৰ অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী চিত্তৰঞ্জন বসুমতাৰী বিৰুদ্ধে প্ৰায় ৪৪ হাজাৰ ভোটৰ ব্যৱধানত ভুৱন গাম জয়ী হৈছিল। উপ-নিৰ্বাচনত স্বাভাৱিকতে শাসকীয় পক্ষতেই জনসাধাৰণৰ ভোট যায়। সেই অনুসৰি উপ-নিৰ্বাচন আৰু সাধাৰণ নিৰ্বাচনৰ মাজত স্বাভাৱিকতে প্ৰভেদ যিহেতু থাকিব গতিকে এইবাৰৰ নিৰ্বাচনহে বিজেপি প্ৰাৰ্থী ভুৱন গামৰ অগ্নি পৰীক্ষা হিচাপে চিহ্নিত হ'ব। ইফালে কংগ্ৰেছ দলে ইতিমধ্যেই মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ অধ্যাপক, জেংৰাইমুখৰ নিবাসী ড° ইন্দ্ৰনীল পেগুক দলীয় প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। দীঘলীয়া সময় ধৰি শিক্ষাক্ষেত্ৰৰ সৈতে জড়িত তেখেতে প্ৰায় দহ বছৰ ৰঙাচাহী কলেজত আৰু বৰ্তমান প্ৰায় তিনি বছৰ মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি আছে। সেইবাবে ছাত্ৰ সমাজৰ লগত তেখেতৰ ঘনিষ্ঠ সম্পৰ্ক গঢ়ি উঠিছে। ক্ৰীড়া ক্ষেত্ৰতো তেখেতৰ সুনাম আছে, যাৰ ফলত যুৱ সমাজৰ সমৰ্থন লাভ কৰাৰ সম্ভাৱনা দেখা গৈছে। মাজুলীৰ ৰাইজক সেৱা কৰাৰ লক্ষ্য লৈ তেখেতে চৰকাৰী চাকৰি এৰি ৰাজনীতিত প্ৰৱেশ কৰিছে। ইফালে এইবাৰ মাজুলীৰ বিজেপিৰ টিকট কেন্দ্ৰীক যুঁজ খনত গড়মূৰ-জেংৰাইমুখ কেন্দ্ৰীক এখন শীতল যুঁজ চলি আছিল। জেংৰাইমুখৰ বিতোপন দলে প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত হোৱাত এই ক্ষোভ বিপৰীত দলৰ স্থানীয় প্ৰাৰ্থীৰ পক্ষলৈ যোৱাৰ ৰাজনৈতিক মহলে সন্দেহ প্ৰকাশ কৰে। ইফালে কংগ্ৰেছৰ ভোট বেংকেও এই ক্ষেত্ৰত শাসকীয় দলৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে ঠিয় দিব পাৰে। অৱশ্যে সময়ে এই সমীকৰণ কি দিশে নিব সেয়া লক্ষণীয় হ'ব।

# বৰ্হমপুৰত দ্বিতীয়বাৰৰ বাবে বিজেপিৰ প্ৰাৰ্থীত্ব লাভ কৰা জিতু গোস্বামীক সমৰ্থকৰ উষ্ম আদৰণি

**অসম বাৰ্তা, পুৰণিগুদাম, ১৯ মাৰ্চ ঃ** ভাৰতীয় জনতা পাৰ্টীয়ে আজি আনুষ্ঠানিকভাৱে ঘোষণা কৰা চূড়ান্ত প্ৰাৰ্থী তালিকাত পুনৰবাৰ নগাঁও জিলাৰ বৰ্হমপুৰ বিধানসভা সমষ্টিৰ বিজেপি বিধায়ক জিতু গোস্বামীয়ে প্ৰাৰ্থীত্ব লাভ কৰিছে। দ্বিতীয়বাৰৰ বাবে জিতু গোস্বামীয়ে সমষ্টিৰ টিকট লাভ কৰাত বিধায়কগৰাকীৰ লগতে সমষ্টি বিজেপিৰ সকলো পৰ্যায়ৰ দলীয় নেতা-সমৰ্থকৰ মাজত উৎসাহ পৰিলক্ষিত হৈছে। বিধায়কগৰাকীৰ সমৰ্থকসকলে ফটকা ফুটাই, দলীয় শ্লোগান দি আনন্দ কৰা পৰিলক্ষিত হৈছে। ৫৯ নং বৰ্হমপুৰ বিধানসভা সমষ্টিত দ্বিতীয়বাৰৰ বাবে বিজেপি দলৰ পৰা প্ৰাৰ্থীত্ব লাভ কৰি জিতু গোস্বামী আজি গুৱাহাটীৰ পৰা আহি নিজ সমষ্টিত উপস্থিত হোৱাৰ পাছতে উৰিয়াগাঁৱৰ বাইপাছত সমৰ্থক সকলে আনন্দ-উল্লাসৰ মাজেৰে উষ্ম আদৰণি জনোৱা পৰিলক্ষিত হয়। তাৰপিছতে উৰিয়াগাঁৱৰ পৰা গোঁসাইগাঁওস্থিত বিশ্বৰ সৰ্ববৃহৎ উচ্চতাৰ শ্ৰীশ্ৰী মহামৃত্যুঞ্জয় মন্দিৰলৈ দলীয় কৰ্মী-সমৰ্থক সকলে এক বৃহৎ ৰেলী কৰি আদৰণি জনায়। প্ৰাৰ্থী গৰাকীয়ে পৰৱৰ্তী সময়ত মহামৃত্যুঞ্জয় মন্দিৰত উপস্থিত হৈ পূজা-অৰ্চনা কৰি পৰৱৰ্তী সময়ত কলিয়াবৰ জিলা বিজেপি কাৰ্যালয়ত উপস্থিত হয়। বৰ্হমপুৰ সমষ্টিৰ বিজেপি প্ৰাৰ্থী জিতু গোস্বামীয়ে সংবাদ মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে ৰাজ্যিক তথা কেন্দ্ৰীয় নেতৃত্বক ধন্যবাদ জ্ঞাপন কৰে। বিজেপি দলৰ পুৰণি কাৰ্যকৰ্তা তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোঁহাইয়ে বিজেপি দল ত্যাগ কৰি অসম জাতীয় পৰিষদৰ পৰা প্ৰাৰ্থীত্ব ভাল কৰি প্ৰতিদণ্ডিতা আগবঢ়োৱাৰ পৰিপ্ৰেক্ষিতত জিতু গোস্বামীয়ে ৰাজেন গোঁহাইক মহাভাৰতৰ গুৰু দ্ৰোণাচাৰ্য্যৰ লগত তুলনা কৰি নিজকে অৰ্জুন বুলি অভিহিত কৰে। গোস্বামীয়ে সংবাদ-মাধ্যমৰ আগত কয় যে, আগন্তুক নিৰ্বাচনত ৰাজেন গোঁহাই দ্ৰোণাচাৰ্য্য আৰু মই অৰ্জুন হৈ ৰাজনৈতিক যুদ্ধ কৰিম। মই মোৰ গুৰু ৰাজেন গোঁহাইৰ পৰা ইতিমধ্যে ৰাজনৈতিক বিদ্যা শিক্ষা সকলো লৈ থৈছো। তেওঁৰ পৰা কেৱল দুটা বিদ্যা গ্ৰহণ নকৰো। সেই দুটা কি বিদ্যা হয়, পাছতহে মই ক'ম। মহাভাৰতৰ যুদ্ধত অৰ্জুনৰ হাতত গুৰু দ্ৰোণাচাৰ্য্য পৰাস্ত হৈছিল। এইবাৰৰ ৰাজনৈতিক যুদ্ধত মোৰ জয় নিশ্চিত লগতে তেখেতে ৰাইজৰ মৰম আশীৰ্বাদৰ ফলত আগন্তুক নিৰ্বাচনত বিপুল সংখ্যাক ভোটত জয়লাভ কৰিব বুলি সংবাদ মাধ্যমক সদৰি কৰে। বৰ্হমপুৰ সমষ্টিবাসী ৰাইজক দ্বিতীয়বাৰৰ বাবে সেৱা কৰিবলৈ সুবিধা দিয়াৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নিতীন নৱীন, অসমৰ সৰ্বকালৰ, সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াক শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰে। লগতে মিত্ৰদলৰ ঐক্যবদ্ধ প্ৰচেষ্টাত এইবাৰো বিপুল সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰিব বুলি দৃঢ় মত পোষণ কৰে। পৰৱৰ্তী সময়ত জিতু গোস্বামীয়ে এক বৃহৎ ৰেলী কৰি পদুমণি, ভৰাগুৰি, বামুণী, কঠীয়াতলিকে ধৰি বৰ্হমপুৰ সমষ্টিৰ বিভিন্ন অঞ্চল পৰি ভ্ৰমণ কৰি ৰাইজৰ আশীৰ্বাদ লয় বুলি জানিব পৰা গৈছে।

বিজনী বিধানসভা সমষ্টিত বিপিএফৰ প্ৰাৰ্থী দিয়াৰ দাবী

# বিজনী জিলা বিপিএফ কাৰ্যালয়ত সংবাদমেল



**অসমবাৰ্তা, বিজনী, ১৯ মাৰ্চ ঃ** বিধানসভা নিৰ্বাচনত প্ৰাৰ্থীত্ব কেন্দ্ৰীক সংঘাতৰ মাজতে এনডিএৰ সহযোগী দল বিপিএফে ২০ নং বিজনী বিধানসভা সমষ্টিত বিপিএফৰ ফালৰ পৰা প্ৰাৰ্থী দিয়াৰ বাবে সজৰে দাবী উত্থাপন কৰিছে। বুধবাৰে সন্ধিয়া বিজনী জিলা বিপিএফৰ কাৰ্যালয়ত জিলা কমিটিৰ অন্তৰ্গত সুবাইঝাৰ, মানাছ ছেৰফাং আৰু থুৰিবাৰী ব্লক কমিটি, তিনিওটা ব্লকৰ মহিলা কমিটি আৰু ২৮ টাকৈ প্ৰাইমাৰী কমিটিয়ে উমৈহতীয়াকৈ সংবাদমেলৰ আয়োজন কৰে। সুবাইঝাৰ ব্লক কমিটিৰ সভাপতি থানেশ্বৰ নাৰ্জাৰী আৰু ব্লকটোৰ মহিলা কমিটিৰ সভানেত্ৰী ৰংজালী বসুমতাৰীয়ে বিজনী বিধানসভা সমষ্টিত বিপিএফৰ ফালৰ পৰা প্ৰাৰ্থী প্ৰদান কৰিবলৈ দলৰ মুৰব্বী তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীক আহ্বান জনায় সংবাদমেলৰ জৰিয়তে। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বিজনী বিধানসভা সমষ্টিত বিপিএফৰ তিনিগৰাকী পাৰিষদ থকাৰ লগতে এগৰাকী কাৰ্যনিৰ্বাহক সদস্য আছে গতিকে সমষ্টিটোত বিপিএফৰ প্ৰাৰ্থী জয়ী হোৱাৰ পূৰ্ণ সম্ভাৱনা থকা বুলি উল্লেখ কৰি সমষ্টিটোত বিপিএফৰ ফালৰ পৰা প্ৰাৰ্থী দিবলৈ দাবী উত্থাপন কৰে। বিজনী সমষ্টিত বিপিএফে ৫০ শতাংশ ভোট লাভ কৰিব বুলি উল্লেখ কৰি এনডিএৰ সহযোগী দল ইউপিপিএলে যদি নিজাববীয়াকৈ প্ৰাৰ্থী ঘোষণা কৰিব পাৰে বিপিএফে কিয় নোৱাৰে বুলি মন্তব্য কৰে। বিপিএফৰ কৰ্মী সকলে বিজনীত বিপিএফৰ প্ৰাৰ্থী দিব লাগিব বুলি শ্লোগান প্ৰদান কৰে। উল্লেখ্য বিজনী সমষ্টিত বিপিএফৰ প্ৰাৰ্থী দিয়াৰ দাবীত আবেলিৰ ভাগত বিজনী জিলা বিপিএফৰ অন্তৰ্গত তিনিটা ব্লক কমিটি, তিনিওটা ব্লকৰ মহিলা কমিটি আৰু ২৮ টাকৈ প্ৰাইমাৰী কমিটিয়ে বিপিএফ প্ৰধান তথা বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীক স্মাৰকপত্ৰ প্ৰদান কৰে।

# তিনিচুকীয়া নিৰ্বাচনী জিলাত ব্যয় পৰ্যবেক্ষকৰ সৈতে ব্যয় নিৰীক্ষণ কোষৰ বৈঠক

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ মাৰ্চ ঃ** অহা ৯ এপ্ৰিলত অনুষ্ঠিত হ্বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ বাবে তিনিচুকীয়া নিৰ্বাচনী জিলাত ব্যয় পৰ্যবেক্ষক হিচাপে ভাৰতৰ নিবাৰ্চন আয়োগ শদিয়া, ডুমডুমা আৰু তিনিচুকীয়া বিধানসভা সমষ্টিৰ বাবে নিয়োগ কৰা টি.আয়ামপাৰুমাল আৰু মাৰ্ঘেৰিটা, মাকুম আৰু ডিগবৈ বিধানসভা সমষ্টিৰ বাবে নিয়োগ কৰা ৰঘুবীৰ সিংৰ উপস্থিতিত আজি তিনিচুকীয়া জিলাৰ নতুন আৱৰ্ত ভৱনৰ সভাগৃহত নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ এখনি গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। দুয়োগৰাকী ব্যয় পৰ্যবেক্ষকে প্ৰাৰ্থীৰ ব্যয় পৰ্যবেক্ষণৰ সৈতে জড়িত ষ্টেটিক ছাৰ্ভিলেঞ্চ দল, ফ্লায়িং স্কোৱাড, ভিডিঅ' চাৰ্ভিলেঞ্চ দল, ভিডিঅ' ভিউৰিং দল, সহকাৰী ব্যয় পৰ্যবেক্ষক, একাউণ্টিং টিম, আৰক্ষী, হিচাপৰক্ষণ দল আদিৰ কাম কাজৰ সবিশেষ বুজ লয়। প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ ক্ষেত্ৰত চোকা দৃষ্টি ৰখাৰ লগতে ব্যয় পৰ্যবেক্ষণৰ ক্ষেত্ৰত নিৰ্বাচন আয়োগৰ নীতি নিৰ্দেশনা কঠোৰভাৱে পালন কৰিবলৈ বৈঠকত দুয়োগৰাকী ব্যয় পৰ্যাবেক্ষকে নিৰ্দেশ দিয়ে বুলি তিনিচুকীয়া জিলাৰ নিৰ্বাচনী প্ৰচাৰ কোষে জাৰি কৰা এক প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিয়া হৈছে।

প্ৰাক্তন উপ-প্ৰবন্ধক সৌৰভ চান্দক ৩ বছৰ কাৰাদণ্ডসহ একাধিক ধাৰাত শাস্তি

# মাজুলীত ১০ লাখ টকাৰ বেংক জালিয়াতি কাণ্ডৰ শুনানি

**অসম বাৰ্তা, উজনী মাজুলী, ১৯ মাৰ্চ ঃ** মাজুলীত সংঘটিত এক ভয়ংকৰ বেংক জালিয়াতিৰ ঘটনাৰ আজি মাজুলী মহকুমা ন্যায়িক দণ্ডাধীশ ত্ৰিদিপ কুমাৰ ভট্টাচাৰ্যৰ আদালতে এক দৃষ্টান্ত মূলক ৰায়দান প্ৰদান কৰিছে। ২০২৩ চনত মাজুলীৰ এছিঁ বেংকৰ গড়মূৰ শাখাত সেই সময়ৰ উপ-প্ৰবন্ধক সৌৰভ চন্দে এগৰাকী গ্ৰাহক ৰবিন নাগৰিয়াৰ একাউণ্টৰ পৰা অবৈধভাৱে মুঠ ১০ লাখ টকা আত্মসাৎ কৰাৰ অভিযোগ উত্থাপিত হৈছিল। অভিযোগ অনুসৰি, অভিযুক্তই বেলেগ আইডি ব্যৱহাৰ কৰি টকাখিনি স্থানান্তৰ কৰিছিল নিজৰ একাউণ্টলৈ। পাছত, ভুক্তভোগীয়ে নিজৰ একাউণ্টত টকা নথকা দেখি বহুবাৰ অভিযোগ দাখিল কৰিছিল যদিও বিভিন্ন অজুহাত দেখুৱাই বিষয়টো লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিল সৌৰভ চান্দে। বিষয়টো সেইসময়ৰ বেংকৰ প্ৰবন্ধক বিশ্বজিৎ বৰাই জানিব পাৰি গড়মূৰ আৰক্ষীক অভিযোগ প্ৰদান কৰে। এই অভিযোগৰ ভিত্তিত গড়মূৰ আৰক্ষীয়ে ৫৯/২৩ নংত এক গোচৰ ৰুজু কৰি তদন্ত সম্পন্ন কৰি গোচৰটো আদালতলৈ প্ৰেৰণ কৰে। আজি মাজুলী মহকুমা ন্যায়িক দণ্ডাধীশ ত্ৰিদিপ কুমাৰ ভট্টাচাৰ্যৰ আদালতে সকলো সাক্ষ্য-প্ৰমাণ বিবেচনা কৰি অভিযুক্ত সৌৰভ চান্দক ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪০৯ অনুসৰি তিনিবছৰ কাৰাদণ্ড আৰু দহ হাজাৰ টকা জৰিমনা বিহে। জৰিমনা আদায় নকৰিলে অতিৰিক্ত দুমাহ কাৰাবাস ভোগ কৰিব লাগিব। ইয়াৰ লগতে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৪৬৮ (জালিয়াতিৰ উদ্দেশ্যে নথি জাল কৰা) অনুসৰি দুবছৰ কাৰাদণ্ড আৰু ৫,০০০ টকা জৰিমনা বিহে আৰু জৰিমনা অনাদায়ে এমাহৰ কাৰাদণ্ডৰ আদেশ দিয়ে। তদুপৰি, তথ্য প্ৰযুক্তি আইন ২০০০ ৰ ধাৰা ৬৬ অনুসৰি অভিযুক্তক ছমাহৰ কাৰাদণ্ডৰো আদেশ দিয়া হয়। উক্ত গোচৰৰ চৰকাৰী অধিবক্তা হৈ ফিৰোজ পেগুৱে যুক্তি দৰ্শাইছিল। উল্লেখযোগ্য যে, আজিৰ এই ঐতিহাসিক ৰায়দানে বেঙ্কিং ব্যৱস্থাৰ প্ৰতি আস্থা আৰু বিশ্বাস পূৰ্বৰ দৰে ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰা হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন